চান্দমামা

মে' ১৯৬৮



Rs. 30/-



Rs. 40/-

Rs. 30/-



Rs. 30/-



Rs. 25/-



Rs. 30/-

CHANDAMAMA BOOKS ARE ALREADY A LEGEND! THEY OPEN A NEW HORIZON ON THE WORLD OF LITERATURE FOR THE YOUNG.

'Added to the six titles by **Manoj Das** is the charming seventh–

WHEN THE TREES WALKED
by
the inimitable story-teller
Ruskin Bond



Rs. 30/-

Among the titles in the process of production are:

STORY OF KRISHNA
STORY OF RAMA
STORY OF BUDDHA

For details, write to:

CHANDAMAMA BOOKS
Chandamama Buildings
Vadapalani, Madras - 600 026.

Chelpark

A class by itself !

CHELPARK COMPANY PVT. LTD.

A-93, Industrial Estate, Rajajinagar, Bangalore - 560 044.

Ph : 335 1694, 335 1562 Fax : 3300021

CHELPARK RANGE OF PRODUCTS

INKS, WAX CRAYONS, WATER COLOUR CAKES, PENS, PENCIL, OIL PASTELS, ADHESIVES, STAMP PAD BOX, WATER COLOUR SET ETC.

চান্দমামা

মে' : ১৯৯৭

এই সংখ্যাত আছে

সংকটৰ কল্পনাৰে নোহোৱা ম্ৰিয়মান	...৭
বাংলাদেশৰ ৰাষ্ট্ৰপিতা	...৯
ধনৰ কাৰণে মনৰ ভাগ	...১০
বুজনি-বঁটা	...১৬
সম্ৰাট অশোক	...১৭
মুখত লটপট-ভিতৰি কপট	...২৫
হাঁহ-কণীত কুহুম নাই	...৩১
সাগৰৰ পাৰে পাৰে	...৩৩
লোকচানেই লাভ	...৩৭
সোণালী দুৱাৰ	...৪১
মহাভাৰত	...৪৫
চান্দমামাৰ লম্বা-কথা	...৫২
চান্দমামা ক্ৰোড়পত্ৰ	...৫৩
আৰোগ্য-সূত্ৰ	...৫৬
আধা-অনীয়া সাধু	...৬১
ফোটো-নামকৰণ প্ৰতিযোগিতা	...৬৬

যিকোনো ভাষাৰ চান্দমামা

খনে : ৬.০০ টকা

বছৰি : ৭২.০০ টকা

ঐতিহ্যময় সৌন্দর্য! একান্ত নির্ভরযোগ্য!!

মেরি
স্বর্ণাচ্ছাদিত অলঙ্কারাদি

অঙ্গশোভার জন্য সৃষ্টি, শিল্পকর্ম ও অনবদ্য গঠন-শৈলী— উভয়ের জন্য সমাদৃত। মেরি— গত ৩৫ বৎসর যাবৎ স্বর্ণাচ্ছাদিত অলঙ্কার প্রস্তুতিতে নিযুক্ত এক সুপ্রসিদ্ধ সংস্থা। নিম্নে প্রদর্শিত কয়েকটি ডিজাইন ভি.পি.পি. দ্বারা ক্রয় করা যেতে পারে। অলঙ্কারগুলির চিহ্ন-সংখ্যা উল্লেখ করে আপনার প্রয়োজনাদি অর্ডার করুন। ভি.পি.পি.-র খরচ বিনামূল্যে। এ-ছাড়া ১৫০ পৃষ্ঠার বিনামূল্য রঙীন ক্যাটালগের জন্য লিখুন।



MERI GOLD COVERING WORKS
Post Box : 1405, 18, Ranganathan Street, T. Nagar, Chennai 600 017. Phone : 4344671, 4342513

'ସଚିତ୍ର ବିଜୟା' : ଏକ ମାସିକ ପାରିବାରିକ ଉତ୍ସବ

ବୈଶାଖୀ ବିଶେଷାଙ୍କ : ମଇ ସଂଖ୍ୟା



ମୁଖ୍ୟ ପ୍ରସଂଗ : ଓଡ଼ିଆ ଚିତ୍ରଶିଳ୍ପୀର ନିୟତି, ଅନୁଚିନ୍ତା : ନାରାୟଣ ବୀରବର ସାମନ୍ତଙ୍କ ଆତ୍ମକଥା, ଭ୍ରମଣ ବୃତ୍ତାନ୍ତ : କୈଳାଶରୁ କପିଳାସ, ଅସ୍ତରାଗ : ଗୁଣପୁର ରାଜ ପରିବାର, ଏ ମାସର ବ୍ୟକ୍ତିତ୍ୱ : ସନ୍ଥକବି ଭୀମ ଭୋଇ, ପ୍ରେରଣା : ସଂଗୀତ ଗୁରୁ ଧୋବି ବେହେରା, ଏକାନ୍ତ ପଲ୍ଲୀ : ନିରବି ଆସୁଛି ନୀଳଗିରିର ନିହାଣ, ସ୍ୱତନ୍ତ୍ର ପ୍ରସଂଗରେ ଓଡ଼ିଶାର ଚାରୁ ଓ କାରୁକଳା ମହାବିଦ୍ୟାଳୟର ସାଂପ୍ରତିକ ସ୍ଥିତି ଠାରୁ ରଂଗୀନ ଦ୍ୱିପତ୍ର ଯାଏ ବହୁ ବିଚିତ୍ର ବର୍ଣ୍ଣବିଭା ।

୮୪ ପୃଷ୍ଠାର ଏହି ବର୍ଣ୍ଣମୟ, ବୈଚିତ୍ର୍ୟମୟ ସଂଖ୍ୟାର ମୂଲ୍ୟ ମାତ୍ର ବାର ଟଙ୍କା

ଅବଶ୍ୟ ସଂଗ୍ରହଣୀୟ ଏହି ଆକର୍ଷଣୀୟ ସଂଖ୍ୟା ପାଇଁ ନିକଟବର୍ତ୍ତୀ 'ଜହ୍ନମାମୁଁ' ଏଜେଣ୍ଟଙ୍କ ପାଖରେ ଅଗ୍ରୀମ ଚାହିଦା ପେଶ୍ କରନ୍ତୁ ।

চান্দমামা

সংস্থাপক : চক্রপাণি ✷ সঞ্চালক : নাগিৰেড্ডি

'সংকটৰ কল্পনাৰে নোহোৱা ম্ৰিয়মাণ...' শিশুসকলৈ আটকধুনীয়া পোছাক-পাতিৰে মুখ-চকুত আনন্দৰ উজ্জ্বল পোহৰৰে হাতীৰ পিঠিত উঠি গৈ থকা শিশুহঁতৰ সমদল ২৬ জানুৱাৰিত অনুষ্ঠিত স্বাধীনতা-দিৱসৰ এক উল্লেখযোগ্য অনুষ্ঠান। এই সকল শিশু সাধাৰণ শিশু নহয়, নিজৰ জীৱন তুচ্ছ কৰি আনৰ জীৱন ৰক্ষা কৰিবলৈ বিপদৰ মাজলৈ জঁপিয়াই পৰা অসাধাৰণ শিশু। প্ৰধানমন্ত্ৰীয়ে এই সাহিয়াল শিশুসকলৈ নগদ ধনৰ পুৰস্কাৰৰ উপৰিও প্ৰশংসাপত্ৰ, কিতাপ আৰু নানান ধৰণৰ পুতলা আদি খেল-ধেমালিৰ সামগ্ৰী উপহাৰ প্ৰদান কৰে।

বিগত বিছ বছৰৰেপৰাই স্বাধীনতা-দিৱসত এই অনুষ্ঠান অনুষ্ঠিত হৈ আহিছে। কিন্তু বিভিন্ন মহলত বিভিন্ন জনৰ মনত এই বিষয়ত এটি বিশেষ প্ৰশ্নই মূৰ দাঙিছে। সেই প্ৰশ্নটি হ'ল : এই সাহিয়াল শিশুসকলৈ প্ৰদান কৰা উপহাৰ-পুৰস্কাৰৰ ধন সাধাৰণতঃ সিহঁতৰ পৰিয়ালখনতে ব্যয়িত হৈ যায়, পুতলা বা তদ্‌জাতীয় সামগ্ৰী বৰ বেছিদিনলৈ নিশ্চয় নাথাকে, কিতাপ, বা প্ৰশংসাপত্ৰও ক'লৈ যায়—তাৰ খবৰ পাছত আৰু প্ৰায় কোনেও নৰখা হয়।

এই শিশুসকলৰ বয়স সাধাৰণতঃ পাঁচৰপৰা পোন্ধৰমানহে হয়, আৰু সাধাৰণতঃ অধিকভাগৰেই পাৰিবাৰিক অৱস্থা দাৰিদ্ৰ্যসীমাৰ ওচৰৰ বা তলৰহে হয়। আমাৰ বক্তব্য হ'ল যে সাহসিকতাৰ বাবে এই চৰকাৰী-পুৰস্কাৰ এই সাহসিকতাপূৰ্ণ শিশুসকলৰ বাবে অন্ততঃপক্ষে সমগ্ৰ শিক্ষা-জীৱনৰ ব্যয়নিৰ্বাহৰ পুৰস্কাৰলৈ ৰূপান্তৰিত কৰিব নোৱাৰিনে ? নিজৰ জীৱনৰ নিৰাপত্তাৰ কথা নাভাবি আনৰ বিপদক মূৰ পাতি লোৱা এই অপাৰ সাহিয়াল শিশুসকলৈ জাতিয়ে এইকণ মৰম প্ৰদৰ্শন কৰক।

বছৰ : ২২ মে' ১৯৯৭ সংখ্যা : ২

খনে : ৬.০০ টকা ✷ বছৰি : ৭২.০০ টকা



PolioPlus

IMMUNIZATION AN ASSURANCE OF GOOD HEALTH TO CHILDREN

VACCINATIONS When and How Many

Age to Start Vaccination	Name of Vaccine	Name of Disease	How Many Times
Birth	**BCG**	**Tuberculosis**	Once
6 weeks	**Polio**	**Polio**	Three times with intervals of at least one month
6 weeks	**DPT**	**Diphtheria Pertussis (Whooping Cough) Tetanus**	Three times with intervals of at least one month
9 months	**Measles**	**Measles**	Once

Babies should receive all vaccinations by the time they are twelve months old.

Pregnant women should get themselves vaccinated against Tetanus (TT) twice—in an interval of at least one month—during the later stages of pregnancy.

HEALTHY CHILD—NATION'S HOPE & PRIDE

Design courtesy : World Health Organisation

পৃথিৱীৰ থিৰিকীৰে

বাংলাদেশৰ ৰাষ্ট্ৰপিতা

পঁচিছ বছৰৰ আগতে বাংলাদেশ নামৰ ন-ৰাষ্ট্ৰ এখনৰ উদ্ভৱ হৈছিল। পঁচিছ বছৰীয়া ৰজত-জয়ন্তী উৎসৱৰ অনুষ্ঠানৰ দুমাহৰ পাছত শ্বেখ মুজিবুৰ ৰহমানক বাংলাদেশৰ জনক তথা ৰাষ্ট্ৰপিতা ৰূপে ঘোষণা কৰা হৈছে। পাকিস্তানৰ টান মুঠিৰপৰা ওলাই আহি বাংলাদেশৰ স্বাধীনতাৰ হকে তেৱেঁই আগ-ৰণুৱা হৈ যুঁজিছিল, আৰু তেওঁৰ নাম বিশ্বময় ব্যাপ্ত হৈ পৰিছিল।

১৯৪৭ চনত ভাৰত-বিভাজন হৈছিল। তেতিয়া এই অঞ্চলত মুছলমান লোকৰ সংখ্যা অধিক থকাহেতুকে এই অঞ্চলকো পাকিস্তানৰ অংগ হিচাপে ঘোষণা কৰা হৈছিল।

কিন্তু পাকিস্তানৰ অংগীভূত হৈ এই অঞ্চলৰ জন-সাধাৰণ তুষ্ট হোৱা নাছিল, যাৰ অৱশ্যম্ভাৱী ফলস্বৰূপে উদ্ভূত হৈছিলবাংলাদেশ নামৰ স্বাধীন-স্বতন্ত্ৰ দেশ এখনৰ কল্পনা। আৰু এই কল্পনাৰ প্ৰধান ৰূপকাৰ আছিল শ্বেখ মুজিবুৰ ৰহমান।

পাকিস্তানী শাসকসকলেও এৰা বিধৰ ভকত নাছিল। তেওঁলোকে—এই অঞ্চলৰ জনগণৰ মনৰ সুতীব্ৰ স্বাধীনতাৰ ইচ্ছাক মষিমূৰ কৰিবলৈ হাজাৰ-বিজাৰক কাৰাগাৰত ভৰালে ; পশ্চিমবংগ, ত্ৰিপুৰা, মেঘালয়, অসম আদিলৈ সেই অঞ্চলৰপৰা—অৰ্থাৎ তেতিয়াৰ পূব-পাকিস্তানৰপৰা মুছলমান ভগনীয়াৰো সোঁত ব'বলৈ ধৰিলে।

ভাৰতে ভগনীয়াসকললৈ মুখ ঘূৰাই নাথাকিল, ভাৰতে ভগনীয়াসকলক অভয় দিলে, দিলে আশ্ৰয়, খাদ্য, বস্ত্ৰ। কিন্তু এই ভগনীয়াৰ সোঁত যেতিয়া দুৰ্ব্বাৰ-গঁৱিলাহেন হৈ ভাৰতৰ বুকুত 'সহিতে নপাৰি অতি প্ৰচণ্ড আচোট' হৈ আচোটিয়াই পৰিল, তেতিয়া ভাৰতে এই দুৰূহ সমস্যাৰ সমাধানৰ অৰ্থে অন্য উপায় চিন্তি থাকিল। এই বিপুল সংখ্যক ভগনীয়াসকলক তেওঁলোকৰ নিজ ভূমিলৈ ঘূৰাই পঠাবলৈ হ'লে সেই ভূমিলৈ যোৱাৰ নিৰাপত্তাৰো নিশ্চয়তা লাগেই। আৰু—পাকিস্তানী শাসক-কৰ্তৃপক্ষৰ সৈতে ভাৰতীয় কৰ্তৃপক্ষেৰ আলাপ-আলোচনা যেতিয়া ব্যৰ্থ হ'ল, তেতিয়া—

১৯৭১ চনত ভাৰতে এই স্বাধীনতা-যুঁজাৰুসকলক সহায় কৰিবলৈ বাধ্যত পৰি অস্ত্ৰ হাতত ল'লে, আৰু এপষলৈ তয়া-ময়া যুদ্ধৰ অন্তত—১৯৭১ চনৰ ১৬ ডিছেম্বৰৰ দিনা পাকিস্তানী-কৰ্তৃপক্ষই তেওঁলোকৰ পৰাজয় মানি লৈ, পূব-পাকিস্তানৰ স্বাধীনতাকামী জনগণক কাৰাগাৰৰপৰা মুক্তি দিলে, আৰু পৃথিৱীৰ মানচিত্ৰত বাংলাদেশ নামৰ এখন স্বাধীনদেশে জন্মলাভ কৰিলে।

১৯৭২ চনত শ্বেখ মুজিবুৰ ৰহমানক বাংলাদেশৰ ৰাষ্ট্ৰপতি পতা হ'ল। কিন্তু ১৯৭৫ চনৰ অগাস্ট মাহত তেওঁক সপৰিয়ালে হত্যা কৰা হ'ল।

সেই সময়ত তেওঁৰ দুগৰাকী জীয়েক জাৰ্মানিত আছিলগৈ। তাৰ ফলত সেই দুগৰাকী কথমপি ৰক্ষা পৰিছিল। এই দুগৰাকীৰ ডাঙৰগৰাকী শ্বেখ হাছিনা ওৱাজেদ ১৯৮১ চনত ইংল্যাণ্ড হৈ স্বদেশলৈ উভতি আহিল আৰু আহিয়েই পিতৃয়ে স্থাপন কৰি থৈ যোৱা **আওৱামী লিগ** নামৰ ৰাজনৈতিক দলৰ গুৰিবঠাত ধৰিলে। তাৰ পাছত, ১৯৯৩ চনত যেতিয়া সাধাৰণ নিৰ্বাচনে অনুষ্ঠিত হ'ল, সেই নিৰ্বাচনত বিজয়ী হৈ বাংলাদেশৰ প্ৰধানমন্ত্ৰীত্বৰো গুৰিবঠা ধৰিছিল।

বাংলাদেশৰ সংবিধানৰ চতুৰ্থ সংশোধনত শ্বেখ মুজিবুৰ ৰহমানক **ৰাষ্ট্ৰপিতা** ৰূপে ঘোষণা কৰা হৈছিল। কিন্তু ১৯৭৯ চনত সেনা-শাসিত চৰকাৰে এই ঘোষণাক নাকচ কৰিছিল। তথাপি, বাংলাদেশৰ জনসাধাৰণৰ দৃষ্টিত বংগবন্ধু মুজিবুৰেই ৰাষ্ট্ৰপিতা হৈ থাকিল।

যোৱা বছৰৰ ডিছেম্বৰ মাহৰ ১৬ তাৰিখে বাংলাদেশে স্বাধীনতাৰ ৰজত-জয়ন্তী পালন কৰোঁতে শ্বেখ মুজিবুৰ ৰহমানে যিডোখৰ ভূমিত থিয় হৈ স্বাধীনতা-স্বতন্ত্ৰতাৰ ঘোষণা কৰিছিল, সেই ভূমিডোখৰতে প্ৰধানমন্ত্ৰী শ্বেখ হাছিনাই স্বাধীনতা-স্মাৰক স্থাপিলে। আৰু সেই দিনা আমাৰ দেশতো সমাৰোহৰে 'বিজয়-দিৱস' পালন কৰা হৈছিল।

ধনৰ কাৰণে মনৰ ভাগ

অধৰ, ভূধৰ, আৰু গুণধৰ তিনিও আছিল ভাই-ককাই। পিতাক ভূমিধৰৰ মৃত্যুৰ অন্তত সিহঁতে সিহঁতৰ থকা-ঘৰটোক তিনিভাগত ভগাই ল'লে আৰু গয়ংগচ্ছ ধৰণে দিন-মাহ-বছৰবোৰ পাৰ কৰিবলৈ ধৰিলে।

সিহঁতৰ ঘৈনীয়েককেইজনীয়ে সিহঁতক নানান কাম-ধান্দাত উদগাবলৈ চেষ্টা কৰি চালে, কিন্তু সিহঁতে কাণেৰেও নুশুনাহ'ল, যি আছিল যেনে আছিল তেনেহেনেই থাকিল।

এদিন এজন বৰাগী সিহঁতৰ ঘৰলৈ আহিল, আৰু ক'লে, "ভিক্ষাং দেহি!"

তেতিয়া সিহঁতৰ ঘৈণীয়েককেজনীয়ে ঠেং মেলি বহি মেল মাৰি আছিল, আৰু বৰাগীৰ চিঞৰ শুনিও মেলেই মাৰি থাকিল। বৰাগীয়ে পুনৰ কৈ উঠিল, "ভিক্ষাং দেহি!"

তিনিও দুৱাৰ খুলি ওলাই আহিল আৰু বৰাগীক ক'লে, "এই ঘৰৰ গিৰিহঁতসকলে ভিক্ষা নিদিয়ে যে — তুমি নাজানানে কি? তুমিনো ক'ৰ মানুহ?"

এই কথা শুনিও নদমি বৰাগীয়ে ক'লে, "মই কোন—জনাহেঁতেন তোমালোকে এই কথাটোও জানিলাহেঁতেন যে মোক দিলে ভিক্ষা—হয় সৰ্বৰক্ষা। মই সকলোটিৰপৰা ভিক্ষা গ্ৰহণ নকৰোঁ। কিন্তু যাৰ ভিক্ষা গ্ৰহণ কৰোঁ তাৰ মংগল হয়।"

শুনি—সিহঁতকেইজনীয়ে ভাবিলে যে—এই বৰাগীজন কিজানি সাধাৰণ মগনিয়াৰ নহয়। এজনীয়ে সুধিলে, "কেনেকুৱা মংগল হ'ব?"

"বিধোবিধ হ'ব পাৰে। যেনে ধৰা—তোমালোকৰ প্ৰতিজনীৰ ঘৰৰ পিছফালে ক'ৰবাত পুতি থোৱা ধন পাই যাবা—এনেকুৱা উপায় মই দিম।" বৰাগীয়ে ক'লে।

তেতিয়া তিনিওজনীয়েই সেই বৰাগীজনক

মালতী মজুমদাৰ

ভিক্ষা দিবলৈ খৰ-খেদা লগাই দিলে।

তাৰ পাছত—বৰাগীয়ে সিহঁতৰপৰা জানি ল'লে সিহঁতৰ গিৰিয়েকহঁতৰ কথা—জানি ল'লে যে সিহঁতে কিয় কোনো মগনিয়াৰক বা বৰাগীকো ভিক্ষা নিদিয়ে। বৰাগীয়ে সিহঁতকেইজনীক ক'লে, "শুনা, এই ঘৰ কেৱল তোমালোকৰ গিৰিয়েকহঁতৰে নহয়, তোমালোকৰো এই ঘৰত সমান অধিকাৰ। তোমালোকে—তিনিওজনীয়েই—এটা কাম কৰাঁ। তোমালোকৰ নিজৰ নিজৰ ঘৰত—এজনীয়ে ভাত এজনীয়ে আঞ্জা আৰু এজনীয়ে দালি ৰান্ধি মোক খাবলৈ দিয়া। খোৱা-বোৱাৰ পাছত তোমালোকক মই পোতাধন পোৱাৰ উপায় দিম।"



সিহঁতকেইজনীয়ে সুধিলে, "আমাৰ মাজত—কাৰ ঘৰৰ পিছফালে পোতাধন পোৱা যাব ক'বনে?"

বৰাগীয়ে ক'লে, "তিনিওজনীয়ে যাৰ যাৰ ঘৰৰ পিছফালে পোতাধন পাবা।"

বৰাগীয়ে পেট ধুই দন টানি পেট-পূজা কৰি পেটুৱা মহাদেৱটি হৈ দিয়াৰ অন্তত ক'লে, "মই তোমালোকৰ আহাৰেৰে পৰিতুষ্ট হৈছো। পিছে—পোতাধন পাবলৈ হ'লে আৰু এটা কামও কৰিব লাগিব। তোমালোকে তোমালোকৰ নিজৰ নিজৰ পতিক ক'বা যে—তেওঁলোকে কিঞ্চিতকৈ হ'লেও আনৰ উপকাৰ কৰিব লাগিব—যি উপকাৰত থাকিব লাগিব মনুষ্যত্বৰ প্ৰকাশ। এই মনুষ্যত্ব-প্ৰকাশক কৰ্মৰদ্বাৰাইহে পোতাধনৰ মানদণ্ড স্থিৰীকৃত হ'ব। অৰ্থাৎ—যেৰে যেনেকুৱা যি-খাপৰ মনুষ্যত্বমূলক কাম কৰিব, তেওঁ তেনেকুৱা পোতাধন পাব। — মই এইখন গাঁৱত তিনিদিনলৈ আছোঁ, পোতাধন পোৱাত টান পালে মোক লগ কৰিবাহি মোৰ গছতলৰ আশ্ৰমত।"

তিনিওজনীয়েই বৰাগীক ক'লে, "কিন্তু—আমাৰ পতিসকলৰ স্বভাৱ-চৰিত্ৰ একেই—। আনৰ উপকাৰ কৰাত তেওঁলোক নাই। তেওঁলোক বদবুদ্ধিৰ ভঁৰাল, কিন্তু সদবুদ্ধিৰ সঁচো নাই। আপোনাক খুঁউৱাৰ কথা কেনেবাকৈ জানে যদি—আকাশ-পাতাল একাকাৰ কৰিহে এৰিব।"

বৰাগীয়ে মুহূৰ্তমান ভাবি বড়ি কিছুমান উলিয়াই লৈ ক'লে, "মই তোমালোকক এই যে বড়ি দিছোঁ, এই বড়ি হ'ল সদবুদ্ধিৰ বড়ি।



এই বড়ি পানীৰ সৈতে মিহলাই খুৱাই দিবা, সিহঁতৰ মাজত সদবুদ্ধিৰ সৃষ্টি হ'ব।"

তিনিওজনীয়েই বৰাগীয়ে কোৱা মতে কাম কৰিছিল, নিজৰ নিজৰ গিৰিয়েকক খোৱাপানীৰ সৈতে সেই বড়ি মিহলাই খুৱাইছিল।

পাছদিনা, গুণধৰেই পোন-পহিলতে— উপজিপুৱাতে সাৰ পালে। সি তেতিয়াই ঘৰৰ দুৱাৰ খুলি প্ৰাতৰ্ভ্ৰমণ কৰিবলৈ বাহিৰলৈ ওলাল। কিন্তু ওলায়েই এটা দৃশ্য দেখি সি ৰৈ দিলে। কিছুমান চিপাহীয়ে ৰাঘৱ নামৰ মানুহ এজনক ধৰি লৈ যাব ধৰিছে, আৰু ৰাঘৱে কান্দিব ধৰিছে।

গুণধৰে ৰাঘৱৰ কাষ চাপি সুধিলেগৈ, "কথা কি ? কি হ'ল ? কান্দিছা যে — ?"

চিপাহী এজনে গুণধৰক ক'লে, "এওঁ ভালেমানৰপৰা টকা কৰ্জা হিচাপে লৈ খেতি-মাটি কিনিলে, ঘৰ-দুৱাৰ সাজিলে। ঘৰ ঘৈনীয়েকৰ নামত, খেতি-মাটিখিনি ল'-ছালীৰ নামত কিনিলে। কিন্তু কৰ্জা লোৱা মানুহখিনিক এওঁ এক পাইচাও নিদিব বুলি কৈ দিলে যেতিয়া, তেতিয়া সেই মানুহখিনিয়ে গোচৰ দিয়াত আমি এওঁক ধৰিলোঁহি। — এতিয়া ৰজাই যি বিচাৰ কৰে কৰিব।"

"কিন্তু—এওঁক ফাটেকত ভৰাই থ'লে কেনেকৈনো মহাজনসকলৰ টকা উঁচুল হ'ব ? বৰঞ্চ—বাহিৰত থাকিলেহে চেষ্টা কৰি কৰ্জা শোধাব পাৰিব।" গুণধৰে চিপাহীহঁতক বুজাই ক'লে।

"এই কথাত আমাৰ কৰিবলগীয়া একো নাই। আমি যেনেকুৱা হুকুম পাইছোঁ, তেনেকুৱা কাম কৰিছোঁ।" ক'লে চিপাহীহঁতে, "পিছে — এশমান পাওঁ যদি — আমি কিজানি — এওঁক এৰি দিবও পাৰোঁ।"

গুণধৰে ক'লে, "মাত্ৰ এশ মুদ্ৰাৰ কাৰণে এওঁৰ এই অথন্তৰ ! ৰাঘৱক আপোনালোকে এৰি দিয়ক, ধনখিনি মই দিছোঁ।" এই বুলি কৈ, ঘৰৰ ভিতৰলৈ গৈ, গুণধৰে এশ মুদ্ৰা আনি চিপাহীহঁতৰ হাতত দিলে আৰু পুনৰ ক'লে, "মোৰো আৰ্থিক অৱস্থা ভাল নহয়। ধনৰ অভাৱত মই এহাল গৰু কিনিব পৰা নাই। তথাপি — এইখিনি ধন — ৰাঘৱৰ ভাগ্যত আছিল বুলিহে ক'ব লাগিব।"

চিপাহীবিলাকে ভেটিৰ ধন পাই ৰাঘৱক মুক্তিদান কৰিলে। তাৰ পাছত গুণধৰে ৰাঘৱৰ

পৰিবাৰক, ল'ৰা দুজনক, আৰু লগতে পাওনাদাৰসকলকো মাতি আনি গোট খুৱাই বহি ল'লে আৰু ৰাঘৱৰ কৰ্জাৰ বিষয়ে সুস্থ মীমাংসা কৰি পেলালে। গুণধৰৰ মীমাংসাত পৰিতুষ্ট পাওনাদাৰসকলে ধৰুৱা ৰাঘৱক কৰ্জা পৰিশোধৰ বাবে পুনৰ দুবছৰলৈ সময় দিলে আৰু সন্তুষ্ট মনেৰে তাৰপৰা খোজ ললে।

তেতিয়া ৰাঘৱৰ পৰিবাৰে গুণধৰক ক'লে, 'ডাঙৰীয়া, আমাৰ তেওঁ যে আপোনাৰ শত্ৰুৰদৰে সেই কথা আমাৰ অবিদিত নহয়। তথাপি যে আপুনি তেওঁক ঘোৰ অপমান আৰু যাতনাৰপৰা ৰক্ষা কৰিলে, আপোনাৰ এই মহত্বক আমি জীৱনকাললৈকে সুঁৱৰি থাকিম। চিপাহীহঁতে এওঁক ধৰি লৈ যোৱাতো আমি ৰাই-কই কৰা নাছিলোঁ বুলি আমাক দোষী বুলি নাভাবক। কিয়নো—তেওঁ পাওনাদাৰহঁতক এপইচাও ঘূৰাই নিদিব বুলি আমাক কৈছিল। এতিয়া—আমাৰ নামত এইবোৰ মাটি-বাৰী কিনাত—আমি নিজক নিজেই জগৰীয়া বুলি ভাবিছোঁ, আৰু সেইহে—আমিয়েই পাওনাদাৰসকলৰ প্ৰাপ্য পৰিশোধ কৰিম বুলি আপোনাক কথা দিছোঁ। বিশ্বাস কৰিব পাৰে—আমাৰ কথাত আমি ৰ'ম।"

ৰাঘৱে গুণধৰক ক'লে যে আজিৰপৰা শত্ৰুতাৰ অন্ত পৰিল, আৰু বন্ধুতাৰ আৰম্ভণী হ'ল। এই কথাত তৃপ্ত হৈ গুণধৰ গুচি গ'ল।

সেই দিনাই—কোনোবা এজনক সহায় কৰাৰ সুবিধা পালে অধৰেও। গাঁৱৰে এঠাইত এজনে নতুনকৈ কুঁৱা এটা খান্দি আছিল, কিন্তু একটা ডাঙৰ শিল গুচাব নোৱৰালৈকে সেই

পানী নোলোৱা হৈছিল। সেই বিৰাট শিলচটা হাতুৰীৰে কোবাই ভাঙিব পৰাবিধৰো নাছিল। বনুৱাহঁতে কৈ আছিল যে—কোনোবাজনৰ গাত যদি পাঁচজনৰ বল-শক্তি থাকে—তেহে তেওঁ হাতুৰীৰে কোবাই এই শিল গুড়ি কৰিব পাৰিব, নতুবা ইয়াত কুঁৱা খন্দাৰ উপায় একোপধ্যেই নোলাব।

কথাখিনি অধৰৰ কাণতো পাৰিল। কিন্তু—অধৰে নাৰিকল কিছুমান লৈ চুবুৰীয়া গাঁৱলৈ তুৰন্তে যাব লাগিব। তাত এজন মানুহক এই নাৰিকলকেইটা দিব বুলি কথা দিছিল অধৰে। আৰু—পাছত গ'লে যদি নাৰিকলকেইটা নলয় মানুহজনে—অধৰ কিছু বিমোৰত পৰিব।

ইপিনে কুঁৱা খন্দাৰ কাম হেনো আজিয়েই

শেষ কৰিব লাগিব—কিয়নো, কালিলৈৰপৰা বনুৱাহঁতে আন ঠাইলৈ কাম কৰিবলৈ যাবগৈ। তেতিয়া কুঁৱা খন্দাৰ কামটো আধৰুৱা হৈ থাকিব।

অধৰে কিছু সময়লৈ গুণা-গঁথা কৰিলে আৰু তাৰ পাছত হাতুৰীৰে কোবাই সেই বিৰাট শিলচটা গুড়ি কৰি পেলালে।

আৰু লগে লগে কুঁৱাটো পানীৰে ভৰি পৰিল। অধৰে তেতিয়াই নাৰিকলকেইটা হাতত লৈ চুবুৰীয়া গাঁৱলৈ বুলি গুচি গ'ল।

সেইদিনাই—ভূধৰেও পৰোপকাৰৰ সুযোগ পোৱা হ'ল। খেতি-বনুৱা মহনেক সেইদিনা ফেঁটীয়ে খুটিলে। সাপৰ বেজে দৰৱ দিলে আৰু ক'লে, "এই দৰবৰ গুণেৰে মহেন আজি মৰাৰপৰা সাৰিব। কিন্তু প্ৰকৃততে সুস্থ হৈ উঠিবলৈ হ'লে—চহৰৰপৰা কায়কল্প নামৰ দৰৱ—বিখ্যাত ৰোহিল কবিৰাজৰপৰা আজি ৰাতিটোৰ ভিতৰতে লৈ আহিব লাগিব, নহ'লে—মহেনৰ মৰণক কোনেও ৰুধিব নোৱাৰিব।"

কিন্তু—এতিয়া—এই এৰাতিৰ ভিতৰতে কোনেনো কেনেকৈনো চহৰত থকা ৰোহিল কবিৰাজৰপৰা কায়কল্প লৈ আহিবগৈ ? আৰু—ৰাতিটোৰ ভিতৰতে কায়কল্প লৈ আহিব নোৱাৰে যদি মহেনৰ মৃত্যু ধুৰুপেই। —উপায় কি তেন্তে ?

একমাত্ৰ উপায় হ'ল—গাঁওবুঢ়াৰ ওচৰত থকা ঘোঁৰাৰ পিঠিত উঠি চহৰলৈ গৈ—ৰোহিল কবিৰাজৰপৰা কায়কল্প অনা। কিন্তু গাঁওবুঢ়া বেমাৰ পৰি আছে, আৰু গাঁৱত—ভূধৰৰ বাহিৰে ঘোঁৰাত উঠি সিমান দূৰলৈ যাব-আহিব পৰা—তাকো ৰাতিৰ পৰতে—আন কাকো পাবলৈ নাই।

ইপিনে ভূধৰৰো কেইবাদিনৰপৰা কঁকালৰ বিষ উঠিছিল আৰু বৈদ্য এগৰাকীয়ে ভূধৰক ঘোঁৰাত উঠিবলৈ নিষেধ কৰিছিল, ঘোঁৰাত উঠিলে তাৰ কঁকালৰ বিষে তাক খুলি খাব বুলি কৈছিল তেওঁ।

তথাপি — সেই সাপে-খোটা মহেনক আওমৰণৰপৰা বঁচাবলৈ ভূধৰ তেতিয়াই চহৰলৈ বুলি ঘোঁৰাৰ পিঠিত উঠি ওলাল আৰু লগত মহেনকো ৰোহিল কবিৰাজৰ ওচৰলৈ লৈ গ'ল।

ৰোহিল কবিৰাজে দিয়া কায়কল্প নামৰ দৰব খাই, পূৰ্ণ সুস্থ হৈ, মহেন আৰু ভূধৰ

যেতিয়া চহৰবপৰা ঘূৰিল, তেতিয়া গাঁৱৰ ৰাইজে অজস্ৰভাবে ভূধৰৰ শলাগ ল'লে।

নিজৰ নিজৰ গিৰিয়েকৰ এনেবোৰ সৎকাৰ্য্যৰ কথা জানি তিনিওজনীয়েই তপিনাত গোৰ লগাই নচা যেন হ'ল।

আৰু—তেতিয়া সেই বৰাগীয়ে কোৱা মতে নিজৰ নিজৰ ঘৰৰ পিছফালে কোদালেৰে মাটি খান্দি—অধৰে পালে একলহ তামৰ মুদ্ৰা, ভূধৰে একলহ ৰূপৰ মুদ্ৰা, আৰু—গুণধৰে পালে একলহ সোণৰ মুদ্ৰা।

বিতুষ্ট অধৰ আৰু ভূধৰৰ ঘৈণীয়েক দুজনীয় বৰাগীক লগ কৰি সুধিলেগৈ যে—যিস্থলত তিনিওজনেই পৰোপকাৰ সাধিলে সিস্থলত পোতাধনৰ এই পাৰ্থক্য হ'ল কিয় ?

"শুনা, মোৰ সেই সদ্‌বুদ্ধিৰ বড়িয়ে ক্ষণস্থায়ী ভাৱেহে সদ্‌বুদ্ধি দিয়ে। আৰু সেই সদ্‌বুদ্ধিৰ ফলাফল নিজ-নিজ কৰ্মৰ ওপৰতহে নিৰ্ভৰশীল।" বৰাগীয়ে ক'লে।

"কিন্তু আনৰ উপাকাৰবো কিবা সৰু-বৰ আছেনে ? উপকাৰ-উপকাৰেই।"

বৰাগীয়ে ক'লে, "নহয়, অধৰে উপকাৰ সাধিছিল ঠিকেই, কিন্তু উপকাৰ সধাৰ পাছ মুহূৰ্ততে ভাবিছিল যে এনেবোৰ কাম আগলৈ আৰু নকৰিলেও হ'ব। সেই কাৰণে অধৰে পালে—তামৰ মুদ্ৰা। ভূধৰেও সাপে-খোটা মহেনক মৃত্যুৰপৰা ৰক্ষা কৰাৰ পাছত ভাবিছিল যে—এনেবোৰ কষ্টকৰ কাম ভৱিষ্যতত কেতিয়াবাহে কৰিম। সেইহে—ভূধৰে পালে একলহ ৰূপৰ মুদ্ৰা। কিন্তু গুণধৰে বাঘৰৰ যি উপকাৰ সাধিছিল—মুকলিমনেৰেই সাধিছিল, আৰু লগতে ইয়াকো ভাবিছিল যে—এনেবোৰ উপকাৰী কামেই হওক তাৰ জীৱনৰ লক্ষ্য। আৰু পালে সেইহে সোণৰ মুদ্ৰা।"

বৰাগীয়ে খৰচি মাৰি বুজাই কোৱা সত্ত্বেও বিতুষ্ট মনেৰেই ঘৰলৈ উভতিল।

ঘৰ পাই নিজৰ নিজৰ কোঠালৈ সোমাই দুয়োজনীয়েই ঘৰত সোণৰ মুদ্ৰাও দেখা পাই আচৰিত মানিলে। অধৰ আৰু ভূধৰে নিজৰ নিজৰ ঘৈণীয়েকক ক'লে যে—গুণধৰে এই সোণৰ মুদ্ৰাখিনি সিহঁতক দিলে। গুণধৰৰ কথা হ'ল যে ধনৰ কাৰণে, মন ভাগ হ'ব নালাগে।

আৰু তেতিয়াহে অধৰ-ভূধৰৰ ঘৈণীয়েক দুজনীয়ে উপলব্ধি কৰিব পাৰিলে যে—প্ৰকৃত সদবুদ্ধিৰ গৰাকীয়ে কিয় সোণ পাব লাগে।

বুজনি-বঁটা

ৰতনপুৰত প্ৰতি বছৰতেই ৰতনপুৰৰ জমিদাৰ ডাঙৰীয়াই চিত্ৰ-প্ৰতিযোগিতা পাতে। দেশৰ ইমূৰ-সিমূৰৰপৰা চিত্ৰকাৰসকলে তেলঁলোকৰ চিত্ৰকলা লৈ আহে, প্ৰতিযোগিতাত যোগদান কৰে। বিজয়ী প্ৰতিযোগীসকলৈ মূল্যৱান বঁটা দিয়া হয়। এই বঁটা পোৱাটো ভবিষ্যতৰ পক্ষে সৌভাগ্যৰ সূচক বুলি ভৰা হয়।

এই বছৰৰ চিত্ৰ-প্ৰতিযোগিতালৈ ব্ৰজেন নামৰ উঠিঅহা যুৱা চিত্ৰকাৰ এজনেও ভাগ লৈছিল। প্ৰতিযোগিতাৰ অন্তত যেতিয়া তেওঁ নিজৰ গাঁও সুগন্ধিপুৰলৈ উভতি গৈ আছিল, তেতিয়া ব্ৰজেনৰ বন্ধু এজনে ব্ৰজেনক সুধিলে, "তুমি কিবা বঁটা-টঁটা পালানে ?"

ব্ৰজেনে কিঞ্চিত বিমৰিষ মুখেৰে ক'লে, "ওঁ—পালোঁ—মই—বুজনি-বঁটা পালোঁ।"

"এই কথাত বিমৰিষ হ'বলগীয়া একো নাই। তুমি তেও বুজনি-বঁটা—তাৰ মানে—সান্ত্বনা-পুৰস্কাৰ পালা ; কিন্তু কিমানমানে যে একোৱেই পোৱা নাই—?" বন্ধুজনে ব্ৰজেনক বুজাই বুজনি দিলে।

"মই বিমৰিষ হৈছোঁ যে—বুজনি-বঁটাৰ কাৰণে হয়, হৈছোঁ—মোক বঁটা হিচাপে যিখন কিতাপ দিয়া হৈছে—সেই কিতাপখন চাই।" ব্ৰজেনে শুকান মাতেৰে ক'লে।

"কিনো সেই কিতাপখন ?"

বন্ধুজনে চাব খোজাত ব্ৰজেনে তেওঁৰ মোনাৰপৰা উলিয়াই কিতাপখন ব্ৰজেনক দেখুৱালে।

সেই ধুনীয়া কিতাপখনৰ নাম আছিল—'চিত্ৰাঙ্কনৰ কুঁহিপাঠ'।



সম্ৰাট অশোক

আগৰ কথাঃ চাণক্যৰ পৰামৰ্শমতে পুত্ৰসৱৰ ৰুচি-অভিৰুচি আৰু মানসিকতাৰ পৰীক্ষা লোৱাৰ অন্তত কেইবাবছৰো উকলিল। ইতিমধ্যে মহামতি চাণক্যৰ মৃত্যু হ'ল। মহাৰাজ বিন্দুসাৰ বৃদ্ধ হৈ পৰিল। মহাৰাজৰ ছয় পুত্ৰৰ মাজত পঞ্চপুত্ৰয়েই যথেষ্ট উদ্ধত হৈ উঠিল। কেৱল অশোকেই মহাৰাজৰ দৃষ্টিৰ আগত নম্ৰ-বাধ্য-বিবেচক পুত্ৰৰূপে উজলি থাকিল। আৰু জ্যেষ্ঠপুত্ৰ সুশেমৰ সৈতে অশোকৰ আঁৰিয়াআঁৰি বাঢ়ি যোৱাৰ যাৰ ফলত এক দুস্তৰ ব্যৱধানৰ সৃষ্টি হ'ল। আৰু তাৰ পাছত...

৩

এদিন বেলিয়ে ভূমুকিউৱাৰ লগে লগে, অশোক তাৰ মাতৃৰ মনৰ ইচ্ছা-অনুসাৰে ফুল আৰু ফল লৈ নগৰৰ এক মন্দিৰলৈ গ'ল আৰু সেই ফুল-ফলখিনি ভগৱানলৈ সমৰ্পণ কৰা হ'ল। তাৰ পাছত, মন্দিৰৰপৰা বাহিৰলৈ ওলাই আহি, ৰাজআলিৰ এদাঁতিত থিয় হৈ চৰাইবিলাকৰ কলকণ্ঠ আৰু মন্দিৰৰ মধুৰ টিলিঙনি শুনি থাকিল। তিমানতে সূৰুযে তাৰ সোণোৱালী কিৰণ বিয়পাই সমগ্ৰ দিগন্তক উজল-উদ্ভাসিত কৰি তুলিছিল, আৰু এনেহেন অনিৰ্বচনীয় মনমোহা সুন্দৰী ধৰণীৰ সৌন্দৰ্যময়তালৈ বিস্ময়ত অশোক যেনিবা বিবশ হৈ পৰিছিল।

আৰু তেতিয়াই অকস্মাৎ এটা খুন্দা খাই অশোক বাটৰ ওপৰতে বাগৰি পৰিছিল।

কিন্তু মুহূৰ্তেতে অশোক বাগৰি পৰাৰপৰা উঠি থিয় হ'ল, আৰু ৰাজআলিয়েদি বেগাই চাবেৰে গৈ থকা ঘোঁৰাটোৰ পিছ খেদি গৈ

'যোগ্য উত্তৰাধিকাৰী'

গৈ—ঘোঁৰাটোৰ পিঠিলৈ জাঁপ মাৰি উঠি জ্যেষ্ঠ ৰাজকোঁৱৰ সুশেমৰ হাতৰপৰা লেকাম আঁজুৰি লৈ, লেকামত টানি ধৰি সেই দুৰন্ত বেগী ঘোঁৰাটোক ৰখালে।

আৰু সুশেম পলকতে ঘোঁৰাটোৰ পিঠিৰপৰা জাঁপ মাৰি তললৈ নামি আহিল।

ক্রুদ্ধ অশোকে সুশেমক সুধিলে, "তুমি মোক বগৰাই পেলালা কিয় ?"

"মোক নুসুধি ঘোঁৰাটোকে সোধা, ঘোঁৰাটোৱেই তোমাক বগৰাই দিলে।" এই বুলি কৈ, সুশেমে পুনৰ ঘোঁৰাটোৰ পিঠিত উঠিবলৈ যো-জা কৰিলে।

অশোকে সুশেমৰ হাতৰ মণিবন্ধত টান্‌ৰো টানকৈ ধৰিলে আৰু ক'লে, "এই বিৰাট বহল ৰাজআলিৰ এদাঁতিত মই থিয় হৈ আছিলোঁ। তাত কোনো মানুহ-দুনুহো নাছিল। কিয় তুমি খেল-পথাৰতকৈও বহল ৰাজআলি এৰি মই থিয় হৈ থকা ঠাইলৈ গৈছিলা ? তোমাৰ দৰে ইমান অযোগ্যক ঘোঁৰাত উঠাৰ অধিকাৰ কোনে দিলে ?" অশোকে খহটা মাতেৰে সুধিলে।

"মোৰ অধিকাৰ-অনধিকাৰৰ কথাৰ বিচাৰ কৰিবলৈ কোনহে তুমি এলেকৰ পেলেকটো ? মই যে এতিয়া কোন আৰু কি—নাজানানে কি ?" সুশেমে দম্ভালিৰে গৰজিলে।

"নাজানিমনো কিয় ? তুমি হ'লা—এক মহা অহংকাৰী মিছা ভেম থকা বজ্জাত। জ্যেষ্ঠ, গতিকে আজিও অনিষ্ট নকৰাকৈয়েই এৰিলোঁ ; কিন্তু আগলৈ কেতিয়াবা এনেবোৰ অপকৰ্ম কৰিছা যদি—শিকনিও পাইছা—



যি-শিকনি জীয়াই থকালৈকে সুঁৱৰি থাকিছা।" অশোকে ক'লে।

"তোমাৰ দুঃসাহস মাত্ৰাই সীমা চেৰাই গৈছে। আগলৈ যিজন হ'ব মৌৰ্য্য-সাম্ৰাজ্যৰ ৰজা, তেওঁকে তুমিহেন পোক-পৰুৱাই ডবিয়াইছাহেনে ?" সুশেমে ভমক কৰে জ্বলি উঠি ক'লে।

'কোন ৰজা হ'ব — সেই সিদ্ধান্ত এতিয়ালৈকো নিৰ্ণীত নাই হোৱা।" অশোকে সুশেমক ক'লে।

"যিকথা নাজানা—সেই কথাত মূৰ নোসোমোৱাই ভাল। মূৰুখ মূৰখৰ দৰে থকাটোহে উচিত। মহাৰাজৰ আৰু লগতে দেশৰ গণ্য-মান্যসকলৰো নিৰ্ণয়ৰ কথা মই জানো। জানো যে—ময়েই এই সুবিশাল

মৌর্য্য-সাম্রাজ্যৰ ভৱিষ্যৎ-অধিপতি।"

সুশেমৰ কথাৰ উত্তৰত অশোক ক'লে, "যদি এই কথা সত্য যে তুমিয়েই মৌর্য্য-সাম্রাজ্যৰ অধিপতি হ'বা—তেনেহ'লে তোমাৰ পক্ষে অধিক সাৱধানতা তথা নম্রতাৰো আৱশ্যক আছে। যদিও মই জানো যে—তুমি মিছা কথা কৈছা—তথাপি কওঁ, যদি সঁচাকৈয়েই তোমাকেই ৰজা পতা হয়—মই মানি ললওঁ, তাৰ বিৰোধিতা কৰিম।"

"তাৰ মানে—তুমি মহাৰাজৰ নির্ণয়ৰ বিৰুদ্ধে বিদ্রোহ কৰিবা! ইমানেই সাহস হ'লনে এটা দাসীপুত্রৰ?" এই বুলি কৈয়েই সুশেমে অশোকক গৰা মাৰি ধৰিবলৈ আগুৱাই গ'ল, আৰু চকুৰ পচাৰ নৌপৰোঁতেই ক্রুদ্ধ-ক্ষুব্ধ অপমানিত অশোকে সুশেমৰ দুয়োখন হাত বজ্রচেপনেৰে চেপি ধৰিলে।

সুশেমে চিঞৰি খলক লগালে, আৰু সেই চিঞৰ শুনি অ'লৈ-ত'লৈ যোৱা বাটৰুৱাহঁত তালৈ লৰৰি আহিল।

দুজন ৰাজকোঁৱৰৰ মাজত কোনো এজনো পিয়াহ-দঁতা নাছিল। চাণক্যদেৱে এই ৰাজকোঁৱৰসকলৰ বুদ্ধিমত্তাৰ পৰীক্ষা লোৱাৰ কথা নগৰীয়াই নজনাকৈ নাছিল। আৰু—লগতে সুশেম আৰু অশোকৰ মাজত থকা অঁৰিয়া-অঁৰিৰ কথাটোও ৰাইজৰমাজত সদৰি হৈ পৰিছিল। আৰু আজি—সেই অঁৰিয়া-অঁৰিৰ স্পষ্ট ৰূপ ৰাজআলিৰ ওপৰতে ওলাই পৰিছিল। মহান মহাৰাজ চন্দ্রগুপ্ত-স্থাপিত বিশাল মৌর্য্য-সাম্রাজ্যৰ ধাৰক-বাহক মহাৰাজ বিন্দুসাৰৰ দুজন পুত্রৰ মাজত এই ঘোৰ শত্রুতাহেন সম্পর্ক থকাৰ কথা কোনেও কল্পনাও কৰিব পৰা নাছিল। বাটৰুৱা-নগৰীয়াই কিছু আঁতৰত থিয় হৈ বিস্ময়াৱিষ্ট দৃষ্টিৰে এই ৰাজ-ভাওনা চাই থাকিল।

ভাগ্যক্রমে ঠিক তেতিয়াই মহামন্ত্রী ভল্লাটক ঘোঁৰাৰ পিঠিত উঠি সেই বাটেৰে গৈ আছিল। মহামতি চাণ্যকৰ মৃত্যুৰ আগৰেপৰাই ভল্লাটকদেউ আছিল মহাৰাজ বিন্দুসাৰৰ মন্ত্রী, চাণক্যৰ মৃত্যুৰ অন্তত তেৱেঁই হ'ল মহামন্ত্রী।

মহামন্ত্রী ভল্লাটকক দেখা পাই দুয়োজন ৰাজকোঁৱৰেই ৰাজআলিৰ দুই ফাললৈ গৈ থিয় হৈ থাকিল। অশোক তলমূৰ হ'ল, কিন্তু সুশেম উগ্র-উদ্ধত হৈয়েই থাকিল।

মহামন্ত্রী ভল্লাটকদেৱে দুয়োকো ক'লে, "ৰাজপুত্র হৈ মুকলি ৰাজআলিত এইদৰে

উখনা-উখনি বচ-বাচ কৰিছা যে—লাজ লগা নাইনে তোমালোকৰ ? এই কথা যদি মহাৰাজৰ কাণ পায়গৈ—তেওঁ কিমান ক্ষোভিত হ'ব ভাবি চাইছানে ?"

মহামন্ত্ৰীৰ প্ৰশ্নৰ উত্তৰত অশোক মৌন হৈ থাকিল। কিন্তু সুশেমে কৈ উঠিল, "সেই বুলি কাৰোবাৰ ভয়ত মই হোঁহকা দিক নোৱাৰোঁ। আপুনিয়েই কওক, মই—ময়েই মৌৰ্য্য-সাম্ৰাজ্যৰ ভৱিষ্যৎ অধিপতি নহওঁনে ?"

"যুৱৰাজ, মই ইমানলৈকেহে জানিছোঁ যে—এই বিষয়ে অদ্যাপি কোনো স্থিৰ সিদ্ধান্ত হোৱা নাই। কিন্তু—তুমি হ'লা মহাৰাজৰ জ্যেষ্ঠপুত্ৰ। জ্যেষ্ঠই যথেষ্ঠ উদাৰ, নম্ৰ তথা সহ্যশীলো হ'ব লাগে যে — এই সামান্য কথাটো তুমি নাজানানে ?"

মহামন্ত্ৰীৰ প্ৰশ্নৰ উত্তৰত সুশেমে ক'লে, "কিন্তু—মোৰ সৈতে মোৰ পদমৰ্য্যাদাৰ যোগ্য ব্যৱহাৰ কৰা উচিত নহয়নে ? মোৰ এই আশা—দুৰাশানে ? ভুলনে ?"

"কিন্তু আনক অযথা অপমান কৰিলে তোমাৰ মৰ্য্যাদা বাঢ়িবনে ? কথাতে বোলে—আপোন ভালেই জগত ভাল। আৰু—আপোন-ভাল নহ'লে—আপোনাৰ সূতাৰে আপুনি বন্ধ হ'ব লাগিব। সৰুসুৰা কথাতেই যদি দন্দ-বান্দ কৰিব লাগে, বৰ বৰ কথাত কি হ'ব ?" মহামন্ত্ৰীয়ে গহীন মাতেৰে ক'লে।

"আপুনি আহিল বুলিহে ই সাৰিজ। নহ'লে মোৰ গাত হাত দিয়াৰ সাহসৰ পৰিণাম কি — আজিয়েই সি দাসীপুত্ৰই গম পালেহেঁতেন।" সুশেমে গৰ্বৰে ক'লে।



'সুশেম, এনেবোৰ কু-মন্তব্য তোমাক নুশুৱায়। অশোকও তোমাৰ পিতৃৰ পুত্ৰ।" মহামন্ত্ৰী ভল্লাটকদেৱে ক'লে।

মহামন্ত্ৰীৰ কথাৰ উত্তৰত উদ্ধতালিৰে কৈ উঠিল, "সি—হ'ব পাৰে মোৰেই পিতৃৰ পুত্ৰ, কিন্তু তাৰ মাতৃ আছিল মোৰ মাতৰ, আৰু অন্যান্যবো লিগিৰী মাথোন। গতিকে—মই তাক যুৱৰাজ হিচাপে গণ্য নকৰোঁ।"

ইমান সময় ধৰি মৌন হৈ থকাৰ অন্তত অশোকে ধীৰ কিন্তু দৃঢ় কণ্ঠেৰে ক'লে, "কোন যুৱৰাজ হয় কোন নহয়—সেই কথা কালেহে প্ৰমাণ কৰিব। মোৰ মাতৃৰ সম্পৰ্কে তুমি যিবোৰ অপমানকৰ মন্তব্য কৰিলা—কেতিয়াবা তাৰ হোৰ—মই নিশ্চয়েই তুলিম। আৰু জানি থোৱা, মগধৰ সিংহাসনত

হয়তো তোমাৰ সলনি...।" অশোকে বৈ দিলে, আৰু আন কিবা ক'বলৈ নৌপাওঁতেই মহামন্ত্ৰী ভল্লাটকৰ নিৰ্দেশক্ৰমে তাৰপৰা প্ৰাসাদলৈ যাবলৈ খোজ বঢ়ালে।

তাৰ পাছত মহামন্ত্ৰী ভল্লাটকে যেতিয়া ৰাজসভা পালেগৈ, তেতিয়া মহাৰাজৰ প্ৰধান পৰামৰ্শদাতাই ভল্লাটকক ক'লেহি যে মহাৰাজে তেওঁৰ বাট চাই আছে।

মহামন্ত্ৰী তৎক্ষণাৎ মহাৰাজৰ কাষ চাপিল। তাত তেতিয়া তক্ষশিলাৰপৰা অহা ৰাজ-প্ৰতিনিধিগৰাকীও বৈ আছিল।

মহাৰাজৰ নিৰ্দেশত মহামন্ত্ৰীয়ে আসন গ্ৰহণ কৰাৰ পাছত মহাৰাজে মহামন্ত্ৰীক ক'লে, "মহামন্ত্ৰী, আমাৰ তক্ষশীলাত ৰাজদ্ৰোহই মূৰ দাঙি উঠিছে। তক্ষশীলাক মগধ ৰাজ্যৰপৰা বিচ্ছিন্ন কৰাৰ প্ৰচেষ্টা চলিছে।"

মহামন্ত্ৰীয়ে ক'লে, "এই বিষয়ে এহিক্ষণ ব্যৱস্থা অৱলম্বন কৰাটোৱেই উচিত হ'ব বুলি মোৰ ধাৰণা হৈছে।"

তক্ষশীলাৰ ৰাজ-প্ৰতিনিধিয়ে ক'লে, "আমি এই বিষয়ে নিঃসন্দেহ হৈছোঁ যে—এই বিদ্ৰোহৰ আঁৰত গ্ৰিকহঁতৰ হাত আছে। মহান মহাৰাজ চন্দ্ৰগুপ্তই যে সিহঁতক এসময়ত দাঁতভঙা শিকনি দিছিল, সেই কথা গ্ৰিকহঁতে অদ্যাপি পাহৰা নাই। মগধৰাজ্যৰপৰা তক্ষশীলাক বিচ্ছিন্ন কৰাৰ প্ৰচেষ্টা—তাৰেই ফলশ্ৰুতি বুলি বোধ হৈছে।"

মহামন্ত্ৰীয়ে ক'লে, "মহাৰাজ, আপুনি যদি আজ্ঞা প্ৰদান কৰে—আমাৰ সুযোগ্য সেনাধিপতিক সসৈন্যে এহিক্ষণ তক্ষশীলালৈ প্ৰেৰণ কৰা হ'ব, আৰু এই বিদ্ৰোহ যে অচিৰাৎ দমন কৰা হ'ব—সেই কথাত মই নিঃসংশয়।"

"মোৰ পিতাদেৱে প্ৰতিষ্ঠা কৰি থৈ যোৱা মৌৰ্য্য-সাম্ৰাজ্যৰ একাংশত এনেহেন অন্যায় দ্ৰোহ—মই নিজেই দমন কৰিমগৈ।" আবেগবশতঃ অধীৰ হৈ পৰা বৃদ্ধ মহাৰাজ বিন্দুসাৰে যেনিবা -নিজক কোৱাদিয়েই ক'লে।

"আপোনাৰ যি ইচ্ছা। কিন্তু—আমাৰ বিনম্ৰ অনুৰোধ—আপোনাৰ ছয় পুত্ৰৰপৰা কোনোবা এজনক এই অভিযানৰ নেতৃত্ব গ্ৰহণ কৰিবলৈ কওক। পুত্ৰ আৰু পিতৃৰ নেতৃত্ব—একেই কথা।" মহামন্ত্ৰীয়ে ক'লে।

"কিমান যে ক্লিষ্ট পৰিস্থিতি! যিসময়ত

সুশেমৰ ৰাজ্যভিষেক পতাৰ আয়োজন কৰিম বুলি স্থিৰ কৰিছিলোঁ, সেই সময়ছোৱাতে এই অন্যায় দ্ৰোহৰ বিপত্তিমূলক সম্বাদ!" মহাৰাজ বিন্দুসাৰে নিজক নিজে কোৱাদি কৈ থাকিল।

মহামন্ত্ৰীয়ে ক'লে, "মহাৰাজ! যুৱৰাজ সুশেমৰ ৰাজ্যভিষেকৰ বাবে আৰু কিছুদিনলৈ অপেক্ষা কৰাটোহে সুসংগত হ'ব বুলি বোধ হৈছে। তক্ষশীলাৰ বিদ্ৰোহ-দমনৰ নেতৃত্ব সুশেমক প্ৰদান কৰক। এই বিদ্ৰোহ দমন কৰি উভতি আহিব সুশেম যেতিয়া—তেতিয়া আপামৰ মগধবাসীয়ে সুশেমক পঞ্চমুখে শলাগিব আৰু তাৰ ফলত যুৱৰাজ সুশেমে প্ৰজা-ৰাইজৰ সাৰ্বিক সমৰ্থনো লাভ কৰিব।"

মহাৰাজে মহামন্ত্ৰীৰ কথাষাৰ দলিয়াই নেপেলালে, কিন্তু তৎক্ষণাৎ একো উত্তৰো নিদিলে। সুশেম যে এনেবোৰ কাৰ্য্যত বৰ যোগ্য নহয় মহাৰাজে নুবুজা নহয়; কিন্তু এই বিষয়ে প্ৰত্যক্ষ পৰীক্ষাৰ যে এয়েহে সময়, সেই কথাতো মহাৰাজ নিঃসংশয়। তথাপি মহাৰাজ অতিপাত চিন্তিত হৈ পৰিল।

মহাৰাজ মৌন হৈ থাকিল। মহামন্ত্ৰীয়ে পুনৰ ক'লে, "মহাৰাজ, মোৰ এটি নম্ৰ অনুৰোধ—আমি যুৱৰাজ সুশেমক, বা আন কোনো এজন ৰাজকোঁৱৰকো এই বিদ্ৰোহ দমন কৰাৰ বাবে নেতৃত্ব ল'বলৈ কোৱাৰ কোনো আৱশ্যকতা নাই। আমি সকলোকেইজন ৰাজকোঁৱৰক ইয়ালৈ মতাই আনি সিহঁতৰ আগত তক্ষশীলাৰ দ্ৰোহৰ কথা ক'ম, আৰু এই অন্যায় দ্ৰোহ দমনৰ আৱশ্যকতাৰ কথাটোও ক'ম। সুশেম যিহেতু মহাৰাজৰ জ্যেষ্ঠ পুত্ৰ, সিহেতু—সুশেমে নিজেই এই দ্ৰোহ দমন কৰিবলৈ নেতৃত্ব ল'ব বুলি আমি আশা কৰিব পাৰোঁ। যিজন যুৱৰাজ আগলৈ মগধৰ সিংহাসনত উপৱিষ্ট হ'ব—এই দ্ৰোহ-দমনৰ কাৰ্য্য—নিশ্চয় সানন্দেই মূৰ পাতি ল'ব।"

মহাৰাজ বিন্দুসাৰে মহামন্ত্ৰীৰ এই প্ৰস্তাৱ সকলো দিশৰপৰা ভাবি চালে, আৰু অতঃপৰ সম্মতি প্ৰদান কৰিলে।

সেই দিনাই ছয়োজন ৰাজকোঁৱৰক মহাৰাজে মতাই অনালে আৰু ক'লে, "এতিয়া তোমালোক আৰু চেমনীয়া হৈ থকা নাই, তোমালোক ডাঙৰ হ'লা, যৌৱৰাজ্যলৈ প্ৰবেশ কৰিলা। এতেকে—ৰাজ্য-শাসনৰ বিষয়ে অৱগত হোৱাৰ সময় তোমালোকৰ সম্মুখত উপস্থিত। ৰাজ্য-শাসন কেনেকৈ কৰিব

লাগে—এই বিষয়ত তোমালোকৰ দায়িত্ব কি—ইত্যাদি কথা তোমালোকে জনা আৰু পালন কৰাও আৱশ্যক। ৰাজ্যৰ ৰেহ-ৰূপ, ৰাজ্যৰ প্ৰজাবৰ্গৰ মংগলামংগলৰ কথা তো ভবা-গুণা কৰাৰ বা সিদ্ধান্ত লোৱাৰ বয়স তোমালোকৰ হ'ল। গতিকে—তোমালোকক কওঁ—আজিয়েই তক্ষশীলাৰপৰা সম্বাদ আহিল যে—তক্ষশীলাত ৰাজদ্ৰোহই মূৰ দাঙি উঠিছে আৰু তাত কিঞ্চিত অৰাজকতাৰো সৃষ্টি হৈছে। এই দ্ৰোহ অনতিপলমে দমাব লাগিব, আৰু তোমালোকৰ মাজৰ কোনোবা এজনেই এই দমনকাৰ্য্যৰ নেতৃত্ব ল'ব লাগিব, তক্ষশীলাত দ্ৰোহ দমন কৰাৰ অন্ত শান্তিৰ প্ৰতিষ্ঠা, শৃংখলাৰ প্ৰতিষ্ঠা কৰিব লাগিব। এই দায়িত্ব কোনে চম্ভালিবা, কোৱাঁ।"

মহাৰাজে ভাবিছিল যে সৰ্বপ্ৰথমে সুশেমেই এই দায়িত্ব কঢ়িয়াবলৈ আগুৱাই আহিব। কিন্তু—সুশেমে কোনো ৰাও-শৰদ নকৰা হ'ল। অন্য পুত্ৰসৱো তলমূৰ হৈ নিশ্চুপ হৈ থাকিল।

অতঃপৰ অশোকে কৈ উঠিল, "মহৰাজ, আপোনাৰ আজ্ঞা পাল কৰিবলৈ মই মনে-চিতে সাজু হৈ আছোঁ। মোক অনুমতি আৰু আশীৰ্বাদ দিয়ক, মই আজিয়েই তক্ষশীলালৈ বুলি ওলাম। মই কথা দিছোঁ, তক্ষশীলাত দ্ৰোহ দমনৰ অন্তত মই তাত শান্তি-শৃংখলাৰ ৰাজত্বক ঘূৰাই আনিম।"

"তোমাৰ কথা শুনি মই প্ৰসন্ন হৈছোঁ, পুত্ৰ মোৰ! তোমাৰ সাহস আৰু আত্ম-বিশ্বাসৰ মই আন্তৰিক শলাগ লৈছোঁ। তুমি বিজয়-যাত্ৰালৈ সাজু হোৱাঁ।" মহাৰাজ বিন্দুসাৰে অশোকক ক'লে। তাৰ পাছত—তেওঁ তেওঁৰ আন পঞ্চপুত্ৰলৈ চাই ক'লে, "কাপুৰুষহঁত! তোমালোক এতিয়াও কিয় মোৰ সমুখত থিয় হৈ আছা? যোৱা, পুনৰ কেঁচুৰ দৰে কেঁচুৱাটো হৈ মাতৃৰ কোলাত সোমাই থাকাগৈ।"

পঞ্চপুত্ৰ তাৰপৰা গুচি যোৱাৰ পাছত অশোকে পিতৃ মহাৰাজৰ পদস্পৰ্শ কৰি প্ৰণাম কৰি আশীৰ্বাদ গ্ৰহণ কৰি ধীৰ গতিৰে ওলাই গৈ সেনাধিপতিৰ সমীপলৈ গৈ থাকিল।

মহাৰাজ বিন্দুসাৰে ভাবি থাকিল : পূজ্য গুৰুদেৱ মহামতি চাণক্যদেৱৰ কথা আখৰে আখৰে ফলিল। মোৰ পুত্ৰসৱৰ মাজত অশোকেই যে একমাত্ৰ যোগ্য উত্তৰাধিকাৰী—সেই কথা নিঃসন্দেহে সত্য। [আগলৈ

মুখত লটপট-ভিতৰি কপট

প্ৰতিজ্ঞাবদ্ধ ৰজা বিক্ৰমাদিত্য তথাপি নদমিল। তেওঁ পুনৰ সেই গছজোপাৰপৰা মৃতদেহটো নমাই আনি কান্ধত পেলাই লৈ নিৰৱে-নিমাতে পুনৰ সেই শিয়ালবোৰে হোৱা দিয়া দুৰ্ভেদ্য এন্ধাৰৰ মাজত আচম্বিতে জ্বৰ্লি-জ্বলি উঠা খোৰোং-চকুৱা ভূত-প্ৰেত-পিশাচৰ আবাসস্থল মৰিশালিলৈ কিনকিনীয়া বৰষুণৰ মাজেদি একমনে গৈ থাকিল। তেতিয়া মৃতদেহৰ মাজত থকা বেতালে লৰিচৰি কৈ উঠিল, "হে ৰজা, জীৱনত কেতিয়াবা কেতিয়াবা আনকি প্ৰতাৰকৰ সৈতেও—জানি-বুজিও—সা-সম্পৰ্ক স্থাপন কৰিব লাগে। তোমাৰ এই যুগ-যুগ জোৰা অকল্পনীয় শ্ৰমৰ মাজত, অশেষ-অসহন সহনশীলতাৰ মাজতো তেনেকুৱা কিবা আছেনে কি—কেৱল তুমিহে ক'ব পাৰিবা। কিন্তু প্ৰতাৰকৰ সহযোগেৰে যে কোনো সৎকাৰ্য্য কদাপি সম্পন্ন নহয়, ৰাজকুঁৱৰী মৃণালিনীৰ কাহিনী শুনিলেই সেই কথাৰ চয়-নিচয়ৰ উমান ল'ব পাৰিবা, প্ৰতাৰকে প্ৰবুদ্ধতাৰ ভাও জুৰিলেও যে শেহলৈ প্ৰতাৰে—তাৰ উমান ল'ব পাৰিবা।" এই বুলি কৈ, বেতালে ক'বলৈ ধৰিলে :

বেতাল-কথা

আকাশপথেদি উৰি উৰি গৈ থাকোঁতে গন্ধৰ্ব মণিবন্ধই ভূলোকৰ মায়াময় জোনালী নিশাৰ স্নিগ্ধ পোহৰৰ মাজত এখন উদ্যানবনত এক অপৰূপ সৌন্দৰ্য্যৱতীক দেখা পাই সেই উদ্যানবনলৈ নামি আহিল আৰু সেই অপূৰ্ব সুন্দৰীক সুধিলে, "হে অপৰূপা, তুমিনো কোন ? তোমাৰমান সৌন্দৰ্য্যৱতী আনকি গন্ধৰ্বলোকতো নাই।"

সেই সুন্দৰী যুৱতীয়ে বিস্ময়ৰে সৈতে মণিবন্ধলৈ চালে আৰু ক'লে, "মই বৈদেহৰাজ্যৰ ৰাজকুঁৱৰী মৃণালিনী। কিন্তু এই উদ্যানবনলৈআপুনি কেনেকৈনো সোমালহি ? এই উদ্যানবন অতিশয় সুৰক্ষিত আৰু প্ৰবেশদ্বাৰ কেৱল আমাৰ প্ৰাসাদৰ সৈতেহে যুক্ত। কিন্তু তেনেস্থলত আপুনি বাৰু—"

গন্ধৰ্ব মণিবন্ধই হাত দাঙি ৰাজকুঁৱৰী মৃণালিনীক ৰখাই ক'লে, "মই গন্ধৰ্ব। মোৰ নাম মণিবন্ধ। আকাশ-বিহাৰ কৰি থাকোঁতে তোমাৰ অপৰূপ ৰূপ দেখা পাই, আকৰ্ষিত হৈ, মই আকাশৰপৰা পোনে পোনেই উদ্যানবনলৈ নামি আহিলোঁ।"

"আপুনি এই মুহূৰ্ততে ইয়াৰপৰা গুচি যাওক। নহ'লে—আমাৰ প্ৰহৰীহঁতে আপোনাক বন্দী কৰি কাৰাগাৰত ভৰাই থ'ব আৰু আপুনি ৰজাৰ বিচাৰত হয়তো মৃত্যুদণ্ড প্ৰাপ্ত হ'ব।" ৰাজকুঁৱৰী মৃণালিনীয়ে গন্ধৰ্ব মণিবন্ধক ক'লে।

"মই গন্ধৰ্ব, গতিকে ভূলোকৰ কোনেও মোৰ অনিষ্ট কৰিব নোৱাৰিব, এই কথাত তুমি নিঃচিন্ত হ'ব পাৰা।" এই বুলি কৈ, গন্ধৰ্ব মণিবন্ধই শূন্যলৈ তাৰ সোঁহাতখন দুবাৰমান জোকাৰিলে, আৰু পাছ মুহূৰ্ততে ৰাজকুঁৱৰী মৃণালিনীৰ লগত অহা তেওঁৰ সখিয়েকহঁত, আৰু প্ৰহৰীহঁতো অচেতন হৈ পৰিল। এই ঘটনালৈ চাই যুৱৰাণী মৃণালিনীয়ে কৈ উঠিল, "অদ্ভুত! মহাঅদ্ভুত!"

মৃণালিনীৰ এই সপ্ৰশংস মন্তব্য শুনি অতি আনন্দিত মণিবন্ধই কৈ উঠিল, "হে অপৰূপা, মোৰ ইচ্ছাৰ কথা শুনি তুমি ক্ৰুদ্ধা নোহোৱা যদি—কওঁ, মই তোমাক বিবাহ কৰাম বুলিয়েই আকাশৰপৰা নামি আহিলোঁ।"

ৰাজকুঁৱৰী মৃণালিনীয়ে ক'লে, "আপোনাৰ প্ৰস্তাৱত মোৰ আপত্তি নাই। কিন্তু মোক বিভা কৰাৰ আগতে আপুনি এটি কঠিনৰো কঠিন কাৰ্য্য সাধিব লাগিব।"

মণিবন্ধই উছাহৰে সুধিলে, "কিনো সেই কঠিনৰো কঠিন কাৰ্য্য ?"

"আমাৰ চুবুৰীয়া বীৰপুৰৰাজ্যৰ ৰজা বীৰসেনে মোক বিভা কৰিবলৈ প্ৰস্তাৱ কৰাত মই সেই প্ৰস্তাৱলৈ মোৰ অসন্মতি জ্ঞাপন কৰিছিলোঁ। তেতিয়াৰেপৰাই বীৰসেনে আমাৰ বৈদেহৰাজ্য আক্ৰমণ কৰি অধিকাৰ কৰিব আৰু বলপূৰ্বক মোক নিজৰ পত্নী কৰি ল'ব বুলি হুমিয়াই আছে। আমাৰ সৈন্যবলৰ তুলনাত বীৰসেনৰ সৈন্যবল দহগুণৰো অধিক। এতেকে মোক বিভা কৰিবলৈ হ'লে পহিলতে দুষ্ট বীৰসেনক বেয়াকৈ পৰাজিত কৰিব লাগিব। —যদি বীৰসেনক পৰাজিত কৰিব পাৰে, তেনেহ'লে মই আপোনাৰেই।"

ৰাজকুঁৱৰী মৃণালিনীৰ কথাৰ উত্তৰত মণিবন্ধই অতি সাধাৰণভাবেই ক'লে, "এই কাৰ্য্য—মোৰ বাঁওহাতৰ কেঞ্চা আঙুলিৰ কাম। মই এতিয়াই গন্ধৰ্বলোকলৈ যাম আৰু আমাৰ ৰজা চিত্ৰবৰ্ণদেৱক বিষয়টোৰ কথা কৈ পুনৰ উভতি আহিয়েই বীৰসেনক পোনাম।" এই বুলি কৈয়েই গন্ধৰ্ব মণিবন্ধ মুহূৰ্ততে তাৰপৰা নোহোৱা হৈ গ'ল।

কিন্তু মণিবন্ধৰপৰা সকলোখিনি কথা ধৈৰ্য্যৰে শুনাৰ অন্তত গন্ধৰ্বৰাজ চিত্ৰবৰ্ণ মণিবন্ধৰ ওপৰত অতিপাত বিতুষ্ট হ'ল। গন্ধৰ্বৰাজ চিত্ৰবৰ্ণই মণিবন্ধক ক'লে, "শুনা, গন্ধৰ্ব আৰু মানৱীৰ মাজত কোনো বিবাহ-বন্ধন হ'বই নোৱাৰে। তেলে-পানীয়ে যেনেকৈ মিল নহয়, এই কথাও তেনেকুৱাই। আৰু তুমি যে মোৰ পুত্ৰীক ইমানদিন ধৰি প্ৰেমৰ সাগৰত

উটুৱাইছা — তাইৰ কি হ'ব ? তায়ো তোমাকেই পাবলৈ বাট চাই আছে।"

কিন্তু মণিবন্ধই ক'লে, "মই ভূলোকৰ বৈদেহৰাজ্যৰ ৰাজকুঁৱৰী মৃণালিনীক বিভা কৰামেই, মোৰ মনৰ ইচ্ছা মই পূৰামেই, মই মোৰ নিৰ্ণয়ত অটল হৈ থাকিমেই।"

তেতিয়া অগনিহেন ক্ৰোধিত চিত্ৰবৰ্ণ ৰজাই ভমক কৰে জ্বলি উঠি মণিবন্ধলৈ অভিশাপ প্ৰদানি ক'লে, "এহি গন্ধৰ্বলোকত তোমাৰ কোনো স্থান নহ'ব, তুমি ভূলোকলৈ চিৰস্থায়ীভাবে গুচি যাব লাগিব। আৰু—গন্ধৰ্ব হোৱাহেতুকে তোমাৰ মাজত যি অপাৰ মন্ত্ৰশক্তি আছিল—সেই মন্ত্ৰশক্তি কাঢ়ি লোৱা হ'ব।"

কিন্তু তথাপি মণিবন্ধ নদমিল। মণিবন্ধ তেতিয়াই ভূলোকলৈ গ'ল আৰু গন্ধৰ্বলোকৰ

ৰজা চিত্ৰবৰ্ণৰ সৈতে হোৱা ঘটনাৰ কথা, আনকি চিত্ৰবৰ্ণৰজাৰ জীয়েক কান্তিময়ীৰ কথাখিনিও মৃণালিনীক ভাঙি-পাতিয়েই ক'লে।

মণিবন্ধই পৌৰুষদৃপ্ত কণ্ঠেৰে ক'লে, 'মোৰ মন্ত্ৰশক্তি কাঢ়ি লোৱা হৈছে, কিন্তু আত্মশক্তি অটুট । তোমাক পাবলৈ— প্ৰয়োজনত মই প্ৰাণ বিসৰ্জিম। বীৰসেনক মই নিশ্চয়ই পৰাজিত কৰিম।"

বীৰসেনো আছিল যথেষ্ট পৰাক্ৰমী ৰজা, মণিবন্ধৰ নেতৃত্বত যেতিয়া প্ৰকৃততেই যুদ্ধ লাগি পাৰিল, তেতিয়া বীৰসেনে প্ৰকৃত বীৰৰ দৰেই যুদ্ধ কৰি থাকিল। এই যুদ্ধই যেতিয়া মৰোঁ-জীওঁ আকাৰ ল'লে, তেতিয়া এসময়ত বীৰসেনে যাঠি এপাট অব্যৰ্থভাবে মণিবন্ধলৈ দলিয়াই পঠালে ; কিন্তু আচম্বিতে বিজুলী গতিৰে সেই যাঠিপাট আৰু মণিবন্ধৰ মাজত এজন যুৱা সৈনিক আহি থিয় হ'ল, আৰু যাঠিপাটে মণিবন্ধক নিবিন্ধি সেই যুৱা সৈনিকজনৰ কানত বিন্ধিলে।

মণিবন্ধই তৎক্ষণাৎ সেই যাঠিপাট সৈনিকজনৰ কান্ধৰপৰা উলিয়াবলৈ লৰৰি গ'ল, কিন্তু তিমানতে সেই সৈনিক-যুৱা ক'ৰবালৈ নোহোৱা হৈ গ'ল।

হঠাৎ মণিবন্ধৰ ধাৰণা হ'ল : এইজন যুৱা সৈনিক তেওঁৰ চিনাকি কোনোবা..., নিশ্চয় চিনাকি । কিন্তু কোন যে—সেই কথা বহু পৰলৈকে ভাবিও মনত পেলাব নোৱাৰিলে।

যিকি নহওক—বহু সময় ধৰি বিচাৰি বিচাৰি সেই যুৱা সৈনিকক মণিবন্ধই এক তন্দ্ৰুত অচেতন অৱস্থাত দেখা পাই হতভম্ব হৈ পৰিল । এই যুৱা সৈনিকজন — দৰাচলতে ভেশছন লোৱা গন্ধৰ্বৰাজ চিত্ৰবৰ্ণৰ জীয়েক— কান্তিময়ী! সেই সুদূৰ গন্ধৰ্বলোকৰপৰা ভেশছন লৈ আহি সৈনিকৰ ৰূপ ধৰি কান্তিময়ীয়ে যে



তেওঁক মৃত্যুমুখৰপৰা ঘূৰাই আনিছিল, মণিবন্ধ সেই কথাত নিঃসন্দেহ হ'ল।

মণিবন্ধই যুৱা সৈনিকৰূপী কান্তিময়ীৰ সেৱা-যত্ন কৰিলে আৰু কিছু সময়ৰ অন্তত চেতনা ঘূৰাই আনিলে আৰু ক'লে, "কান্তি, এয়ানো তুমি কি কৰিলা ? তোমাক যিজনে তিয়াগি আহিল — কিয়নো তুমি সেইজনক মৃত্যুমুখৰপৰা ঘূৰাই আনিলা ?'

"তুমি — তুমি য'ত নাই — তাত থাকিয়েইবা মই কি কৰিম ? কমেও তোমাৰ মুখখন দেখা পাম—এই আশাৰেহে ময়ো গন্ধৰ্বলোকৰ সুখ এৰি ভূলোকৰ দুখৰ সাগৰলৈ জঁপিয়াই পৰিলোঁহি। তোমাৰ মন্ত্ৰশক্তিক কাঢ়ি লোৱা হ'ল, কিন্তু তথাপি তুমি যে ৰাজকুঁৱৰী মৃণালিনীক পাবলৈ বীৰসেনৰ বিৰুদ্ধে ৰণ দিছা—মই তাৰো শলাগ নলৈ নোৱাৰোঁ।

তোমাক যদি ৰক্ষা কৰিব পাৰোঁ, তাতকৈ ডাঙৰ স্বাৰ্থ, তাতকৈ অধিক মহত্ত্ব আৰুনো মোৰ কিহত ? ত্যাগৰ আনন্দ স্বাৰ্থত পোৱা যায়নে ? যোৱাঁ, মৃণালিনীক বিভা কৰাই সুখৰ জীৱন যাপন কৰাঁ, তোমাৰ সুখেৰে মোকো সুখ দিয়াঁ।" কান্তিময়ীয়ে চকুলো-ওপোচা চকুৰে চাই চাই মণিবন্ধক ক'লে।

মণিবন্ধই কান্তিময়ীৰ ওচৰত অন্তৰৰ কৃতজ্ঞতা জ্ঞাপিলে আৰু তাৰ পাছত ৰাজকুঁৱৰী মৃণালিনীৰ ওচৰলৈ বুলি খোজ বঢ়ালে।

বৈদেহ-ৰাজ মহাৰাজ চন্দ্ৰকেতুৱে বীৰসেনহেন বিষম শত্ৰুক পৰাজিত কৰাৰ বাবে মণিবন্ধলৈ তেওঁৰ অকৃত্ৰিম কৃতজ্ঞতা জ্ঞাপন কৰিলে আৰু মৃণালিনীৰ সৈতে মণিবন্ধৰ বিবাহৰ দিন-ক্ষণ স্থিৰ কৰাৰ বাবে ৰাজ-পুৰোহিতক মতাই অনাবলৈ আদেশ দিলে।

অপাৰ আনন্দৰে ৰাজকুঁৱৰী মৃণালিনীয়ে মণিবন্ধক ক'লে, "আমাৰ বিবাহ হৈ গ'ল

বুলিয়েই ভাবিব পাৰে। কিন্তু বিবাহৰ পাছত মোৰ আন এটি ইচ্ছা আপুনি নিশ্চয় পূৰাব বুলি মই আশা পালিছোঁ।"

মণিবন্ধই সুধিলে, "সেই ইচ্ছা কি?"

"কোনো বিশেষ ডাঙৰ ইচ্ছা নহয়। আমাৰ চুবুৰীয়া অন্যান্য ৰাজৰ ৰজাসকলকো বীৰসেনৰ দৰে পৰাজিত কৰি আমাৰ তলতীয়া সামন্ত-ৰজা কৰিব লাগিব, আৰু আপুনি ৰাজ-চক্ৰৱৰ্তী হ'ব। মই তেতিয়া প্ৰকৃততেই মহাৰাণী হ'ব পাৰিম।"

মণিবন্ধই তীব্ৰকণ্ঠেৰে ক'লে, "যুৱৰাণী, মই তোমাক কদাপি বিভা নকৰোঁ।"

এই বুলি কৈয়েই মণিবন্ধ তাৰপৰা নোহোৱা হৈ গ'ল।

এই কাহিনী কোৱাৰ অন্তত বেতালে ৰজা বিক্ৰমাদিত্যক ক'লে, "হে ৰাজন্! মণিবন্ধৰ এই আচৰণ অতি বিচিত্ৰ নহয়নে? ৰূপমুগ্ধ মণিবন্ধই যেতিয়া ৰাজকুঁৱৰী মৃণালিনীক হাতৰ মুঠিতে পালে, তেতিয়া কিয় এনেহেন আচৰণ কৰিলে? গন্ধৰ্বৰাজ চিত্ৰবৰ্ণৰ জীয়েক প্ৰেমময়ী কান্তিময়ীক পৰিত্যাগ কৰি আহি কিয় এই ৰাজকুঁৱৰী মৃণালিনীকো তুচ্ছ জ্ঞান কৰি এইদৰে পৰিত্যাগ কৰিলে মণিবন্ধই? মণিবন্ধৰ মাজত বিবেক-অবিবেক, ন্যায়-অন্যায়ৰ বোধেই বিলুপ্ত হৈছিলনে? মণিবন্ধ নামৰ গন্ধৰ্ব মুখত লটপট ভিতৰি কপট-নাছিলনে? মোৰ এই প্ৰশ্নৰ উত্তৰ জানিও যদি সঠিককৈ নিদিয়া, তোমাৰ মূৰ ফাটি চাৰিফাল হ'ব।"

বেতালৰ এই প্ৰশ্নৰ উত্তৰত ৰজা বিক্ৰমাদিত্যই ক'লে, "যদিও ৰূপমুগ্ধতাই গন্ধৰ্ব মণিবন্ধক এসময়ত পৰিপূৰ্ণৰূপে গ্ৰাস কৰি পেলাইছিল, তথাপি, এই অপৰূপ ৰূপৰ আঁৰত থকা প্ৰতাৰণাৰ বিষাক্তসৰ্পক দেখা পাই শেহান্তৰত মণিবন্ধই তেওঁৰ বিবেক-বোধ ঘূৰাই পাই মোহময়ী নাৰীৰ প্ৰতাৰণাৰপৰা নিজক আৰু প্ৰকৃত আত্মত্যাগী প্ৰেমিকা গন্ধৰ্বৰাজৰ কন্যা কান্তিময়ীকো ৰক্ষা কৰিব পাৰিছিল। গতিকে মণিবন্ধক মুখত লটপট ভিতৰি কপট বুলি একোপধ্যেই ক'ব নোৱাৰি।"

এই বুলি কোৱাৰ লগে লগেই বেতালে সেই মৃতদেহটো লৈ তাৰপৰা সাউৎকৰে গুচি গৈ পুনৰ সেই বিৰাট-বিশাল গছজোপাৰ ডালত ওলমি থাকিল। [কল্পিত



হাঁহ-কণীত কুঁহুম নাই

ৰজা ভূপালদেৱৰ প্ৰধান বৈদ্য—অৰ্থাৎ ৰাজবৈদ্য প্ৰধীৰকবিৰত্ন স্বয়ং যেতিয়া বেমাৰত পৰিল, তেতিয়া ৰজা-ভূপাল অতিশয় চিন্তিত হৈ উঠিল। ৰাজবৈদ্য প্ৰধীৰকবিৰত্নদেউ যেতিয়া সপ্তাহৰ অন্ততো সুস্থ নহ'ল, তেতিয়া মহাৰাজে তেওঁৰ মহামন্ত্ৰীৰপৰা এই বিষয়ে পৰামৰ্শ প্ৰাৰ্থনা কৰিলে।

মহামন্ত্ৰীয়ে ভাবি-গুণি এই পৰামৰ্শ দিলে যে—ৰাজবৈদ্যক চিকিৎসা কৰাৰ বাবে আন কোনোবা বৈদ্যক মতাই অনোৱা হওক। কিন্তু এই কথাত কথা এটা আছে এয়ে যে—কাকনো আমি মতাই অনাম ? আমাৰ ৰাজ্যত যদিও বৈদ্যৰ অভাৱ নাই, তথাপি, কোনগৰাকী বৈদ্যৰ কিমিনি সামৰ্থ্য — সেই কথা আমি কেনেকৈ জানিম ? গতিকে — আমাৰ অসুস্থ ৰাজবৈদ্যক চিকিৎসাৰ বাবে আত্মবিশ্বাসী কোনোবা বৈদ্য স্বয়ং আগুৱাই আহক — এই মৰ্মে ৰাজকীয় ঘোষণা কৰা হওক।

মহাৰাজে তেওঁৰ মহামন্ত্ৰীৰ প্ৰস্তাৱ মানি ল'লে, আৰু সেই মৰ্মে ৰাজকীয় ঘোষণাও কৰোৱালে। কিন্তু ব্যাপক ঘোষণা সত্বেও কোনো এগৰাকী বৈদ্য আগবাঢ়ি নাহিল।

বৈদ্যসকলে ভাবি থাকিল : কথাতে বোলে—ৰজাই মাৰে, সমুদ্ৰে বুৰায়। ৰজাৰ লগত হাল-লগ — বৰ সাধাৰণ কথা নহয়। ৰাজবৈদ্য যদি সুস্থ নহয়, তেনেহ'লে ৰজাৰ কোপত পৰি আমিহে ককবকাবলগীয়া হ'ম ! তাতকৈ—এইবোৰ বেতেৰিবন্ধীয়া কথাত মূৰ নোসোমোৱাই ভাল হ'ব। —এনেবোৰ কথা প্ৰায় প্ৰতিগৰাকী প্ৰথিতযশা বৈদ্যয়েই ভাবিলে আৰু ৰাজবৈদ্যক সুস্থ কৰিবলৈ কোনো এজনে সামান্য চেষ্টাও নকৰিলে।

তাৰ পাছত এদিন হঠাৎ এজন যুৱা বৈদ্যই মহামন্ত্ৰীৰ কাষ চাপিল আৰু ৰাজবৈদ্যক চিকিৎসা কৰি সুস্থ কৰি তোলাৰ বাবে অনুমতি প্ৰাৰ্থনা কৰিলে। মহামন্ত্ৰীয়ে তৎক্ষণাৎ এই যুৱা

কমলনাথ শৰ্মা

বৈদ্যক মহাৰাজৰ ওচৰলৈ লৈ গ'ল, আৰু মহাৰাজেও ৰাজবৈদ্যক চিকিৎসা কৰাৰ অনুমতি এইজন যুৱা বৈদ্যক দিয়া হ'ল।

ৰাজবৈদ্যই বৈদ্যক সুধিলে, "তুমি কাৰপৰা আয়ুৰ্বেদশাস্ত্ৰত শিক্ষালাভ কৰিছা ? তোমাৰ গুৰুৰ নাম কি ?"

যুৱা বৈদ্য মহানন্দই হাত যুৰি ক'লে, "হে বৈদ্যাচাৰ্য্য, মই কবিৰাজ মণিশঙ্কৰদেৱৰ শিষ্য। তেওঁৰপৰা আয়ুৰ্বেদশাস্ত্ৰত আপোনাৰ অপাৰ জ্ঞানৰ কথা মই প্ৰতিনিয়তয়েই শুনা হৈছিলোঁ।"

সহপাঠীৰ নাম শুনিয়েই ৰাজবৈদ্যই কৈ উঠিল, "আ ! কিমান যে আনন্দৰ কথা ! মণিশংকৰে মোক এতিয়ালৈকো মনত ৰাখিছেনে ? তোমাক—তেৱেঁই মোৰ ওচৰলৈ পঠালেনে ?"

নহয়, মই নিজেই আহিলোঁ। মাত্ৰ এমাহৰ আগতে মোৰ আয়ুৰ্বেদ-শিক্ষা সমাপ্ত হ'ল। গুৰুৰ আদেশমতে মই আমাৰ গাঁৱতে চিকিৎসাকেন্দ্ৰ পতাৰ যো-জা কৰি থাকোঁতেই আপোনাৰ অসুস্থতাৰ সম্বাদ শুনি নিজেই আপোনাৰ সমীপলৈ আহিলোঁ।"

মহানন্দৰ কথাত ৰং পাই ৰাজবৈদ্যই ক'লে, "তাৰ অৰ্থ হ'ল যে—ময়েই তোমাৰ প্ৰথম ৰোগী। ঠিক আছে, কোনো কথা নাই। যেনেকৈ যি পৰীক্ষা-নিৰীক্ষা কৰিবা কৰা, যি দৰৱ দিবা দিয়া।"

অসুস্থ ৰাজবৈদ্যক মহানন্দই পঞ্চম দিনতে সুস্থ কৰি তুলি সকলোকে অবাক কৰিলে আৰু মহানন্দৰ প্ৰশংসাত সকলোটি সবাক হৈ উঠিল। তেতিয়া মহাৰাজে মহামন্ত্ৰীক ক'লে, "এই যুৱা বৈদ্যক আমাৰ ৰাজবৈদ্যৰূপে নিযুক্ত কৰিলে—কেনে দেখে ?"

"আপোনাৰ সিদ্ধান্তৰ ওপৰত মই মাত মাতিব নোৱাৰোঁ।" মহামন্ত্ৰীয়ে ক'লে।

কিন্তু এই প্ৰস্তাৱৰ কথা শুনি মহানন্দই ক'লে, "মহাৰাজ, ৰাজবৈদ্যৰ দায়িত্ব কঢ়িয়াবলৈ হ'লে মই প্ৰধীৰ কবিৰত্নদেউৰ পদতলত বহি কমেও দহ বছৰৰ অভিজ্ঞতা আৰ্জিব লাগিব। নহ'লে এদিন মোৰো হাঁহকৰ্নীত কুহুম নাইকিয়া হ'ব।"

মহাৰাজে মহানন্দৰ যুক্তিপূৰ্ণ কথাৰ শলাগ ল'লে আৰু ৰাজবৈদ্য প্ৰধীৰদেৱৰ সহায়ক হিচাপে মহানন্দক নিযুক্তি দিলে।

দক্ষিণদেশৰ মহাদ্বাৰলৈ ...

বৰ্ণন : মীৰা নায়াৰ ✻ চিত্ৰণ : কে.এছ. গোপকুমাৰ

কৰমণ্ডলীয়তটৰ কাণে কাণে গৈ গৈ আমি পাওঁগৈ **মামল্লপুৰম**—যি-মামল্লপুৰমক পৰৱৰ্তীকালত ভুলকৈ মহাবলীপুৰম্ বুলিও কোৱা হৈছিল । দক্ষিণদেশৰ পল্লৱবংশীয় ৰজাসকলৰ অন্যতম নৰসিংহবৰ্মনদেৱৰ আমোলত এই মামল্লপুৰম্ আছিল এখন উল্লেখযোগ্য সামুদ্ৰিক বন্দৰ । খৃষ্টীয় সপ্তম শতিকাত নৰসিংহবৰ্মণদেৱৰ ৰাজত্ব প্ৰতিষ্ঠিত আছিল।

তেতিয়াৰ কালৰ মহামল্লপুৰম্ বা মামল্লপুৰম্ আছিল এক সুজলা সুফলা শস্যশ্যামলা অঞ্চলৰ অতিশয় সমৃদ্ধ নগৰ। সেই সিকালৰ বন্দৰ আজি আৰু নাই, কিন্তু মূল্যবান প্ৰস্তৰ-খোদিত অসংখ্য মন্দিৰ, অপূৰ্ব শিল্পকৰ্মাদিৰ আৰু মূৰ্তি আজিও অক্ষতভাবেই বিদ্যমান।

এই স্থানৰ অন্যতম এক উল্লেখযোগ্য কলাকৃতি হ'ল অৰ্জুনৰ তপস্যা নাইবা **গঙ্গাৱতৰণ**। এই কলাপূৰ্ণ শিলচটা ২৯ মিটাৰ ওখ আৰু ১৩ মিটাৰ বহল। এই শিলচটা সৱাতোকৈ **বৃহৎ** প্ৰস্তৰ-চিত্ৰ শিল্প বুলি গণ্য কৰা হয়। বিশাল-বিৰাট শিলাখণ্ড খোদিত কৰি সজোৱা মন্দিৰ মামল্লপুৰমত আৰু অনেক আছে—যি সমূহৰ কিছুমানক **ৰথম্** বুলি কোৱা হয়, যি-মন্দিৰৰ গঠন সাইলাখ ৰথৰ আকৃতিৰ। ধৰ্মৰাজ (যুধিষ্ঠিৰ), ভীম, অৰ্জুন, সহদেৱ আৰু দ্ৰৌপদীৰ নামত যি ৰথ-মন্দিৰ আছে, সেই মন্দিৰ পাণ্ডৱ-ৰথম্ বুলি অভিহিত। প্ৰস্তৰ-চিত্ৰসমূহৰ মাজত **ৰৰাহ** তথা **মহিষাসুৰমৰ্দিনী** গুহা-চিত্ৰও বিদ্যমান, যি গুহাচিত্ৰসমূহত পুৰাণ-কাহিনী উৎকীৰ্ণ।

অৰ্জুনৰ তপস্যাথলী



পাণ্ডৱৰথম্

বৰাহ-গুহাত এডোখৰ বিশাল চতীয়াকাঠৰ ওপৰত মহাবিষ্ণুৱে বৰাহৰ অৱতাৰ ধাৰণ কৰাৰ আৰু হিৰণ্যাক্ষ ৰাক্ষসৰ কবলৰপৰা জগতক ৰক্ষা কৰাৰ কথা চিত্ৰিত আছে।

মহিষাসুৰমৰ্দিনী-গুহাত দুখন চিত্ৰ উৎকীৰ্ণ কৰা হৈছে। এখনত মহিষাসুৰৰ সৈতে দুৰ্গতিনাশিনী দুৰ্গাৰ বিষম যুদ্ধ চিত্ৰিত, আৰু সিখনত মহিষাসুৰৰ প্ৰতাপত স্বৰ্গৰপৰা ইন্দ্ৰ আৰু অন্যান্য দেৱতাৰ পলায়নৰ চিত্ৰ চিত্ৰিত। মহিষাসুৰৰ অতিচাৰ-অত্যাচাৰত জৰ্জৰিত দেৱ-দেৱীসকলৰ আলোচনা-বিলোচনাক্ৰমে এক দিব্যশক্তিময়ী দেৱীৰ সৃষ্টি হৈছিল—যি-দেৱী হৈছিল সৰ্বভূতেষু দুৰ্গতিনাশিনী দুৰ্গা। এই দেৱীৰ মাজত সৰ্ববিধৰ সৰ্বশ্ৰেষ্ঠ গুণাৱলী আৰু মহত্ব প্ৰদান কৰা হৈছিল, প্ৰদানিত হৈছিল সৰ্বশ্ৰেষ্ঠ অস্ত্ৰাদি। এইগৰাকী দুৰ্গাদেৱীয়েই মহিষাসুৰ নামৰ মহাশক্তিমন্ত অত্যাচাৰী অসুৰৰ কবলত পৰি ককবকাই থকা মৰ্ত্য আৰু স্বৰ্গকো ৰক্ষা কৰিছিল।

এই গুহাস্থিত অন্য এচটা চতীয়া কাঠত ক্ষীৰসাগৰত শুই থকা শেষনাগৰ ওপৰত বিষ্ণু-ভগৱানক অতি সুদক্ষ শিল্পকৰ্মৰ আৰ্হিৰে আৰু সূক্ষ্মাতিসূক্ষ্মতাৰে কাঠতে জীৱন্তযেন চিত্ৰৰ সহায়তাৰে চিত্ৰিত কৰা হৈছে।

এই স্থানত সমুদ্ৰতটৰ গাতে লগলগা জলশয়ন নামৰ মন্দিৰক ইংৰাজী ভাষাৰ পৰ্যটন-বিষয়ক পুস্তকত 'শ্বোৰ টেম্পল' বুলি অভিহিত কৰা হৈছে। এই মন্দিৰৰ সন্মুখদ্বাৰত সাগৰৰ বিৰাট বিৰাট ঢৌবোৰে ঢৌৱাই থকা কাৰণে দৰ্শনাৰ্থী ভক্তসকলে মন্দিৰৰ পিছদুৱাৰেদি মন্দিৰৰ ভিতৰলৈ সোমায়গৈ। এই মন্দিৰ হ'ল শিৱৰ মন্দিৰ, যি-মন্দিৰৰ চাৰিওফালে নন্দী-ভৃংগীহঁতৰ সজীৱ মূৰ্তি বিদ্যমান।

জলশয়নম্

মামল্লপুৰম্ হ'ল খৃষ্টীয় পঞ্চম শতিকাৰ মহান বৈষ্ণৱ সন্ত তথা তামিল কবি ভূত্তালাৱাৰৰ জন্মস্থান।

এতিয়া আমি আন এক কলা-সৌন্দৰ্য্যৰে ভৰপূৰ ঠাইলৈ খোজ লওঁ — যাৰ নাম **চোলমন্ডলম্ আৰ্টিস্টছ ভিলেজ**। এই বংঘৰ ৰংপুৰৰ দৰে গছে-বনে ভৰপূৰ গাঁৱেখনি শিল্পীবৃন্দৰ এক সন্মিলিত প্ৰচেষ্টাৰ সুফল। এই ঠাইত অৰ্থাৎ এই কলাকৃতিমূলক গাঁওখনত থকা চিত্ৰশিল্পীসকলে ঘৰ সাজি থাকে, আৰু নিজ-নিজ কলাকৃতি বিক্ৰি কৰি স্বাৱলম্বীভাৱে জীৱন যাপে। এই গাঁৱৰ—অৰ্থাৎ এই চোলমণ্ডলমত থকা শিল্পীসকলে চিত্ৰাঙ্কণ, ৰেখাঙ্কণ, মাটিৰ মূৰ্তি আৰু অন্যান্য বিবিধ বস্তুৰেও বিধোবিধ মূৰ্তি সাজি উলিয়ায়, আৰু লগতে—ইয়াত কবিতা-পাঠ, নৃত্যকলা আদিৰ কাৰ্য্যক্ৰমো নিয়মিতভাৱে অনুষ্ঠিত হয়।



ভাৰতৰ সৰ্বাতোকৈ ওখ পতাকাদন্ড

আমাৰ পৰৱৰ্তী গম্যস্থান হওক ভাৰতৰ চতুৰ্থ মহানগৰ আৰু তামিলনাডুৰ ৰাজধানী চেন্নাই, যিখন চেন্নাইক সৌ সিদিনালৈকো মাদ্ৰাজ বুলি কোৱা হৈছিল। এই মাদ্ৰাজ মহানগৰ তথা চেন্নাই—বঙ্গোপসাগৰৰ তীৰত অৱস্থিত—যিখন মহানগৰৰ ১৭ কিল'মিটাৰ দীঘল সাগৰ-তট আছে—আৰু আছে—**দক্ষিণৰ মহাদ্বাৰ**।

১৭ শতিকাত ইস্ট ইণ্ডিয়া কম্প্যানিয়ে ভাৰতৰ পূৰ্ব-সমুদ্ৰতটত বাণিজ্য-কেন্দ্ৰ স্থাপনৰ দিহা কৰিছিল, আৰু আজিৰ চেন্নাইৰপৰা ৪০ কিল'মিটাৰ উত্তৰত আৰ্মাগাম নামৰ গাঁও এখনক এই বাণিজ্যকেন্দ্ৰ স্থাপনৰ বাবে বাছি উলিয়াইছিল। কিন্তু পাছত এই স্থান পৰিত্যক্ত হৈছিল, কিয়নো, এই স্থান বাণিজ্যকেন্দ্ৰৰ পক্ষে যথোপযুক্তনাছিল। তেতিয়া আৰ্মাগাম বাণিজ্য-কেন্দ্ৰৰ অধ্যক্ষ ফ্ৰান্সিছ ডে'-ই ভালৰো ভাল ঠাই বিচাৰি আৰু দক্ষিণলৈ গৈ গৈ, ১৬৩৯ চনৰ ২২ জুলাইৰ দিনা চন্দ্ৰাগিৰিৰ ৰজা সামন্ত ডামৰ্লা ৱেঙ্কটাদ্ৰিৰপৰা **মাদ্ৰাছ কুপ্পম** নামৰ গাঁও এখন কিনি লৈছিল, যিখন গাঁৱক তেতিয়াৰ ৰাইজে 'নৰিমেডু' অৰ্থাৎ 'শিয়ালৰ টিলা' বুলিহে কৈছিল। আৰু এই শিয়ালৰ টিলা তথা নৰিমেডু নামৰ গাওঁখনেই পৰৱৰ্তী দিনত মাদ্ৰাজ মহানগৰৰ ৰূপ লৈছিল, যিখন মাদ্ৰাজ হ'ল আজিৰ চেন্নাই।

ফোৰ্ট মিউজিয়াম

ইয়াত থকা ইংৰাজ-বসতিৰ নিৰাপত্তাৰ বাবে ফ্রান্সিছ ডে'-ই ইয়াত এখন দুৰ্গ সাজি উলিয়াইছিল। তাহানিদিনীয়া এই দুৰ্গৰ নিৰ্মাণকাৰ্য্য ১৬৪০ চনৰ ২৩ এপ্রিলৰ দিনা সমাপ্ত হৈছিল। এই দুৰ্গৰ নাম— **ফোৰ্ট ছেইণ্ট জৰ্জ**।

এই দুৰ্গৰ ভিতৰত আছে **চাৰ্চ অব্ ছেইণ্টমাৰি** নামৰ গিৰ্জা-গৃহ। ভাৰতৰ অ্যাংলিকান খৃষ্টীয় সম্প্রদায়ৰ বাবে এয়ে আছিল প্রথম গিৰ্জা, যিখন গিৰ্জা ১৬৮০ চনত নিৰ্মিত হৈছিল।

এই গিৰ্জাত সাৰাতোকৈ প্ৰথমে গাৰ্ডানাৰ এলিছ য়েল-ৰ বিবাহকাৰ্য্য সম্পন্ন হৈছিল, যিগৰাকী য়েলৰ আৰ্থিক দানেৰে আমেৰিকাত য়েল (ইয়েল) ইউনিভাৰ্ছিটি প্ৰতিষ্ঠিত হৈছিল।

মাদ্রাজ ফিউজিলিয়াৰ্সৰ পতাকা এই গিৰ্জাতে ৰক্ষিত আছে, এই ফিউজিলিয়াৰ্স ৰেজিমেণ্ট আছিল ভাৰতত ইংৰাজৰ তথা ইস্ট ইণ্ডিয়া কম্প্যানিৰ প্ৰথম ৰেজিমেণ্ট।

ফোৰ্ট মিউজিয়ামত বিভিন্ন ঐতিহাসিক নথি-পত্ৰ, তৈলচিত্ৰ, তৎকালীন বিধোবিধ মুদ্রা, অস্ত্ৰ-শস্ত্ৰ, বিভিন্ন মূৰ্তি, মাদ্রাজ মহানগৰৰ প্ৰাৰম্ভিক দিনসমূহৰ বিভিন্ন সংৰক্ষিত বস্তু ইত্যাদি পৰিলক্ষিত। এই দুৰ্গ ১৬৮৩ চনত সাজি উলিউৱা হৈছিল। এই দুৰ্গত আছিল মাদ্রাজ-ব্যাঙ্কৰ দপ্তৰ, যিটো ব্যাঙ্ক আছিল ভাৰতৰ প্ৰথম ব্যাঙ্ক, আগলৈ যিটো ব্যাঙ্ক ইম্পিৰিয়্যাল ব্যাঙ্ক নামেৰে খ্যাত হৈছিল। এই দুৰ্গৰ চালত পুস্তক-প্ৰকাশালয় আৰু শ্বেয়াৰ-বজাবো অৱস্থিত আছিল।

ফোৰ্ট ছেইণ্ট জৰ্জত থকা চেগুণ কাঠৰ পতাকা-দণ্ড ৫০ মিটাৰ ওখ। ভাৰতত ইমান ওখ পতাকা-দণ্ড আৰু নাই। এই দুৰ্গৰ সিমূৰে আছে বৰ্তমান সচিবালয় আৰু বিধানসভা।

ফোৰ্টৰপৰা সামান্য আঁতৰতে ম্যাৰিনা বিচ্—ভাৰতৰ দ্বিতীয় নিকটতম সাগৰবালি অৱস্থিত—যি সাগৰবালি ৩.৫ কি.মি. দীঘল। এই সাগৰবালিতে তামিলনাডুৰ ভূতপূৰ্ব মুখ্যমন্ত্ৰী শ্ৰী চি.এন. আন্নাদুৰাইদেৱৰ সমাধি-সৌধ বিদ্যমান।

মহান অন্নাদুৰাই আছিল তামিলনাডুৰ জনগণৰ সাৰ্বিক চেতনাৰ ৰূপকাৰ। **আন্নাৰ** অৰ্থ হ'ল—ককায়েক—ককাইদেউ। তেওঁৰ দেহান্তৰ সম্বাদ সমগ্ৰ তামিলনাডুত যেনিবা দাবানলৰ সৃষ্টি কৰিছিল, আৰু এই ম্যাৰিনা সাগৰ-বালিলৈ অন্ত্যেষ্টিক্ৰিয়া-উপলক্ষ্যে তামিলনাডুৰ চুক-কোণৰপৰা লাখ-বিলাখ মানুহ-মুনিহ ঢপলিয়াই আহিছিল। আন্নাৰ সমাধি দৰ্শন কৰিবলৈ আজিও প্ৰতিদিনেই হাজাৰ-বিচাৰ মানুহ-মুনিহ ঢপলিয়াই আহে।

আন্নাৰ সমাধি-সৌধ

© Amrita Bharati, Bharatiya Vidya Bhavan, 1997

লোকচানেই লাভ

মাকণ আছিল চহৰীয়া, আৰু মাখন আছিল গাঁৱলীয়া। মাখনে মাকণক বিয়া কৰালে, কিন্তু বিয়াৰ পাছতেই—বৰ কম দিনতেই মাখনে দিন ও এন্ধাৰ দেখিলে। তাৰ দেউতাক স্বৰ্গী হ'ল, আৰু লগে লগে মাখনৰ মূৰত যেনিবা সৰগ পৰিল। কিয়নো, মাক-দেউতাকৰ অতিপাত আগ্ৰহত সি বিয়া কৰাইছিল হয়, কিন্তু মাখন তেতিয়ালৈকো যে দহটকীয়া হ'ব পৰা নাছিল—সেই কথাও মিছা নহয়।

গতিকে—বিয়াৰ যুঁৱলিত ডিঙি পাতি দিয়া মাখনে তাৰ দেউতাকে এৰি থৈ যোৱা খেতিমাটিত বাধ্যত পাৰি খেতি-বাতিত ধৰিলে যেতিয়া, তেতিয়া চহৰীয়া মাকণৰ মুখত পানী নোহোৱা হ'ল। এনেয়ে চহৰৰপৰা ঘোকো গাঁও এখনলৈ আহি মাকণ মন-মৰা হৈয়েই আছিল, এতিয়া গিৰিয়েকে ক'তো-কেনিও চাকৰি নাপাই বেহাতো নধৰি চহা হোৱাত তাই লাজতে মৰি যাওঁ মৰি যাওঁ যেন হৈ পৰিল।

এদিন তাই তাইৰ গিৰিয়েকক ক'লে, "শুনা, যি কওঁ মনপুতি শুনা। এই যে তোমালোকৰ ঘৰ—এই ঘৰতকৈ ফাটেকো কিজানি ভাল। এই ঘৰত বতাহ নোসোমায়, পোহৰ নপৰে, ইয়াতে আছে কেৱল মাখি আৰু পইতাচোৰা। এই ঘৰ বোলা জহন্নামত বেছিদিনলৈ থাকিবলগা হ'লে মই অলিয়াজনী বলিয়াজনীকে হৈ পৰিম।"

"মই কিন্তু এইটো ঘৰতে সাতাইছ বছৰ পাৰ কৰিলোঁ। তুমি সদ্যে চহৰৰপৰা আহিছা, ইয়াত মন লগাওঁতে কিছু সময় লাগিবই। পিছে — সময়ত সকলো ঠিক হৈ যাব।" মাখনে মোখনি মাৰিলে।

কিন্তু দিনক দিনে মাকণ অধিক উগ্ৰ হৈ উঠিবলৈ ধৰিলে, আৰু এই ঘৰৰপৰা যেনেকৈয়েই নহওক ওলাই যাবলৈ সদায় সুৰুঙা বিচাৰিবলৈ ধৰিলে।

এদিন তাই তাইৰ দেউতাককো কথাটো

ক'লেগৈ। তাই ক'লে, "দেউতা, তোমাৰ জোঁৱায়েৰক তুমি চহৰত চাকৰি এটা কৰি দিব পাৰা যদি—বৰ ভাল হ'ব। সেই গাঁৱৰ ঘৰটোত জীৱন কটোৱাটো মোৰ পক্ষে প্ৰায় অসম্ভৱ কথা।"

মাকণৰ দেউতাকে মাখনৰ বাবে চহৰৰ গাতে লগা গাঁও এখনত চাকৰি এটাৰ বন্দৱস্ত কৰি দিছিল।

মাকণে মাখনক কৈছিল, "দেউতাই তোমাক উদ্ধাৰ কৰি দিলে। এতিয়া চহাই চহালি এৰি চাকৰি কৰিবা, আৰু বাবুভায়া হৈ ফন্তিৰে মন্তি কৰি আয়মেৰে জীৱনৰ মজা লুটিবা।"

মাখনে লাহে-ধীৰে ক'লে, "হওঁতে—ঈশ্বৰে যি কৰে ভালৰ কাৰণেই কৰে। চহৰলৈ গ'লে মাৰ চিকিৎসা ঠিকমতে হ'ব, ভনীটিৰো হয়তো ভালৰো ভাল চাই বিয়া এখন পাতিব পৰা যাব। আৰু—খেতি-বাতিৰ দায়িত্ব—হৰকান্তৰ ওপৰতে দি যৈ যাম—তাৰেই হ'ব।"

মাকণে টপৰাই কৈ উঠিল, "এয়ানো কি কথা? খেতি-খোলা আনক দিলে আমিনো কি পাম? মোৰ কথা শুনা, তোমাৰ মাৰা-ভনীয়েৰা গাঁৱতেই থাকক, খেতি-বাতি চলাই থাকক। কেৱল তুমি আৰু মই—আমি দুয়ো চহৰলৈ যাম।"

এই প্ৰস্তাৱত মাখনে যদিও মুঠেই ভাল নাপালে, তথাপি সাংসাৰিক শান্তিৰ কথা ভাবি মাকণৰ বলিশালত ডিঙি পাতি দিলে, আৰু কেইদিনমানৰ পাছত মাকণক লৈ চহৰৰ গাতে লগা গাঁওখনলৈ বুলি যাত্ৰা কৰিলে।

কেইমাহমানৰ অন্তত গণেশ-চতুৰ্থীৰ উছৱৰ আগে আগে মাখনে মাকণক ক'লে যে—গণেশ-চতুৰ্থী উপলক্ষ্যে মাক আৰু ভনীয়েকেকো ইয়ালৈ লৈ অহা যাওক। কিন্তু মাকণে এই কথাত হয় নকৰিলে। মাকণে ক'লে, "শুনা, এইবোৰ কথা ধোঁৱাচাঙত তুলি থোৱা। এইবাৰ গণেশ চতুৰ্থীত মোক ভালৰো ভাল চাই হাৰ এধাৰ লাগিবই।"

"বাৰু, দিয়া যাব। আৰু—লগতে মাৰ কাৰণে আৰু ভনীটিৰ কাৰণে দুখন ভালৰো ভাল চাই শাড়ী-কাপোৰ ল'ব লাগিব।"

মাখনৰ কথাত মাকণ জ্বলি-পকি উঠিল আৰু কৈ থাকিল, "এতিয়া ইমান খৰচৰ কোনো দৰ্কাৰ নেদেখিছোঁ। মুঠমাঠ—এতিয়া সিহঁতক ইয়ালৈ নানিলেও হ'ব। পানীৰ মাছ-

কাছ যেনেকৈ বামত উঠিলেই ছটফটায়, গাঁৱৰ গাঁৱলীয়াই ইয়ালৈ আহিলে কথা তেনেকুৱাই হ'ব।"

মাখনে কি আৰু ক'ব ? যি ক'ব যা ক'ব— তাৰেই দন্দ-বান্দ বচ-বাচ লাগি পৰিব। গতিকে সি মনে মনে থাকিল, আৰু গধূলিৰ আগে আগে মাকণৰ বাবে ভালৰো ভাল চাই হাৰ এধাৰ কিনিবলৈ মাকণক লগত লৈ ওলাল।

ই-দোকান সি-দোকান ঘূৰি ঘূৰি যি-দোকানৰ হাৰ এধাৰ মনত লগা হ'ল, সেই হাৰধাৰৰ ওজন আছিল সাত ভৰি আৰু দাম সাত হেজাৰ মুদ্ৰা। ইমান দামৰ হাৰ কিনিবনে নিকিনিব ভাবি থাকোঁতেই মাকণে ঠেহ জুৰিলে যে—কিনে যদি সেইধাৰেই কিনিব, নহ'লে তাই আৰু একোৱেই নল'ব।

হাৰধাৰৰ দাম যদিও সাত হেজাৰ বুলি কৈছিল, কিন্তু দোকানীয়ে নগদ বিক্ৰিৰ কাগজত হাৰধাৰৰ দাম তিনি হেজাৰহে লিখিলে।

মাখনে যেতিয়া দোকানীক দোকানীৰ ভুলৰ কথা ক'বলৈ মুখ মেলিলে, তেতিয়া মাকণে তাইৰ কিলাকুটিৰে খুচি মাখনক ৰখালে, আৰু তাইৰ ইংগিতত সাতহেজাৰৰ ঠাইত তিনি হেজাৰেৰেই হাৰধাৰ লৈ দোকানৰপৰা ওলাই আহি খৰতকীয়াকৈ খোজ বঢ়ালে।

এইবাৰ মাখনে ক'লে, "মোৰ জেপত এতিয়া চাৰিহেজাৰতকৈয়ো অধিক মুদ্ৰা আছে। এতিয়া মই মাৰ কাৰণে আৰু চামেলীৰ কাৰণেও এখনকৈ ভালৰো ভাল কাপোৰ আৰু লগতে ইটো-সিটো কিনি ল'ম।"

"কি ক'লা ? কাপোৰ ? শাড়ী-

কাপোৰ ? কেলেইনো ? মই তোমাক কিলাকুটিৰে খুচি নৰখোৱাহেঁতেন তুমি সোণৰ দোকানীক সেই চাৰিহেজাৰো নিশ্চয় দিলাহেঁতেন। গতিকে—সেইখিনি টকা এতিয়া মোৰ।" মাকণে মকমকালে।

হাৰ লৈ ঘৰ পাই মাকণে তেতিয়াই হাৰধাৰ ডিঙিত পিন্ধিবলৈ ল'লে। কিন্তু দোকানৰপৰা ঘৰ পাওঁতেই হাৰধাৰ কিয় আৰু কেনেকৈ যে তিনি ডোখৰ হৈ গ'ল—তাই একোপধ্যে বুজি নাপালে।

মাকণৰ মূৰত যেনিবা বজৰ পৰিল। দোকানীয়ে দিনে-পোহৰে ডকাইতি কৰিয়েই ৰূপ তিনিহেজাৰ লৈ ল'লে। তাই মাখনক লগত লৈ তেতিয়াই দোকানলৈ উভতি গ'ল, আৰু ক'লে, "আমাৰ লগত দগাবাজী! ৰজাৰ

প্ৰৱীয়া মাতি ধৰাই দিম, আজি-এতিয়াই ফাটেকত আটক কৰিম তোম ক।"

দোকানীয়ে হাৰধাৰ তুলাচনীত ওজন কৰিলে আৰু ক'লে, আমি যিধাৰ হাৰ আপোনালোকক বেচিছিলোঁ—সেইধাৰ হাৰৰ ওজন আছিল সাত ভৰি। কিন্তু এই হাৰধাৰৰ ওজন তিনি ভৰি। গতিকে—আপোনালোকেই যে আমাক প্ৰতাৰিবলৈ লৈছিল—সেই কথা দেখা কথা। নৱেন, তুমি সৌ চাৰিআলিলৈ গৈ ৰজাৰ খাচ পৰীয়া দুজনমানক মাতি আনাগৈচোন—!"

তেতিয়াহে মাখনে-মাকণে বুজি পালে দোকানীৰ এই প্ৰতাৰণাৰ ফাঁহৰ কলা-কৌশল। অধিক ওজনৰ বস্তু বুলি বহীত লিখি কম ওজনৰ বস্তু দিয়ে ইহঁতে।

গতিকে—মুখত কোবোৱা দমৰাহেন হৈ, ঘৰলৈ ঘূৰাৰ বাহিৰে কোনো উপায়ো নাই।

গতিকে—সিহঁতহাল বাধ্যত পৰি চুপচাপ ঘৰলৈ উভতি আহিল।

মাকণে কৈ থাকিল, "পৰিশ্ৰমৰ ধন এনেকৈ যে যাব—ভাবিবই পৰা নাছিলোঁ। সেই প্ৰতাৰক দোকানীটোক মাৰিলেও মনৰ খং মাৰ নাযাব।" মাকণে চকুলো টুকিলে।

মাখনে মুচুক্কৰে হাঁহি মাৰি ক'লে, "চোৱা, মাকণ, নিজৰ দোষ কোনখিনিত—তাকো বুজিবলৈ চেষ্টা কৰা। প্ৰথমতে — তুমিয়েই দোকানীক প্ৰতাৰিছিলা কিন্তু। এতিয়া তুমি তাৰ ওপৰত খং কৰিছা, তাক প্ৰতাৰক বুলি ঘিণ কৰিছা, তাৰ কূট-কৌশল আৰু চালাকিলৈ থুৱাইছা। কিন্তু—তুমিও তোমাৰ শাহুআই আৰু ননন্দেকৰ প্ৰতি দিনে-নিশাই তেনেকৈয়েই কূট-কৌশল আৰু চালাকি কৰি থকা নাইনে ? গতিকে—দোকানীৰ ওপৰত থকা তোমাৰ তিগ্ৰমান্তি খঙৰ দৰে ময়ো যদি তোমাৰ ওপৰতো সেই একেইবিধৰ খং-ৰাগ দেখুৱাওঁ—আমি দুয়ো একেলগে থাকিব পাৰিমনে ? গতিকে — আপোনাৰ দায় ফুটছাই, আৰু পৰৰ দায়ে খুচৰি খায়বিধৰ হ'লে জগত-সংসাৰখনৰ কি হ'ব পাৰে—নিজেই কথাটো ভাবি চোৱাঁ।"

তেতিয়াহে মাখনৰ যুক্তিপূৰ্ণ কথাত মাকণৰ জ্ঞানৰ চকু মুকলি হ'ল আৰু তাই ভাবিলে : ধনখিনিৰ লোকাচানেৰেহে হ'লগৈ এই জীৱনৰ বিৰাট লাভ।

চান্দমামাৰ

সোণালী দুৱাৰ - ১১

পৃথিৱীখনৰ ক'ত আছে...?

১....এই বিৰাট বৌদ্ধ-মন্দিৰ পৰ্বত ?

খৃষ্টীয় ৮০০ চনত নিৰ্মিত হৈছিল, এয়া হ'ল খৃষ্ট-পূৰ্ব প্ৰথম শতিকাত প্ৰতিষ্ঠিত বৌদ্ধধৰ্মৰ মহাযান-শাখাৰ সৰ্ববৃহৎ কীৰ্তিস্তম্ভ।

২....এতিয়াও জীৱন্ত প্ৰাচীনতম বৃক্ষ ?

বিৰিখৰ নাম ম্যাথুছেলা, বাইবেলীয় কালৰ যিগৰাকী ম্যাথুছেলা হেনো ৯০০ বছৰলৈ জীয়াই আছিল। এই জোঙাপতীয়া বিৰিখজোপাৰ বয়স ৪৬০০ বছৰ !

৩....ক্লিঅ'পাত্ৰাৰ বেজি.. ?

এয়া হ'ল প্ৰায় ৩৫০০ বছৰীয়া এক স্ফটিক-শিলৰ স্তম্ভ। এই স্তম্ভ সূৰ্য্য-দেৱতাৰ মন্দিৰ ৰূপে ১৪৭৫ খৃষ্ট-পূৰ্বাব্দত তৃতীয় থুটমোজ নামৰ মিছৰদেশৰ ফ্যাৰো অৰ্থাৎ ৰজাই সজাইছিল।



৪....হুমুনিয়াহৰ দলং ?

খালৰ সিপাৰত থকা ফাটকৰপৰা ফাটকিয়াল-হতঁক এইখন দলঙৰ ওপৰেদি লৈ অহা হৈছিল-লৈ যোৱা হৈছিল। তেতিয়া ফাটকিয়ালহঁতে দলংখনৰ পিছফালত থকা নগৰখনলৈ চাই চাই হুমুনিয়াহ কাঢ়িছিল।

চিত্ৰ চাতুৰী

এই চিত্ৰৰ চাতুৰীলৈ ভালকৈ চোৱাঁ, ভাবাঁ আৰু এই চিত্ৰৰ ভুল ক'ত উলিউৱাঁ।

সাহসিক সমুদ্ৰযাত্ৰা

ক্ৰিস্ট'ফাৰ কোলম্বাজে যিখন জাহাজত উঠি আমেৰিকা-আৱিষ্কাৰৰ বাবে সাহসিক সমুদ্ৰযাত্ৰালৈ ওলাইছিল, এইখন চিত্ৰ সেই 'ছান্তা মাৰিয়া' নামৰ জাহাজৰ ৰেখাচিত্ৰ।

চিত্ৰ সাঁথৰ

১. এইখন চিত্ৰত ত্ৰিছতকৈয়ো অধিক ত্ৰিকোণ আছে। কিন্তু সঠিক সংখ্যা উলিয়াব পাৰিবানে?





২. ছটা সমান বৰ্গক্ষেত্ৰ সাজিবলৈ সোতৰটা জুইকাঠী লোৱা হৈছে। তাৰপৰা ৫টা জুইকাঠী আঁতৰাই ল'লে মাত্ৰ ৩টা বৰ্গক্ষেত্ৰ থাকিব।

৩. এইবোৰ জন্তুৰ মাজৰ কোন জন্তুৰ দাঁত আমি শিল্পকৰ্মত ব্যৱহাৰ কৰোঁ?

©AMRITA BHARATI, BHARATIYA VIDYA BHAVAN, 1997

মনন-জানন

১. কোনোবা এজনে এটা চকাত বতাহ-নথকা মটৰগাড়ী এখন চলাই দিল্লীৰপৰা আগ্ৰালৈ গৈছিল। কেনেকৈ গৈছিল ?

২. এটা কুকুৰক একমিটাৰ দীঘল ৰছী এডালেৰে বান্ধি থোৱা হৈছিল। কিন্তু কুকুৰটোৱে ৩ মিটাৰ আঁতৰত থকা হাড় এডাল লৈ আহিব পাৰিছিল। — কেনেকৈনো ?

৩. এটা গাড়ীচোৰে গাড়ী এখন চুৰি কৰি তাত থকা অন্যান্য মটৰগাড়ীৰ কাষত থৈ গুচি গ'ল। পাছত পুলিছৰ-ইনস্পেকটাৰ এজনে সেই গাড়ীবিলাকৰ মাজৰপৰা চুৰি হোৱা গাড়ীখন উলিয়াব পাৰিছিল। — কেনেকৈ উলিয়াব পাৰিছিল ?

৪. এজন কলা-বোবা মানুহে-হাতুৰী এডাল কিনিবলৈ লোৰ বস্তু-সামগ্ৰীৰ দোকানলৈ গৈ আকাৰে-ইংগিতে তাৰ প্ৰয়োজনৰ কথা ক'লে আৰু দোকানীয়েও বুজি পাই তাক হাতুৰী দিলে। আন এজন বোবা-কলায়ো এটা স্ক্ৰু-ড্ৰাইভাৰ বিচাৰি সেই দোকানলৈ গ'ল আৰু এইবাৰো দোকানীয়ে সঠিক বস্তুকে মানুহজনক দিলে। তাৰ পাছত এজন অন্ধই এখন কৰত কিনিবলৈ সেই দোকানলৈ গ'ল। অন্ধ মানুহজনক কৰত এখন লাগিছিল বুলি দোকানীয়ে — কেনেকৈনো বুজি পাইছিল ?

কামিলা

গজালি-মেলা হাতী

লাগতিয়ালবোৰ :

মজলীয়া আকাৰৰ আলুগুটি এটা, প্লাস্টিছিন অৰ্থাৎ প্লাস্টিকৰ লুথুৰী, আইছক্ৰিমৰ চাৰিডাল কাঠী, এটুকুৰা স্পঞ্জ অৰ্থাৎ পানী-শোহা, আৰু অলপমান ধনিয়া-গুটি।

পদ্ধতি :

১. প্লাস্টিছিনেৰে হাতীৰ শুঁৰ, নেগুৰ, চকু, কাণ আদি সাজি লোৱাঁ, আৰু চিত্ৰত দেখুৱামতে সেইবোৰ আলুগুটিটোৰ ওপৰত স্থাপন কৰাঁ।

২. আইছক্ৰিমৰ কাঠীডাল চাৰিটা আলুগুটিৰ গাত পুতি হাতীৰ ঠেং চাৰিটা বনোৱাঁ।

৩. আলুগুটিটোত বিন্ধা এটা কৰি লৈ সেই স্পঞ্জটুকুৰা ভৰাই তাৰ ওপৰত ধনিয়া-গুটি ছটিয়াই দিয়াঁ।

৪. কিছুদিনৰ পাছত ধনিয়াই-আলুৱে মিলি হাতীৰ গাত গজালি মেলিব।

L-ৰপৰা সিংহ !



সোণালী দুৱাৰ –১০ উত্তৰ

পৃথিৱীৰ ক'ত আছে :

১. জাপানত, ফুজিয়ামা পৰ্বতত।
২. মায়নামাৰত (মানদেশত)।
৩. লণ্ডনত।
৪. ম্যাডাগাস্কাৰত।
৫.. দক্ষিণ আফ্ৰিকাৰ কিম্বাৰ্লিত'

গল্পৰ ফাঁহ :

হোমছে এই কথা ঠিকেই কৈছিল যে মানুহজনৰ মূৰটো ডাঙৰ আকাৰৰ, কিয়নো টুপিটোও ডাঙৰেই আছিল। কিন্তু ডাঙৰমূৰীয়াৰ বুদ্ধিও ডাঙৰএই কথা ভুল। মানুহৰ বুদ্ধিমত্তা মূৰৰ সৰু-বৰ আকৃতিৰ ওপৰত নিৰ্ভৰশীল নহয়। টুপিটোৰ গৰাকীতকৈ হোমছৰ মূৰটো আছিল ক্ষুদ্ৰ, কিন্তু সেই বুলি সেই ডাঙৰমূৰীয়াৰ তুলনাত হোমছৰ ক্ষুৰধাৰ বুদ্ধিও ক্ষুদ্ৰ আছিলনে ?

চিত্ৰৰ ফাঁহ :

ৰেড ইণ্ডিয়ানহঁতে ঘোঁৰা কি—নাজানিছিল। স্পেনদেশীয় মানুহেহে পোনপ্ৰথমে আমেৰিকালৈ ঘোঁৰা লৈ আহিছিল।

চিত্ৰৰ সাঁথৰ :

১. আৰ্চাৰমাছ। আৰ্চাৰমাছে পানী ছটিয়াই পোক-পৰুৱা খেদে। ২. ডেড্ চি, আচলতে এটা হ্ৰদ মাথোন। ৩. পৰ্টুগাল।

৩৪

দুৰ্য্যোধন যেনিবা যমপুৰীৰপৰাহে ফিৰি আহিল। কিন্তু জীয়াই থাকি এনেহেন অপমানকৰ জীৱনযাপন — অতি অসহ্ন।

ধৰ্মৰাজৰ দিহা অনুসাৰি সানুচৰ দুৰ্যোধনে সকলোকে লগত লৈ হস্তিনাপুৰলৈ বুলি গৈ আছিল। গৈ গৈ বহু সময়ৰ অন্তত এক সুদীৰ্ঘ সৰোবৰৰ পাৰত তেওঁ বিশ্ৰামলৈ ৰ'ল।

যুদ্ধক্ষেত্ৰ এৰি পলোৱা কৰ্ণ ত্যালৈ আহিল। যুদ্ধক্ষেত্ৰত কি হৈছিল-নহৈছিল কি কি ঘটনা ঘটিছিল কৰ্ণই নাজানিছিল। চটুৱাই জোল খাবৰ মনেৰে কৰ্ণই দুৰ্যোধনক কৈ থাকিল, "দুৰ্যোধন, তেমাৰ পৰাক্ৰমৰ যিমানেই প্ৰশংসা কৰা যাওক, কম হ'ব। তোমাৰমান শূৰ-বীৰ ত্ৰিজগতত বিচাৰি পাবলৈ নাই।"

কিন্তু কৰ্ণৰ মিছা প্ৰশংসাৰে দুৰ্যোধন ভোল নগ'ল। দুৰ্যোধনে কম্পিত কণ্ঠেৰে যুদ্ধক্ষেত্ৰত হোৱা দুৰ্ভাগ্যজনক ঘটনাৰ পৰিপূৰ্ণ বিবৰণ কৰ্ণক ক'লে আৰু তাৰ পাছত মন্তব্য কৰিলে:

"মই যুদ্ধত গন্ধৰ্বহঁতৰ বিৰুদ্ধে বিজয়ী হ'ব পৰাহেঁতেন ত্ৰিজগতত‌েই মোৰ নামত জয়গীতি গোৱা হ'লহেঁতেন, মই কীৰ্তিমান হ'লোহেঁতেন, বীৰস্বৰ্গ লভিলোহেঁতেন। কিন্তু নহ'ল। যি হ'ল — অপমানৰ গধুৰ বোজা কঢ়িয়াবলগা হ'ল। এনেহেন অপমানৰ বোজা কঢ়িয়াই কঢ়িয়াই মই হস্তিনাপুৰলৈ যাবলৈ সংকোচবোধ কৰিছোঁ। পিতাশ্ৰী, দ্ৰোণ, কৃপাচাৰ্য্য, অশ্বত্থামা প্ৰমুখৰ সমুখত মুখ উলিয়াব নোৱৰা হৈছোঁ। যুদ্ধক্ষেত্ৰত হোৱা ঘোৰ অপমানৰ কথা মইনো কাক কেনেকৈ ক'ম? মই গভীৰভাৱে এই কথা ভাবি চাইছোঁ যে—একমাত্ৰ আত্মঘাতেইহে মোক এনেহেন অপমান-অসন্মানকৰ জীৱনৰপৰা মুক্তি দিব পাৰে। তোমালোক হস্তিনাপুৰলৈ গৈ থাকা, মই নিশ্চয়েই প্ৰাণত্যাগ কৰিম। দুঃশাসনক

'দুৰ্যোধনৰ আতিথ্য-কৌশল'



মুকুট-বিভূষিত কৰাঁ, তোমালোক সৱে মিলি ৰাজ্য-ভাৰ চম্ভালা, সুশাসন কৰাঁ।" এই বুলি কৈ, দুঃশাসনক আঁকোৱালি লৈ, দুৰ্য্যোধনে চকুলো বোৱাবলৈ ধৰিলে, আৰু দুঃশাসনেও অশ্ৰু-সম্বৰণ কৰিব নোৱাৰিলে।

এই দৃশ্য দেখি কৰ্ণই কটুৰ কণ্ঠেৰে ক'লে, "তোমালোক উভয়েই শোক-পালন কৰিছানে ? কান্দিলে কল পোৱাৰ দিন কিন্তু আৰু নাই । প ণ্ডৱে তোমালোকক গন্ধৰ্বহঁতৰপৰা মুক্ত কৰি অনাত কিয়নো অপমান পাব লাগে ? ৰাজ্যহাৰা পাণ্ডৱহঁত এতিয়া তোমালোকৰ প্ৰজা । তোমালোকৰ সেৱা—অন্য ৬.ন্য প্ৰজাৰ দৰে পাণ্ডৱহঁতৰো ধৰ্ম । তোমালোকে যেতিয়া পাণ্ডৱহঁতক ৰাজ্যহাৰা কৰি বনবাসলৈ পঠাইছিলা, পাণ্ডৱহঁত কিবা আত্মঘাতী হৈছিলনে ? তেনেহ'লে—তুমি কিয় আত্মঘাতী হ'বা ?"

শকুনিয়ে দুৰ্য্যোধনক সান্ত্বনা প্ৰদান কৰিবলৈ চেষ্টা দিলে আৰু ক'লে, "মই পাশতিৰে পাণ্ডৱৰ সৰ্বস্ব কাঢ়ি লৈ তোমাক যে প্ৰদানিলোঁ, সেইবোৰ—হে দুৰ্য্যোধন—তুমি ধূল্যৱলুণ্ঠিত কৰিবানে ? এইবোৰ-এনেবোৰ অৰ্থহীন অৰ্থন্তৰীয়া চিন্তা এৰি আনন্দসাগৰত উটি জীৱনৰ মহাসুখ উপভোগ কৰাঁ।"

কিন্তু এইবোৰ কথাই দুৰ্য্যোধনৰ অন্তৰৰ খেদ-বহ্নিক নুমাব নোৱাৰিলে । দুৰ্য্যোধনে বৃক্ষ-বল্কল পৰিধান কৰি ইহ-জগতৰপৰা বিদায় লোৱাতে মনোনিবেশ কৰিলৈ।

তেতিয়া, পাতাল-লোকত থকা দানৱসকলে অগ্নিজাত শক্তি কৃত্যাক দুৰ্য্যোধনৰ ওচৰলৈ প্ৰেৰণ কৰি দুৰ্য্যোধনক পাতালপুৰীলৈ লৈ আহিল। দানৱসকলে দুৰ্য্যোধনক ক'লে, "হে দুৰ্য্যোধন, তুমি মান্যমান ক্ষত্ৰিয় হোৱা সত্বেও কিয়নো আত্মঘাতী হোৱাৰ বাট লৈছা ? ঈশ্বৰৰ বৰপ্ৰাপ্ত তোমাৰ দেহ বজ্ৰাদপি কঠিন, আৰু তোমাৰ দেহৰ নিম্নাঙ্গ আমাৰেই সৃষ্ট । তুমি সাধাৰণ মানৱ নহয়, দেৱতাৰ সমান। যুদ্ধত তোমাৰ হৈ যিবোৰে শত্ৰু-নাশ কৰিছিল, সেইবোৰ আমাৰেই অংশ। তোমাৰ সহচৰ কৰ্ণ হ'ল আমাৰ নৰকাসুৰৰ অংশীভূত। এতেকে—আত্মঘাতৰ চিন্তা বিসৰ্জি আত্মোন্নতিৰ চিন্তাতে ৰত হোৱাঁ, সেই দিনলৈ বাট চাই থাকাঁ, যিদিনা পাণ্ডৱহঁত তোমাৰ হাতত দুঃখপ্ৰদভাবে হ'ব পৰাজিত।" এই ধৰণে নানান ধৰণৰ সান্ত্বনা-বাক্যেৰে প্ৰবোধ

দান কৰি দানৱসকলে দুৰ্য্যোধনক পুনৰ ভূলোকলৈ প্ৰেৰণ কৰিলে।

আৰু এইবাৰ মন-বলী দুৰ্য্যোধনে মহা প্ৰয়োভৰৰে সদলে হস্তিনাপুৰলৈ বুলি যাত্ৰা কৰিলে।

তাৰ পাছত এদিন পৰিপূৰ্ণ ৰাজসভাত ভীষ্মই দুৰ্য্যোধনক ক'লে, "আমি নিষেধ কৰা সত্বেও ঘোষ-যাত্ৰাৰ আঁৰ লৈ কাম্যকবনলৈ গৈ অকাৰণে গন্ধৰ্বসৰৰ বিৰুদ্ধে অস্ত্ৰ ধাৰণ কৰি পৰাজয় আৰু অপমানক আহ্বানি ল'লা। ধৰ্মৰাজে কৌৰৱৰ গৌৰৱ ৰক্ষা কৰিলে, উদাৰ মৰমৰে তোমালোকক ওভোতাই পঠালে। কৰ্ণৰ কুযুক্তিৰে চালিত হৈ এনেহেন অপাৰ মৰম দলিয়াই পেলাই তোমালোকে পাণ্ডৱসকলৰ সৈতে শত্ৰুৰ পাৰিলা! যিজন কৰ্ণ তোমালোকে তোমালোকৰ হিতাৰ্থী বুলি জানিছিলা, গন্ধৰ্বসৰৰ সৈতে যুদ্ধকালত সেই হিতাৰ্থীয়ে কিন্তু যুদ্ধক্ষেত্ৰত বিপদ গমি যুদ্ধক্ষেত্ৰ এৰি পলাইছিল। মই কওঁ, এতিয়াও সময় উকলি যোৱা নাই। পাণ্ডৱসকলৰ সৈতে স্নেহ-সম্পৰ্ক স্থাপনৰ সময় এতিয়াও আছে, সময় পূৰ্ণৰূপে পাৰ হৈ যোৱা নাই।"

ভীষ্মৰ কথা শুনি দুৰ্য্যোধনে হো হো কৰে হাঁহি উঠিল, আৰু কৰ্ণ, শকুনি, দুঃশাসন আদিক লগত লৈ ৰাজসভাৰপৰা ওলাই গ'ল।

ভীষ্মৰ কথাত কৰ্ণই আপমানিত-লজ্জিত হৈ অধোবদন হৈছিল। এতিয়া কৰ্ণই দুৰ্য্যোধনক কৈ থাকিল, "ৰাজন্! মোক সৈন্যবকাহিনী দিয়াঁ, মই দিগ্বিজয়লৈ ওলাওঁ। ভীম, অৰ্জুন, নকুল, সহদেৱে মিলি যিমান দেশলৈ আপোন

আধিপত্য বিস্তাৰ কৰিলে, মই তাতোকৈ অধিক দেশলৈ আধিপত্য বিস্তাৰ কৰিব পাৰিম। আৰু এই কাৰ্য্যৰ যোগেদি মই মোৰ শক্তি-সামৰ্থ্যৰো দেখ দেখ প্ৰমাণ দাঙি ধৰিবলৈ সক্ষম হ'ম।" দুৰ্য্যোধনে কৰ্ণক সহজভাবেই সন্মতি প্ৰদান কৰিলে।

কৰ্ণও অনতিপলকে সসৈন্যে ওলাই পৰিল। তেওঁ উত্তৰপ্ৰান্তীয় অঙ্গ, আৰু দক্ষিণপ্ৰান্তীয় অনেকানেক ৰাজ্যও জয় কৰি কৰাধীন কৰিলে আৰু তাৰ পাছত সগৌৰৱে পুনৰ হস্তিনাপুৰ পালেহি।

দুৰ্য্যোধনে কৰ্ণলৈ অভিনন্দন জ্ঞাপন কৰিলে আৰু ক'লে, "ভীষ্ম, দ্ৰোণ, ব্ৰাহ্নিক প্ৰমুখ কিমান যে শূৰ-বীৰ মোৰ পক্ষাৱলম্বী, কিন্তু তোমাৰমান কোনো নহয়। তুমিয়েইহে



মোৰ সঁচা মিত্ৰ, শঠা-মিত্ৰ নহয়। তুমি জগতত অদ্বিতীয়।"

কৰ্ণই দিগ্বিজয় কৰি অহাত ৰাজসূয় যজ্ঞ পতাৰ আয়োজন কৰা হ'ল। কিন্তু যজ্ঞৰ পৌৰোহিত্যত নিযুক্ত কৰা ঋত্বিজসৰে ক'লে, "এই যজ্ঞা সদ্যহতে অসমীচীন, পাণ্ডৱসকলক পৰাজিত কৰাৰ পাছতহে এই যজ্ঞ পতাৰ অধিকাৰ হ'ব। কিয়নো পাণ্ডৱসকল জীয়াই থকাকালত চক্ৰৱৰ্তী হোৱাৰ অধিকাৰ আপোনাত নাই। পিছে—ৰাজসূয়যজ্ঞৰ সমান আন এক যজ্ঞানুষ্ঠান কৰিব পাৰে—সেই যজ্ঞ হল বৈষ্ণৱযজ্ঞ।"

ঋত্বিজসকলৰ কথাত কৰ্ণ শকুনি আৰু দুৰ্যোধনো সন্মত হ'ল। নগৰৰ বাহিৰত যজ্ঞথলী নিৰ্মিত হ'ল। তেতিয়া পাণ্ডৱসৱ আছিল দ্বৈতবনত। দুৰ্যোধনে কটকী পাঠিয়াই পাণ্ডৱসকললৈ নিমন্ত্ৰণ জ্ঞাপন কৰিলে।

ধৰ্মৰাজে কটকীক ক'লে, "এয়া বৰ গৌৰৱৰ কথা যে আমাৰ ভ্ৰাতা দুৰ্যোধনে যজ্ঞ পাতিছে। কিন্তু বনবাসকালত আমি হস্তিনাপুৰলৈ গৈ যজ্ঞলৈ যোগদান কৰোঁগে যদি—আমাৰ বনবাস ভংগ হৈ যাব। গতিকে—এই নিমন্ত্ৰণ-ৰক্ষা আমাৰ পক্ষে সম্ভৱ নহয়।"

দুৰ্যোধনে বৈষ্ণৱযজ্ঞ সফলতাৰে সম্পন্ন কৰিলে। কৰ্ণই দুৰ্যোধনক ক'লে, "অনাগত যুদ্ধত মই পাণ্ডৱসকলক মৃত্যুলোক পোৱাম আৰু তোমাৰদ্বাৰা ৰাজসূয়যজ্ঞ অনুষ্ঠিত কৰাম। মই মোৰ কথাত ৰওঁনে নৰওঁ—জগতে চাই থাকক।"

অতঃপৰ—দিন-মাহ-বছৰ বাগৰি বাগৰি পাণ্ডৱৰ বনবাসৰ কাল অতিক্ৰান্ত হ'ল। ধৰ্মৰাজে স্বস্তি পালে, কিন্তু ভাবিলে যে এই অথন্তৰৰ গুৰিত আছে পাশতি খেলিবলৈ যোৱাৰ নিৰ্বুদ্ধিতা, যি-নিৰ্বুদ্ধিতাৰ প্ৰকাশ আন ধৰণে আকৌ কেতিয়াবা হ'ব পাৰে। কি হ'ব পাৰে—অনাগত ভৱিষ্যতেহে ক'ব পাৰিব। কৰ্ণই যে পাণ্ডৱসকলক বধি দুৰ্যোধনক ৰাজসূয়যজ্ঞ পাতিবৰ দিহা কৰি দিব—সেই কথায়ো ধৰ্মৰাজক চিন্তিত কৰি তুলিছিল।

এদিন ব্যাসদেৱ ধৰ্মৰাজৰ সৈতে সাক্ষাৎ কৰিবলৈ কাম্যকবনলৈ আহিল। ব্যাসদেৱে সকলো পাণ্ডৱক অতি খীণাই যোৱা দেখা পালে। তেওঁ পাণ্ডৱসকলক ক'লে যে ত্ৰয়োদশ বৎসৰৰ বনবাস-অজ্ঞাতবাসৰ নিয়ম যথাৰূপে

পালনৰ অন্তত তেওঁলোকে তেওঁলোকৰ ৰাজ্য ফিৰাই পাব।

আৰু তেতিয়াৰপৰা নিশ্চিন্তে-নিৰ্বিঘিনিৰে ৰাজ্য-শাসনৰ প্ৰতি, তথা প্ৰজা-পালনৰ প্ৰতি মনোনিৱেশ কৰিব পাৰিব।

ব্যাসদেৱৰ সুকথা শুনি পাণ্ডৱসকল প্ৰীত হ'ল, আৰু তেওঁলোকে ব্যাসদেৱৰপৰা অনাগত ভৱিষ্যৎ-ভৱিতব্যৰ বিষয়ে আৰু বহুবিধ প্ৰশ্ন কৰি সদুত্তৰ লভিলে।

বনবাসী পাণ্ডৱসকলে বনবাসকালত নানান আলৈ-বিলৈ ভূঞ্জি থকা সত্বেও দুৰ্য্যোধন, শকুনি, কৰ্ণ আদিয়ে পাণ্ডৱসকলক অধিক আলাই-আথানি কৰালৈ গভীৰভাৱে চিন্তা-চেষ্টা কৰিছিল।



ঠিক সেইকালছোৱাতে দহ সহস্ৰ শিষ্যৰ সৈতে মহামুনি দুৰ্বাসাই হস্তিনাপুৰ পালেহি। ক্ৰোধী-স্বভাৱৰ দুৰ্বাসামুনিৰ আতিথ্যত চিকুটপৰিমাণৰ ত্ৰুটি ঘটিলেও তেওঁ অভিশাপ দিয়ে। গতিকে—এই বিষয়ত—অৰ্থাৎ দুৰ্বাসা মুনিৰ বিষয়ত দুৰ্য্যোধন আছিল সদা-জাগৰূক।

দুৰ্বাসামুনিয়ে বহুভাৱে দুৰ্য্যোধনৰ পৰীক্ষা ল'লে। দুৰ্বাসাই দুৰ্য্যোধনক ক'লে, "হে ৰাজন্! মই ক্ষুধাৰ্ত। এহিক্ষণ ভোজনৰ আয়োজন কৰিব লাগে। মই স্নান সমাপন কৰি আহোঁগৈ।" এই বুলি কৈ, স্নানাদিলৈ ওলাই, বহু সময়ৰ অন্তত উভতি আহি মহামুনি দুৰ্বাসাই দুৰ্য্যোধনক ক'বহি, "মোৰ ক্ষুধা নোহাৱা হ'ল।"

এবাৰ দুৰ্বাসামুনিয়ে দুপৰ ৰাতিৰ পৰতে কৈ উঠিল, "আমি বৰ ভোকাতুৰ হৈ পৰিছোঁ।" যেতিয়া আহাৰৰ আয়োজন কৰা হ'ল—তেতিয়া দুৰ্বাসামুনিয়ে কোৱা হ'ল—"আমাৰ মাজত কোনো ভোকাতুৰ হৈ থকা নাই।" কেতিয়াবা আহাৰ্য্যবস্তু বিসোৱাদ—এই অভিযোগ উত্থাপন কৰি দুৰ্যোৰ ক্ৰোধী দুৰ্বাসা মুনিয়ে আৰু তেওঁৰ শিষ্যসকলেও আহাৰ নকৰাকৈয়েই গুচি গৈছিল।

এইদৰে, দুৰ্বাসামুনিয়ে দুৰ্য্যোধনক বহু ধৰণে উতঙাইছিল, কিন্তু তথাপি দুৰ্য্যোধনে তেওঁৰ সাধ্যমতে দুৰ্বাসামুনিক সেৱিছিল।

এদিন দুৰ্বাসামুনিয়ে দুৰ্য্যোধনক ক'লে, "ৰাজন্! তোমাৰ সেৱা-যত্নেৰে মই অতিশয় পৰিতুষ্ট হৈছোঁ। এতেকে— তোমাক কি লাগে কোৱাঁ।"

দুৰ্বাসামুনিয়ে যে তেওঁক অভিশাপ দিয়া

Sankar

নাছিল, দুৰ্য্যোধনে সেই কথাকে বহুত বুলি মানিছিল। এতিয়া, ক্ৰোধী কিন্তু অতিশয় ক্ষমতাশালী দুৰ্বাসামুনিয়ে এই কথা সোধাত—দুৰ্য্যোধনে কৰ্ণ, শকুনি, দুঃশাসনাদিৰ সৈতে আলচি-বিলচি আহি মহামুনি দুৰ্বাসাক ক'লে, "হে মহাত্মা, পৰম ধৰ্মাত্মা ধৰ্মৰাজ অৰণ্যত আছেগৈ। তেওঁৰ সৈতে তেওঁৰ ভ্ৰাতৃসৰ, পত্নী আৰু অনেক ব্ৰাহ্মণো আছে। তেওঁলোকৰ আহাৰাদি যেতিয়া সমাপ্ত হ'ব, তেতিয়া আপুনি তালৈ যাব আৰু আতিথ্য গ্ৰহণ কৰিব বুলি ক'ব। মই আপোনাৰপৰা এহি বৰ প্ৰাৰ্থিছোঁ।"

দুৰ্য্যোধনৰ প্ৰস্তাৱত দুৰ্বাসামুনি সন্মত হ'ল আৰু শিষ্যসকলক লগত লৈ কাম্যকবনলৈ বুলি ওলাল, আৰু এই কথাত দুৰ্য্যোধনে তিনি টিলিকি মাৰি ঘটমান ঘটনাৰ কথা, পাণ্ডৱহঁতে দুৰ্বাসাৰপৰা যি থেকেচা খাব, তাৰ কথা ভাবি বিভোল হ'ল।

দুৰ্য্যোধনে শকুনি, দুঃশাসন আদিক ক'লে, "এইবাৰ — এইবাৰ পাণ্ডৱে অবশ্যেই দুৰ্বাসামুনিৰ শাপত পৰিব আৰু যিখিনি শেষ-সৰ্বনাশ বাকী আছিল—সেই সৰ্বনাশ নিশ্চয়েই হ'ব। আৰু এইবাৰ—এইবাৰ দীৰ্ঘকালৰ অন্তত আমাৰ মনোবাঞ্ছা পূৰিব।"

এদিন কাম্যকবনত দ্ৰৌপদীয়ে তেওঁৰ পতিসকলক, ব্ৰাহ্মণসকলক খুৱাই, আৰু নিজেও খোৱা-লোৱাৰ অন্তত আজৰি হৈ শুই আছিল। ঠিক তেতিয়াই দহসহস্ৰ শিষ্যৰে সৈতে মহামুনি দুৰ্বাসা তালৈ গ'ল। ধৰ্মৰাজে আৰু তেওঁৰ ভাতৃসৱে দুৰ্বাসামুনিলৈ সুস্বাগত জ্ঞাপন কৰিলে আৰু দুৰ্বাসামুনিক পাদ্যাৰ্ঘ্যেৰে পূজা কৰাৰ অন্তত ক'লে, "হে মহাত্মন্! আপুনি দয়া কৰি সশিষ্য আমাৰ আতিথ্য গ্ৰহণ কৰি আমাক ধন্য কৰক।"

এই মহাৰণ্যত তেওঁক আৰু তেওঁৰ দহো সহস্ৰ শিষ্যক পাণ্ডৱসকলে কেনেকৈ কি আহাৰ্য্য দিব পাৰিব—তাৰ চিন্তামাত্ৰো নকৰাকৈ দুৰ্বাসাই পাণ্ডৱৰ আতিথ্য স্বীকাৰিলে, আৰু পাছ মুহূৰ্ত্ততে মহামুনি দুৰ্বাসাই অন্য কোনো বাক্যালাপ নকৰিয়েই সশিষ্য গঙ্গাস্নানলৈ বুলি খোজ ল'লে।

আৰু ইমান অসংখ্য মানুহৰ বাবে কেনেকৈ কি আহাৰ্য্য ক'ৰপৰা পোৱা যাব—সেই কথা একোপধেোই ভাবি উলিয়াব নোৱাৰি—দ্ৰৌপদীয়ে কৃষ্ণক সুঁৱৰিলে। [আগলৈ

চান্দমামাৰ লম্বা–কথা

বৰদিনৰ বৰপুত্ৰ নহয়—বৰ-পত্ৰ

কেৰল ৰাজ্যৰ শ্ৰীমতী লেখা এছ বাবু নামৰ এগৰাকী অধ্যাপিকাই তেওঁ কাম কৰা পঢ়াশালিৰ ব্যৱস্থাপকসকললৈ বৰদিনৰ শুভেচ্ছাৰে নিমন্ত্ৰণী পত্ৰ পঠালে । এই নিমন্ত্ৰণী-পত্ৰ পঠোৱাৰ প্ৰধান উদ্দেশ্য আছিল : যোৱা বছৰ এইখন পঢ়াশালিৰ এঘাৰজন বৰখাস্ত হোৱা কৰ্মীক পুনৰ চাকৰিত শ্ৰীমতী লেখা এছ বাবুৱে বৰখাস্ত কৰা কৰ্মীসকলক ক্ষমা-গুণেৰে পুনৰ কামত ল'বলৈ অনুৰোধ জনাইছিল। অৱশ্যে এই নিমন্ত্ৰণী-পত্ৰৰ আৰু কিঞ্চিত বিশেষত্ব আছিল। এই নিমন্ত্ৰণী-পত্ৰ ১১১ ফুট লম্বা, ১১ ফুট বহল। লেখাই লিখা এই লম্বা নিমন্ত্ৰণী-পত্ৰৰ ওজন আছিল ৮৭০ গ্ৰাম। দহ দিনত সৰ্বমুঠ ৫০ ঘণ্টাত লেখাই এই নিমন্ত্ৰণী-পত্ৰ প্ৰস্তুত কৰিছিল।

বাংকেক নহয়, লম্বা কেক

ইউনাইটেড আৰব এমিৰেটছৰ স্থাপনৰ ৰজতোৎসৱ উপলক্ষে এক বিৰাট লম্বা কেকপিঠা বনোৱা হৈছিল। এই কেকটো আছি ২.৫ কিল'মিটাৰ লম্বা, আৰু ওজনত ৭৪ টন। এই কেকটো কমেও ২০০,০০০ মানুহে খাব পাৰিব বুলি ভবা হৈছিল কিন্তু ৫০০০০ হেজাৰকো নাটিল।

এই লম্বাৰো লম্বা কেকটোক দুবাইৰ সাগৰপাৰত থোৱা হৈছিল আৰু তাতেই আনুষ্ঠানিকভাৱে কটা হৈছিল।

তাত গোটখোৱা জনতাই এই লম্বাৰো লম্বা কেকৰ বিষয়ে ইমানেই উৎসাহ দেখুৱাইছিল যে কটাৰ পাছত চকুৰ পচাৰতে ইমান লম্বা কেকৰ সামাইনমান টুকুৰা এটাও তাত বিচাৰি পোৱা নগৈছিল।

কিয়নো এই বাতৰিটো দাবানলৰ দৰে বিয়পি পৰিছিল যে এই লম্বা কেকটোৰ ভিতৰত ভালেমান সোণৰ মুদ্ৰা আৰু অনেক বেঞ্জ মটৰগাড়ীৰ চাবি ভৰাই থোৱা হৈছিল।

কেকটো বনাওঁতে ২৮ খন হোটেল-কৰ্মীয়ে পঁচিছ দিনলৈ দিনে-নিশাই শ্ৰম কৰিছিল। কেকটোত৩০৮০০ কিল'গ্ৰাম ফল, ৫৭০০ কিল' খেজুৰ, ৮৬০০ কিল' আটা, ৬৭,৩০০ কণী, এটনতকৈও অধিক ঘিউঁ আৰু জোখে-জোখাৰে শৰ্কৰ—মানে চেনি আছিল।

প্ৰলম্ব ৰেকৰ্ড

যোৱা বছৰত আমেৰিকাৰ সুবিখ্যাত অভিনেত্ৰী মাৰ্লিন মানৰোৰ সোঁৱৰণত উলিউৱা ডাক-টিকেট এবছৰত ৪৬,০০০,০০০ খন বিকিল।

১৯৯৩ চনত বিখ্যাত পপ-গান গাওঁতা এলভিছ প্ৰিছলিৰ নামত উলিউৱা ডাক-টিকেট তিনি বছৰত ১২৪,০০০,০০০ খন বিক্ৰীত হৈছিল।

ডাক-টিকেট বিক্ৰয়ত এতিয়ালৈকে এয়ে সৰ্বাধিক লম্বা ৰেকৰ্ড বুলি জনা গৈছে।

চান্দমামা
ক্রোড়পত্র
১০১

আমাৰ দেশৰ
শোভা

মজবুত পুৰণিদিনীয়া কোঁঠ

দিল্লী নামৰ নগৰখনৰ সোঁমাজতে ক'ৰবাত পাণ্ডৱসৱৰ নিবাসস্থল আছিল বুলি অনুমিত। দিল্লী নগৰখনৰ সোঁমাজত এক পুৰণিদিনীয়া কোঁঠ অদ্যাপি বিদ্যমান। ১৫৩৩ খৃষ্টাব্দত দ্বিতীয় মোগল-বাদশ্বাহ হুমায়ুঁৰ (হুমায়ুন) আমোলত এই কোঁঠ 'দীনপন্না' নামেৰে জনাজাত আছিল। তেওঁৰ পাছত বাদশ্বাহ হ'ল শ্বেৰশ্বাহ শুৰী। শ্বেৰশ্বাহই এই কোঁঠৰ চাৰিওফালে আৰু অনেক অট্টালিকা সাজি লৈছিল, আৰু এই কোঁঠটোক নিজস্ব কোঠাৰূপে ব্যৱহাৰ কৰিছিল। তেৱেঁই আছিল দিল্লী নগৰীৰ ষষ্ঠ-নিৰ্মাতা। ১৫৪০-১৫৪৫ চনৰ মাজভাগত এই কোঁঠটোক শ্বেৰশ্বাহই অধিক মজবুত কৰি গঢ়ি লৈছিল, আৰু এই কোঁঠৰ ভিতৰত 'কিল্লা-ই-কুন্হা' নামৰ মছজিদ সাজিছিল। এই কোঁঠত সোমাবলৈ কোঁঠৰ ওখ প্ৰাচীৰৰ সমুখত বিধোবিধ বিচিত্ৰ জন্তুৰ প্ৰদৰ্শন-শালা পৰিলক্ষিত হৈছিল। পুৰাতাত্ত্বিকসকলে এই কোঁঠ খান্দি শিলৰ মূৰ্তি, ৰন্ধনকাৰ্য্যৰ বাচন-বৰ্তন পোৱা হৈছে, যিবোৰৰপৰা এই স্থানৰ ইতিহাসৰ তথা সংস্কৃতি-সভ্যতাৰ বয়স দুহেজাৰ বছৰৰো আগৰ বুলি স্বীকৃত হৈছে।



© 1997 UBC Feature World. All rights reserved

জৈগীষত্য

শোভাময় অৰণ্যপ্ৰান্তৰ এক পাহাৰৰ নামনিত দেৱল নামৰ এগৰাকী মুনিৰ আশ্ৰম আছিল। মুনিবৰ তাত সশিষ্য থাকিছিল। এদিন সেই আশ্ৰমলৈ এজন আলহী আহিল। আলহীজনৰ নাম জৈগীষত্য।

দেৱল আৰু তেওঁৰ শিষ্যসৰ অতি শ্ৰদ্ধাৰে আলহী জৈগীষত্যৰ আলপৈচান ধৰিবলৈ সক্ষম হৈ থাকিল। কিন্তু আলহী জৈগীষত্যৰ প্ৰয়োজন অতি সীমিত আছিল। জৈগীষত্য আছিল সদা-প্ৰশান্ত সদা-হাঁহন্ত। কদাপি তেওঁৰ মুখমণ্ডলত চিন্তাৰ সামান্যতম আভাসো দেখা নগৈছিল।

এদিন আলহী জৈগীষত্য তপস্যামগ্ন হৈ থাকোঁতে দেৱলমুনি স্নান সমাপিবলৈ সমুদ্ৰলৈ গ'ল। তাত দেৱলমুনিয়ে জৈগীষত্যয়ো স্নান কৰি থকা দেখা পালে। দেৱলমুনিয়ে ভাবিলে যে আলহী জৈগীষত্যই সমুদ্ৰলৈ অহাৰ চমু বাট জানে, আৰু সেইহে তেওঁ অহাৰ আগতেই সমুদ্ৰলৈ আহিব পৰা হ'ল। কিন্তু স্নানাদিৰ পাছত মুনিয়ে আশ্ৰমলৈ উভতি আহিল আৰু তাতো জৈগীষত্যক তপস্যামগ্ন হৈ থকা দেখা পাই দেৱলমুনিয়ে তৰধ মানিলে।

পাছদিনা দেৱলমুনি আন এগৰাকী মুনিৰ আশ্ৰমলৈ গ'ল, আৰু তাতো জৈগীষত্যক দেখা পালে। আৰু তাৰ পাছৰপৰাদেৱলমুনিয়ে জৈগীষত্যৰ নাম মনত ভবামাত্ৰেই য'তে ত'তে জৈগীষত্যক দেখা পাবলৈ ধৰিলে।

তেতিয়া দেৱলমুনিয়ে এদিন জৈগীষত্যকে এই বিচিত্ৰ বিষয়ৰ ৰহস্য কি—সোধাত জৈগীষত্যই এই বিষয়ত তেওঁৰ অজ্ঞতাহে প্ৰকাশ কৰিলে।

তাৰ পাছত দেৱলমুনিয়ে বহুতকে এই বিচিত্ৰ বিষয়ৰ কথা বিবৰি তাৰ ৰহস্যৰ সমিধান বিচাৰিলে ; কিন্তু কোনেও দেৱমুনিৰ প্ৰশ্নৰ সঠিক সমাধান দিব নোৱাৰিলে। অতঃপৰ, এদিন এগৰাকী মহান ব্যক্তিয়ে দেৱলমুনিক ক'লে, "এই সৃষ্টি-চৰাচৰত ব্ৰহ্মত্ব পৰিব্যাপ্ত। সৰ্বত্ৰ সৰ্ববস্তু ব্ৰহ্মত্বতে এক হৈ আছে, ব্ৰহ্মত্বৰ বাহিৰে একো নাই। জৈগীষত্যই সৰ্বইন্দ্ৰিয়বিজয়ী হৈ ব্ৰহ্মত্ব লাভ কৰাহেতুকে ব্ৰহ্মস্বৰূপ জ্ঞানত লীন হৈ আছে বুলি সকলোতে পৰিব্যাপ্ত হৈ সদায় সকলোতে দৃশ্যমান হৈছে। আৰু এই কাৰণেই জৈগীষত্য সৰ্বভূতেষু হৈ সৰ্বহৃদয়ত অধিষ্ঠিত।"



জ্ঞান-নাজ্ঞান

ন-বছৰৰ নধৰ-নপৰ

য়্যুমাছ হ'ল স্যুইজাৰল্যাণ্ডৰ সৰুকৈ এখন গাঁও। ইয়াত প্ৰতি বছৰৰ জানুৱাৰিমাহৰৰ তেৰ তাৰিখৰ দিনা ন-বছৰৰ উছৱ পতা হয়। সেই দিনা গাঁৱৰ ভালেমানেই গছ-বিৰিখৰ দৰে সাজ পিন্ধে, নধৰ-নপৰ লগাই দিয়ে, নাচি-নাচি ঘৰে ঘৰে যায়, ন-বছৰৰ বিহু গায়, নানান ৰং-ধেমালিৰ অন্তত ওভতে। কিছুমানে গছৰ বাকলিৰে বনোৱা সাজ পিন্ধে, কিছুমানে কেৱল ঘাঁহ-পাতো পিন্ধি জগতখনৰ প্ৰথমৰ দিনৰ কথা আজিৰ মানুহ-মুনিহক সোঁৱৰায়।

ইন্দ্ৰধনু

গন্ধ-অধিৱাসৰ খবৰ

এডাল ধূপকঠী জ্বলালেই সৰু কোঠা এটা গোন্ধেৰে ম-ম কৰে। এইবিধ ধূপ-কাঠী দেৱ-দেৱীৰ মূৰ্তিৰ বা চিত্ৰৰ আগত জ্বলাই থোৱা হয়, বিশেষকৈ পূজা কৰোঁতে ভাৰতৰ মুঠমাঠ ৪,৯৮,০০০ পৰিয়ালে প্ৰতি বছৰ কমেও ৭১০ কোটি টকা ধূপ-কাঠীতে খৰচ কৰা হয়। গোলাপ, চন্দন, চামেলী আদি নানান গন্ধেৰে এইবোৰ ধূপৰ কাঠী বনোৱা হয়। সদ্যহতে 'মচিলাছ মকৰন্দ' নামৰ বিৰিখৰ সহায়তো ধূপকঠী বনোৱা হৈছে। আজি-বগলি নিৰ্য্যাসৰ ইউৰোপেও এই সুগন্ধিত কাঠী আদৰা হৈছে। আধুনিক সুগন্ধিৰ ক্ষেত ফৰাছিদেশ সৰাতোকৈ আগবঢ়া।

আৰোগ্য-সূত্ৰ

পানীলগা বেমাৰে গুৰুচৰণক যেনিবা গবা মাৰিয়েই ধৰিলে। হাঁচি-হামি-কাহ তো জীৱনৰ লগৰীয়েই হৈ উঠিছে, গাত সদা-সৰ্বক্ষণেই জ্বৰ-জ্বৰ ভাবে বাহ লৈছে, চকুৰপানী-নাকৰ পানীও এক হৈ পৰিছে। আৰু ভূতৰ ওপৰত দানহ পৰাদি মূৰ-কামোৰণি, হাওঁফাৱৰ টিপটিপনি—নাকত ঠিলা-কাণত তলা—কি নাই। খাৱন-লৱন উঠন-বহন কহন-ৰহনো মুঠমাঠ চলি আছে—কিন্তু গুৰুচৰণৰ মন—বৰকৈ ভাগি পৰিছে।

বহুদিন ধৰি—হওঁতে—কেইবামাহো ধৰি এইবোৰ বেমাৰীয়া উৎপাত সহি সহি জলাকলা দেখি এদিন গুৰুচৰণে গাঁৱৰে বৈদ্য বৈদ্যনাথ কবিৰাজৰ ওচৰলৈ যাবলৈ ধীৰে-সুস্থিৰে খোজ বঢ়ালে।

কিছুখিনি বাট যোৱাৰ অন্তত গুৰুচৰণ ভাগৰি পৰিল, আৰু জিৰণি ল'বলৈ এঠাইত বহিল। গাঁৱৰ চিনাকিহঁতে গুৰুচৰণৰ দীঘলীয়া অসুস্থতাৰ কথা শুনি সমবেদনা প্ৰকাশ কৰিলে, আৰু 'ভাল হৈ যাব' বুলি প্ৰায় সকলোটিয়েই ক'লে।

বৈদ্যনাথ বৈদ্যই গুৰুচৰণত কথা শুনি, পৰীক্ষা-নিৰীক্ষা কৰি কিছু সময় ধৰি ভবা-গুণা কৰি, মূৰ খজুৱাই, চকু মুদি থাকি—তাৰ পাছত তাপ মাৰি থকাৰ পাছত—দৰব দিলে আৰু ক'লে, "সাতদিনৰ দৰব দিলোঁ। এই সাতদিন ভালকৈ খোৱা-বোৱা কৰক আৰু যিমান পাৰে বিশ্ৰাম লওক।"

পানীলগা বেমাৰ ভাল হ'ল-কি-নহ'ল—হঠাৎ এদিন গুৰুচৰণে চৰণ এখনত মোচোকা খোৱা হ'ল। পৰিবাৰে কাপোৰ তপতাই সেঁকিলে, গাঁৱৰ বুঢ়ী এজনীৰ কথাত চূণ তপতাই লগালে, বিষবেথা-বেওঁচনীয়া-খোৱা আদি ভাল কৰা বেজে মন্ত্ৰ ফুকিলে, কিন্তু গুৰুচৰণে পুনৰ পাটীকে ল'লে। গুৰুচৰণৰ দুৰ্ভাগ্যৰ কথা জানি চুবুৰীয়াহঁতে চাবলৈ

মহেশভট্ট

আহিল, চাবলৈ আহি চাহ-তাহ খাই, বহু কথাৰ বুজ-বাজ লোৱাৰ অন্তত বুজনি দি, বেজাই দুখৰ প্ৰলেপ সানি গুচি যায়—আৰু গুৰুচৰণে একদেৰেই কেঁকায়।

এই ঘটনাৰ দহ দিনমানৰ পাছত গুৰুচৰণৰ কাণৰ ভিতৰত বিষ উঠিল, পেটৰ বিষ উঠিল, বুকুৰ বিষ উঠিল—আৰু—আৰু কত কি যে হৈ থাকিল। বৈদ্য বৈদ্যনাথে পুনৰ পৰীক্ষা কৰি চালে, ক'লে ভয় নাই। কিন্তু গুৰুচৰণে মনতে ভাবিলে, ভাৰসাও নাই।

এইদৰে, কেইছৰমান ধৰি বেমাৰৰ ৰাজত্ব চলি থাকিল গুৰুচৰণৰ দেহ-ৰাজ্যত। তাৰ পাছত এদিন—আন এখন ৰাজ্যত থকা—তাৰ খুলশালিয়েক হৰিশৰণ গুৰুচৰণৰ ঘৰলৈ আহিল। যথাৰৎ—গুৰুচৰণে তেওঁৰ জীৱনজোৰা বেমাৰৰ কথা খুলশালিয়েককো ক'লে আৰু কোৱাৰ অন্তত মন্তব্য কৰিলে, "বয়সেও ভাটি দিলে, বেমাৰেও আগুৰি ধৰিলে, চাউল টুটিবৰ হ'লেই কিজানি—"।

"কি যে কৈছা ভিনদেউ — তোমাৰনো কিমান বয়স হ'ল ? পঞ্চাছ হ'ল-কি-নহ'ল—তাকেই 'ভাটি দিয়া' বুলি ক'ব পাৰিনে ? শৰীল-স্বাস্থ্যৰ কথাত ইমান চিন্তিত হ'ব নালাগে।" হৰিশৰণে-গুৰুচৰণক বুজনিৰ বুজাই ক'লে।

"তুমি—কৈ দিলা, হৈ গ'ল। মোৰ বেমাৰৰ বিষ-বেথা মোৰ দেহাইহে জানিব। এইবোৰ বেমাৰ কেতিয়াও মোৰ দেহাৰপৰা নুগুচিব বুলিহে মোৰ ধাৰণা হৈছে।"

ভিনিহীয়েকৰ কথাৰ উত্তৰত হৰিশৰণে

ক'লে, "তাৰ মানে এয়া নহয় যে—তুমি বেমাৰ-আজাৰলৈ কেৰেপো নকৰিবা। বেমাৰ-আজাৰে দেহাক খুলি খায়, গতিকে মোৰ আজাৰক দূৰতে বিদূৰ কৰিব লাগে। পিছে— যদি দেহাক ব্যাধিমুক্ত ৰাখিবা, তেনেহ'লে — সুস্থতাৰ বাবে কিছুমান আৰোগ্য-সূত্ৰ মানি চলিব লাগিব, আৰু সেই সূত্ৰ এদিন-দুদিন নহয়, প্ৰতিদিনেই মানি চলিব লাগিব। প্ৰতিদিন যেনেকৈ ভাত-পানী খাব লাগে, ঠিক তেনেকৈ দেহাকো তাৰ যোগান লাগে — চাহিদা পূৰাব লাগে।"

"সেই আৰোগ্য-সূত্ৰনো কি ?"

ভিনিহীয়েকৰ প্ৰশ্নৰ উত্তৰত খুলশালিয়েক হৰিশৰণে ক'লে, "মই বাহিৰত কদাপি খোৱা-লোৱা নকৰোঁ, যি খাওঁ—ঘৰতে খাওঁ।



কেতিয়াও দন টানি নাখাওঁ, আৰু কাচিৎ-কেতিয়াবা অধিক খাওঁ যদি—পাছদিনা লঘোনত কটাওঁ। মই সদায় খোজ কাঢ়োঁ, নিজৰ কাম নিজেই কৰোঁ, কোনো কামতে খৰখেদা নকৰোঁ। কোনো কথাতে বৰ বেছি ভৰা-গুণা নকৰোঁ, সকলো কামতে ভগৱানলৈ ভাৰসা কৰোঁ। কোনোবাই মোৰ অনিষ্ট কৰিলেও মই তাৰ হোৰ তোলাৰ কথা কদাপি নাভাবোঁ, যিখিনি পাৰোঁ আনৰ উপকাৰহে কৰোঁ। মোৰ দৃষ্টিত—এইবোৰেই হ'ল শৰীৰ স্বাস্থ্য সুস্থ ৰখাৰ বাবে আৰোগ্য-সূত্ৰ।"

গুৰুচৰণে ক্ষন্তেকপৰলৈ মৌন হৈ থকাৰ অন্তত ক'লে, "যিবোৰ আৰোগ্য-সূত্ৰৰ কথা তুমি ক'লা, সেইবোৰ কিন্তু ময়ো পালি আছোঁ ; কিন্তু তথাপি যে বেমাৰবোৰে কিয় মোৰ লগ এৰা নাই—তাকেহে বুজি নোপোৱা হৈছোঁ।"

হিৰশৰণে ক্ষন্তেকপৰলৈ মৌন হৈ থকাৰ অন্তত ক'লে, "ভালকৈ ভাবি চোৱা ভিমদেউ, মই যিবোৰ আৰোগ্য-সূত্ৰৰ কথা ক'লোঁ, তাৰ মাজত কোনবোৰ তুমি পালন কৰা নাই।—আৰু তুমি যদি নিজে নিজৰ কথা ভাবি উলিয়াব নোৱাৰা, আন কাৰোবাক সোধা যে—তুমি কি কি কৰা, আৰু কি কি নকৰা।"

গুৰুচৰণে তেওঁৰ পৰিবাৰক সুধিলে, কিন্তু পৰিবাৰে গিৰিয়েৰ মনত খু-দুৱনিৰ সৃষ্টি নকৰিবলৈ আলাই-জাববীৰ ভাও দিলে। পুতেকক সোধাত—পুতেকেও পোনে-গুছিয়ে ডুব মাৰিলে। ঘৰৰ কাম-কৰা মানুহটোয়ো ইকথা-সিকথাৰ আঁৰত আঘিনি-বিঘিনি টুটা কথাবোৰ কোৱাৰপৰা ফালৰি কাটিলে।

এইবোৰ-এনেবোৰ চাই-চিঁতি হৰিশৰণে ক'লে, "এওঁলোকক সুধি লাভ নাই, এওঁলোক সঁচাৰ কাষেদিও যোৱাত নাই। তাতকৈ—ঘৰৰপৰা ওলাই গৈ চিনাকি-আধাচিনাকি আন কাৰোবাক সোধাগৈ। যাৰ শৰীল-স্বাস্থ্য ঠিক আছে—তেনেকুৱা কা'বাক সোধাগৈ। বয়স চাই আৰোগ্য-সূত্ৰৰ যে ইফাল-সিফাল হ'ব—সেই কথা দেখা কথা। গতিকে বয়সিয়াল কা'বাক সুধিলেহে ভাল।"

গুৰুচৰণে ভাবি ভাবিও একো-এটা উলিয়াব নোৱাৰি পুনৰ বৈদ্যনাথ বৈদ্যৰ কাষকে চাপিল আৰু তেওঁক সুধিলে, "কবিৰাজ ডাঙৰীয়া, আমাৰ গাঁৱৰ বয়সিয়ালসকলৰ

মাজত কাৰ শৰীল-স্বাস্থ্য অতি ভাল—দয়া কৰি মোক ক'বনে ?"

বৈদ্য বৈদ্যনাথ ডাঙৰীয়াই অকণো নভবা-নিচিন্তাকৈয়েই ক'লে, 'এইখন গাঁৱৰ বয়সিয়ালসকলৰ মাজত দধিৰামদেৱতকৈ উত্তম স্বাস্থ্যৰ কোনো লোক—মই জনাত দ্বিতীয় নাই। কিয়নো—মাত্ৰ এইজন লোকেই কেতিয়াও চিকিৎসাৰ বাবে মোৰ কাষ চপা নাই, বা দৰব-পাতিও লোৱা নাই।"

দধিৰাম ডাঙৰীয়াৰ বয়স ষাঠিৰ গাঁঠিত। ষাঠিতকৈও অধিক বুলি মানুহে কয়। কিন্তু এতিয়াও তেওঁ শালগছৰ দৰে পোন, এতিয়াও তেওঁৰ 'গাড়ী' বোলোঁতে 'ভৰি'। ৰাইজে কয় যে—দধিৰাম ডাঙৰীয়াক কোনেও কোনো-কাহানিও আনকি পানীলগা বেমাৰত পৰিবলৈকো নাই দেখা।

দধিৰাম ডাঙৰীয়াই গাঁৱৰে এখৰৰ বাৰাণ্ডাত বহি গাঁৱৰ মান্য-গণ্য কিছুমানৰ সৈতে মেল মাৰি আছিল। এনেতে এজনে দধিৰামক ক'লেহি, "সিদিনা গধূলি আমাৰ ঘৰলৈ তুমি নাহিলা কিয় ক'বানে ? ইমান সুন্দৰ-শুৱলা ৰামায়ণ-পাঠ হ'ল—অথচ তোমাৰ দেখাদেখি নাই—তুমি নহাত তোমাৰ নবৌৱেৰাই বৰ দুখ পাইছিল।"

"গ'লোহেঁতেন মই। কিন্তু কথা কি হ'ল জানা ?—মোৰ ইমান যে কাহ উঠিল ! ভাবি চোৱা, শুৱলা ৰামায়ণ পাঠৰ মাজত মই কাহুৰাই কাহি থাকিম—ভাল কথা হ'লহেঁতেননে ? পাছদিনা তুলসীপাতৰ ৰস নিমখৰে সৈতে তপতাই খালোঁ—তেহে ভাল



পালোঁ। যাবৰ মন আছিল মোৰো বৰ, কিন্তু নগ'লো যে — মোৰ ৰগৰ নহয় — কাহৰহে জগৰ।"

আন এজনেও ক'লেহি যে চুবুৰীয়া গাঁৱৰ বিয়া এখনত নিমন্ত্ৰিত হৈয়ো দধিৰাম ডাঙৰীয়াই নোযোৱা হ'ল।

আৰু এওঁকো দধিৰামে ক'লে যে—তেতিয়া তেওঁ চৰ্দিৰ প্ৰকোপত একেবাৰে জলা-কলা। পাছদিনা জালুকে-এদাই মিহলাই ৰস উলিয়াই দুই-তিনিদিনলৈ পি-খাইহে শান্তিৰপৰা মুক্তি।

এইবোৰ শুনি, তাত একাষৰীয়া হৈ থিয় হৈ থকা গুৰুচৰণে ভাবিলে : মোৰ বেমাৰখিনি দেখোন এওঁৰো আছে। পাৰ্থক্য ইমানেই যে—মই বৈদ্যই দিয়া দৰব-পাতি খাওঁ, আৰু

এওঁ ঘৰুৱা-বেজালি কৰে।

একে একে যেতিয়া সকলোটি ঘৰমুৱা হ'ল, তেতিয়া দধিৰামে গুৰুচৰণক সুধিলে, "তোমাকনো কি লাগে—?"

"মই—মই আপোনাৰ ষিয়ে খৰচি মাৰি জানিলৈহে আহিছোঁ। কওকচোন—আপুনি সঁচাকৈয়েই সদায় পানীলগা-কাহ আৰু অন্যান্য বেমাৰত ভুগিছেনে লোকক এনেয়ে কৈছে—?" গুৰুচৰণে সুধিলে।

"আৱশ্যকমতে মৌ-মিছা কোৱাত কোনো দোষ নেদেখোঁ। তুমি যে ভাবিছা যে—মই এইবোৰ বেমাৰৰ চিকাৰ, এই কথাত সঁচাৰ সঁচো নাই। মই জীৱনত কেতিয়াও বেমাৰত পৰি পাটী লোৱা নাই।" দধিৰামে ক'লে।

"কিন্তু—এতিয়াই কেইজনমানক দিয়া কথা ক'লে—মই যে নিজ কাণেৰে শুনিলো যে—সেইবোৰ বেমাৰ নহয়নো কি?"

"শুনা, দেহা যেতিয়ালৈকে থাকিব, সৰুসুৰা ইটো-সিটো-বহুতো বেমাৰ-আজাৰো হৈ থাকিব। কিন্তু ইবোৰ সৰুসুৰা বেমাৰ-আজাৰক ৰোগ-বিয়াধি বুলি ভাবিলেহে জীয়ন্তে মৰা যেন হৈ থাকিব লাগিব। দেহাও আছে, বেমাৰো আছে—এই কথা মানি লৈহে জীৱনৰ নৈ পাৰ হ'ব লাগে।"

দধিৰাম ডাঙৰীয়াৰ কথাৰ উত্তৰত গুৰুচৰণে দধিৰাম ডাঙৰীয়াক নমস্কাৰ কৰি ক'লে, "আপুনিয়েই মোৰ মনৰপৰা সন্দেহ-বিষৰূপী বেমাৰ গুচালে। আপোনাৰ আৰোগ্য-সূত্ৰ এয়ে যে—সৰুসুৰা কথাত যেনেকৈ দন্দ-বান্দ বচ-বাচ কৰিব নাপায়—সৰুসুৰা বেমাৰ-আজাৰতো গুৰুত্ব দিব নালাগে। মই ইমানদিন ধৰি তিলকে তাল বুলি ভাবি—সৰিয়হকে পৰ্বত বুলি ভাবি চিন্তাৰ অঠাই সাগৰত পৰি মিছাতে ককবকাই আছিলোঁ। আজিহে তাৰ অন্ত পৰিল।"

দধিৰাম ডাঙৰীয়াই মিঠাকৈ হাঁহিৰে ক'লে, "মূৰটো অলপ বিষাই আছে। এতিয়াই হনুমন্ত-জাঁপ এটি মাৰি দিলেই মূৰ কামোৰণিয়ে পলাই ফাট মাৰিব।" এই বুলি কৈয়েই হনুমন্ত-জাঁপেৰেই তেওঁ ঘৰৰ ভিতৰলৈ পলাই গ'ল।

এই ঘটনাৰ পাছৰপৰা গুৰুচৰণে সৰুসুৰা বেমাৰ-আজাৰলৈ ঘূৰিও চোৱা নাছিল, আৰু এইদৰে দেহ-মন্দিৰৰ পবিত্ৰতা ৰক্ষাৰ বাবে প্ৰকৃত আৰোগ্য-সূত্ৰ বিচাৰি পাইছিল।

আধা-অনীয়া সাধু

কোনোবাখন গাঁৱত ৰতন নামৰ দুখীয়াৰো দুখীয়া ডাল-দৰিদ্ৰ মানুহ এজন বাস কৰিছিল। ৰতনৰ মনত একমাত্ৰ ইচ্ছা আছিল : কিছুখিনি মাটি থকা কৃষক হ'ব, আৰু অন্য কৃষক।ৰে খেতি-বাতিৰ বস্তু হাটলৈ লৈ ২. :, হাটত বেচিব। কিন্তু ৰতনৰ মনৰ ইচ্ছা সপোন হৈ মনতে থাকিল, সপোন দিঠক নহ'ল।

তথাপি ৰতনে হাট কৰাৰ নিচা এৰিব নোৱাৰিলে। আৰু সি—তাৰ ওচৰত থকা এবস্তামান উনীসূতাকে লৈ এদিন হাটলৈ বুলি খোজ ল'লে।

ইপিনে—মগন নামৰ আন এজন মানুহেও ৰতনৰ দৰেই—হাবিৰপৰা কিবাকিবি গছৰ কেঁচা ফল বুটলি বস্তাত ভৰাই লৈ হাটলৈ লৈ আহিছিল—সেই ফলবোৰ বেচিবলৈ।

হাটলৈ সোমাই গৈ আন আন বেপাৰীৰ দৰে বস্তু-বেহানি মেলি লৈ বেচিবলৈ দোকান পাতিবৰ সাহস ৰতন বা মগনৰো নাছিল। গতিকে দুয়ো হাটৰ একাষত কষাকষিকৈ নিজৰ নিজৰ বস্তা লৈ থিয় হৈ থাকিল।

তাৰ পাছত—ৰতনে তাৰ বস্তাৰপৰা উনৰ সূতা উলিয়ালে আৰু মগনে তাৰ বস্তাৰপৰা বনৰীয়া ফলবোৰ মাটিত ঢালি দ'মাই থ'লে।

মগনে ৰতনৰ বস্তুলৈ চালে। ৰতনে ক'লে, "বঢ়িয়া উনীসূ া।"

মগনেও কে উঠিল, "মোৰো বঢ়িয়া। নিমৰ লৰ দৰে কিমান ডাঙৰ ফলবোৰ দেখিছানে ?"

মগনেই পুনৰ ক'লে, "আমি যদি আমাৰ মাজতে আমাৰ মালৰ কিনা-বেচা কৰোঁ—কেনে দেখা ?"

"উনৰ সলনি ফল ?" ৰতনে সুধিলে।

"এই ফল হ'ল—ফুগী ফল। তোমাৰ উনৰ সূতাতকৈ ঢেৰ ভাল বস্তু। যদি লোৱা, তেনেহ'লে—তোমাক এই ফুগী ফলখিনিৰ লগত আৰু আধা অনা ওপৰঞ্চি হিচাপে

'পঁচিছ বছৰৰ আগতে চান্দমামাত প্ৰকাশিত কাহিনী'

দিম।" মগনে ৰতনক ভাণ্ডি ক'লে।

তাৰ পাছত দুয়োৰো মাজত মালবস্তুৰ সলনা-সলনি হ'ল আৰু মগনে ৰতনৰপৰা বিদায় লৈ গুচি যাবলৈ খোজ ল'লে।

ৰতনে কৈ উঠিল, "কিন্তু—মোৰ প্ৰাপ্য সেই আধা-অনা নিদিলা যে?"

"ওঁ, ওঁ—দিম, নিশ্চয় দিম। পিছে—এতিয়া মোৰ ওচৰত এটা ফুটাকড়িও নাই। চিন্তা নকৰা, মই আধা-অনা দিম নিশ্চয়। মই ৰূপহী গাঁৱৰ মানুহ, কথাৰ হেৰফেৰ নকৰোঁ।"

কিছুদিনৰ পাছত সেই আধা-অনা আদায় কৰিবলৈ ৰতেন গ'ল ৰূপহী গাঁৱলৈ। মগনে তাত ৰতনক দেখা পায়েই কৈ উঠিল, "তুমি মোক ভাঁৰিলা, মোক ডুবালা।"

ৰতনে ক'লে, তুমিও কম নহয়। তুমিও মোক প্ৰতাৰিলা।" মগনে ক'লে, "তো—হিচাপ এক সমান হৈ গ'ল।"

"নহ'ল, হ'ব নোৱাৰে। মোক সেই আধা-অনা লাগে। আগতে আধা-অনা দিয়া, পাছত কি ক'বা কোৱা।" ৰতনে ক'লে।

"মোৰ শুওচৰত এতিয়া ফুটাকড়িও নাই। পিছেতোমাক মই এনেকুৱা এক উপায় বতাম—যি-উপায়েৰে আমাৰ লাভেই লাভ হ'ব। — আমাৰ মহাজনৰ ঘৰৰ পিছফালে এটা অতি দ'গাঁত আছে। গাঁতটোত যে মূল্যৱান মালবস্তু আছে—নিঃচিত কথা। আজি মাজনিশা আমি আমি সেই গাঁতৰপৰা মালবস্তু উঠাই আনিম, আৰু যি পাম ভগাই ল'ম।"

সেই দিনাই মাজনিশা মগনে এটা ডাঙৰ থৈলা আৰু শকত ৰছী এডালৰে সৈতে তালৈ আহিল আৰু ততাতৈয়াকৈ থৈলাৰে সৈতে গাঁতৰ ভিতৰলৈ নামি গ'ল। ৰতনে ৰছীডাল কটকটীয়াকৈ ধৰি থাকিল, আৰু গাঁতৰ তলত মগনে কিবাকিবি বিচাৰি থাকিল।

গাঁতত থিয় হৈ মগনে ভাবি থাকিলঃ এতিয়া যদি মই ৰতনক কওঁ যে গাঁতত একোৱেই নাই, সি টো ৰতনে ৰছীডাল দলিয়াই পেলাই যদি গুচি যায়গৈ মই আৰু গাঁতৰপৰা ওলাব নোৱাৰিম। গতিকে তাক সঁচা কথা নকওঁ। মগনে গাঁতৰপৰা চিঞৰি চিঞৰি ৰতনক ক'লে, "ইয়াত যি পালোঁ—থৈলাত ভৰালোঁ। এতিয়া থৈলাটো ওপৰলৈ উঠাই লোৱাঁ।"

ৰতনে ৰছীডালত ধৰি সেই গধুৰবো গধুৰ থৈলাটো ওপৰলৈ উঠাবলৈ ধৰোঁতে ভাবি

থাকিল : এই মগনটো আচলতে এটা প্ৰতাৰক, ইয়াক একোপধ্যে বিশ্বাস কৰিব নোৱাৰি। থৈলাটো ওপৰলৈ উঠাই আনি মই তাক আৰু উঠাই নানোঁ। মই থৈলাটোৰে সৈতে—সি টলকিব নোৱৰাকৈ গুচি যামগৈ।

আৰু সি ভবা মতেই কাম কৰিলে। সেই প্ৰকাণ্ড গধুৰ থৈলাটো গাঁতৰপৰা টানি-টুনি উঠাই আনি পিঠিৰ ওপৰত পেলাই লৈ তাৰপৰা পলাই ফাট মাৰিলে।

মগন গাঁতৰ ভিতৰতে পৰি থাকিল।

কিছুদূৰলৈ আগুৱাই যোৱাৰ পাছত তাৰ বৰ ভাগৰ লাগিল। সি সেই প্ৰকাণ্ড থৈলাটো পিঠিৰপৰা নমাই থ'লে আৰু লগে লগে সেই থৈলাটোৰপৰা মগন ওলাই আহি তাৰ আগত থিয় দিলে।



কাণ্ড চাই ৰতনৰ প্ৰচণ্ড খং উঠিল। সি মগনক ক'লে, "বদমাছ—তুমি পুনৰ মোক ভাঁৰিলা!"

"তুমিও কম নহয়। তুমিও মোক ভাঁৰিবলৈ থৈলাটোৰে সৈতে নোহোৱা নহৈছিলা জানো? গতিকে—মোৰ ভাঁৰণ-তোমাৰ ভাঁৰণ—দুয়ো মিলি ৰতন-মগন। হিচাপত কোনো গেণ্ডাৰগোল নাই। গতিকে—চুপ থাকা, নবকা।" মগনে ক'লে।

"কিয়নো মই চুপ থাকিম হে? মোৰ আধা-অনাৰ কি হ'ল? নিদিয়ানে কি?" ৰতনে ক'লে। "নিদিওঁ বুলি ক'লোঁনো কেতিয়াহে? দিম। পিছে মোৰ গুচৰত যেতিয়া আধা-অনা হ'ব—তেতিয়াহে দিম।"

মগনে এই কথা কৈ দিয়াত—দুয়ো নিজৰ নিজৰ গাঁওমুৱা হ'ল।

কেইমাহমনৰ অন্তত মগনে বিয়া কৰালে। ঘৈণীয়েক কেৱল নিজেই নাহিল, লগত কিছুখিনি ধন-সোণও লৈ আহিল। তেতিয়া—পৰৰ ওপৰত পাই ধন—মগনে এৰিলে কাম-বন। কাম-বন এৰি—খেতিমাটি অলপ কিনি—খেতি-খোলা কৰি—ওনা-ওনে আৰ্জি—গাঁৱত মাটি লৈ ঘৰ-দুৱাৰো সাজিলে।

কিন্তু ৰতন আগৰ দৰেই হৈ থাকিল—কাম-ধান্দা কৰি কথমপি পেট প্ৰৱৰ্তাই থাকিল। আৰু সি আকৌ এদিন মগনৰপৰা তাৰ পাওনা আধা-অনা আদায় কৰিবলৈ মগনৰ কাষ চাপিল।

মগনে তাৰ ঘৰৰ বাৰান্দাত বহি থকাতেই বহু দূৰৰপৰা ৰতনক আহি থকা দেখা পায়েই

জাঁপ মাৰি ঘৰৰ ভিতৰলৈ গৈ তাৰ ঘৈণীয়েকক থোৰতে সকলো কথা কেনেবাকৈ কৈ ক'লে, "সি মোৰপৰা তাৰ পাওনা উচুল কৰিবলৈ আহি আছে। মই মৰা মানুহৰ দৰে পৰি থাকিম, আৰু তুমি মোক আগচি ধৰি বহি বহি জোৰছে হায়ঔ-বিয়ঔকৈ কান্দি থাকিবা। যদি গধূলিলৈকে কান্দি থাকিব পাৰা—সি বেটা ৰতনে নিশ্চয় পাওনা উচুলৰ আশা এৰি চিৰটিকালৰ বাবে গুচি যাবৰ, আৰু ময়ো তাক আৰু কেতিয়াও একো দিব নালাগিব।"

মগন শ' এটা পৰি থকাদি পৰি থাকিল। ৰতন আহিল। আহি অৱস্থাৰ বুজবাজ লৈ থাকিল। তেতিয়া মগনৰ ঘৈণীয়েকে হুৰাওৰাৰে কান্দি থাকিল।

ৰতনে দীঘলকৈ হুমুনিয়াহ কাঢ়ি কৈ থাকিল, "আমি দুয়ো আছিলোঁ নলগল, কিন্তু সি মোক এৰি থৈ গুচি গ'ল!" শোকগধুৰ মাতেৰে ৰতনে যেনিবা ৰাওবান্ধি কান্দিবৰ চেষ্টা দিলে। তাৰ পাছত—দহা-কাৰ্য্য কৰাৰ পাছতহে উভতিব বুলি ক'লে।

মগনৰ ঘৈণীয়েকে ক'লে, "আমাৰ আত্মীয়-কুটুমহঁত — সকলোটি আহি নোপোৱালৈকে দহাকাম নহ'ব। আপুনি ইমান পৰলৈ বৈ নাথাকিলেও হ'ব।"

বেলি মাৰ গ'ল, কিন্তু ৰতন তেতিয়াও তাতেই গোঁজৰ দৰে পোতা হৈ বৈ থাকিল।

তেতিয়া আশ-কাষৰপৰা চুবুৰীয়াহঁতৰ কিছুমানে ক'লেহি, "দহাকাম শেষ নোহোৱালৈকে আমাৰো কিন্তু খোৱা-লোৱা বন্ধ। গতিকে—এই মৃতদেহ—গাঁৱৰ মন্দিৰৰ চোতালতে থৈ দিয়া হওক।"

চুবুৰীয়াৰ কথা মতে মগনৰ মৃতদেহ সেই সাতামপুৰুষীয়া আওপুৰণি মন্দিৰলৈ লৈ যোৱা হ'ল। তেতিয়া মাজনিশা। মন্দিৰৰ বাহিৰৰ ফালে মানুহৰ খোজৰ শব্দ উঠিল। আৰু ৰতনে খৰকৈ মন্দিৰৰ ভিতৰলৈ আহি মন্দিৰৰ গৰ্ভগৃহতে লুকাই থাকিল।

কিছু সময়ৰ পাছত কেইটামান চোৰ মন্দিৰলৈ আহিল। চোৰৰ চৰ্দাৰে বিৰাট গাঁঠৰি এটা মন্দিৰৰ খটখটীৰ ওপৰত থৈ দিলে, আৰু সেই গাঁঠৰিৰ পৰা নানা ধৰণৰ সোণৰ গহনা উলিয়ালে। এইবোৰ গহনাৰ মাজত এপাট ডেগাৰো আছিল। চৰ্দাৰে আন চোৰ তিনিটাক সুধিলে, "এই ডেগাৰপাট—তহঁতৰ মাজত কোনে ল'বি — ক'।"

তিনিও চোৰেই ক'লে যে—এই পাট ডেগাৰ কোনো কামৰ ডেগাৰ নহয়।

কিন্তু চৰ্দাৰে ক'লে, "তহঁতে এইপাট ডেগাৰৰ ভাল-বেয়াৰ একোৱেই নাজান। চাই থাক, মই এইপাট ডেগাৰেৰে এই শ'টো কেনে নিমজকৈ দুছোৱা কৰোঁ।" এই বুলি কৈ, ডেগাৰখন হাতত লৈ, চোৰৰ চৰ্দাৰ মগনৰ মৃতদেহৰ ওচৰলৈ আহিল, আৰু আচম্বিতে মগন শুই থকাৰপৰা পোনদ্যাহে উঠি থিয় হ'ল।

মগনে চিঞৰি থাকিল, "হেৰা ভূতবোৰ-প্ৰেতবোৰ! আহাঁ আহাঁ—যি য'ত আছা—আহাঁ আৰু এই চোৰৰ চৰ্দাৰটোক আটক কৰি ফাটকত থৈ আহাঁ!"

আৰু ঠিক তেতিয়াই মন্দিৰৰ গৰ্ভগৃহত লুকাই থকা ৰতন জাঁপ মাৰি ওলাই আহিল, চোৰবিলাক আৰু চোৰৰ চৰ্দাৰেও ফেঁটীৰ মূৰ ছিঙা লৰ দি পলাল।

মগনে ৰতনক ক'লে, "দেখিলানে—ভাগ্য আমাৰ কিমান ভাল? এতিয়া আমি ভগাই ল'ম চোৰৰ মাল।" এই বুলি কৈ দুয়ো সোণৰ গহনাখিনি সমান ভাগেৰে ভগাই ল'লে।

ইপিনে—চোৰকেইটাই দৌৰি দৌৰি ভাগৰি-জুগৰি এডৰা হাবিৰ কাষ পাই ৰ'ল। চৰ্দাৰে ক'লে, "আজি আমাৰ যি হ'ল—বৰ বেয়া হ'ল। আমি যে ইমানেই ডৰপুক, আগে কেতিয়াও ভাবিবই পৰা নাছিলোঁ। যেই কি নহওক—আজি যে বডড সাৱধানে সাৰিলোঁ—সেই কথাতো সন্দেহ নাই। জীয়া জীয়া ভূত—বৰ অদ্ভুত! জীয়াভূতৰ কবলৰপৰা যে ওলাই পলাই আহিব পাৰিলোঁ—সেয়ে যথেষ্ট। নহ'লে—আজিয়েই ইষ্টনাম ল'বলগা হ'লহেঁতেন, যমৰ মুখলৈ গ'লোহেঁতেন। ব'লা—ব'লা—ইয়াতো যে ভূতবোৰে আমাক নধৰিবহি তাৰ কোনো নিশ্চয়তা নাই।" এই বুলি কৈ সিহঁত তাৰপৰা হাবিৰ মাজেদি গৈ থাকিল।

ইতিমধ্যে ৰতন আৰু মগনৰ মাজত এক মীমাংসা হ'ল। চোৰে অনা সোণৰ গহনা ভগাই লোৱাৰ অন্তত—সেই আধা-অনাৰ সলনি ৰতনে ডেগাৰখন ল'লে।

তৰ পাছত—গহনাখিনি বেচি ৰতনে এখাণ্ডি খেতি-মাটি কিনিলে আৰু তাৰ মনে-খোৱা কৃষকৰ জীৱন যাপি মনৰ ইচ্ছা পূৰালে।

ফোটো-নামকৰণ প্ৰতিযোগিতা : পুৰস্কাৰ ১০০ টকা

পুৰস্কৃত নাম ১৯৯৭ চনৰ জুলাই সংখ্যাত ওলাব

MAHANTESH C. MORABAD

MAHANTESH C. MORABAD

* ফোটো-নামকৰণ দুই-তিনিটা শব্দেৰে হ'ব লাগিব। * প্ৰতিযোগিতা 'কোন মাহৰ বাবে' উল্লেখ কৰিব লাগিব। * ১৯৯৭ চনৰ মে' মাহৰ ২০ তাৰিখে আমি পোৱাকৈ পঠাব লাগিব। * সৰ্বশ্ৰেষ্ঠ নামকৰণকাৰীক নামকৰণৰ বাবে ১০০ টকা পুৰস্কাৰ দিয়া হ'ব। * নামকৰণ কেৱল প'ষ্টকাৰ্ডত লিখি আমি যথাসময়ত পোৱাকৈ তলৰ ঠিকনালৈ পঠাব লাগিব।

ঠিকনা : CHANDAMAMA PHOTO-CAPTION COMPETETION (ASSAMESE)
CHANDAMAMA BUILDINGS, VADAPALANI, MADRAS-600026.

১৯৯৭ চনৰ মাৰ্চ সংখ্যাৰ ফোটো-নামকৰণ প্ৰতিযোগিতাৰ ফলাফল :

প্ৰথম ফোটো	: **পুতলি-কেমেৰাই ধেমালিহে কৰে**
দ্বিতীয় ফোটো	: **আচলি-কেমেৰাই পুতলাকে ধৰে**
পাওঁতা	: হিতেশ শৰ্মা মংগলদৈ - ৭৮৪১২৫ অসম

চান্দমামাৰ বছৰেকীয়া বৰঙনি :

ভাৰতত ৭২.০০ টকা মাথোন

বৰঙনিৰ বাবে তলৰ ঠিকনালৈ পঠাব লাগিব :

DOLTON AGENCIES
CHANDAMAMA BUILDINGS, 188 N.S.K. SALAI, VADAPALANI, MADRAS-600026.

Printed by B.V. REDDI at Prasad Process private Ltd., 188, N.S.K. Salai, Madras - 600 026 (India) and Published by B. VISHWANATHA REDDI on behalf of CHANDAMAMA PUBLICATIONS, Chandamama Buildings, Vadapalani, Madras - 600 026 (India), Controlling Editor: NAGI REDDI.

The stories, articles and designs contained herein are exlusive property of the Publishers and copying or adapting them in any manner will be dealt with according to law.

THE MOST ENDEARING GIFT YOU CAN THINK OF
FOR YOUR NEAR AND DEAR WHO IS FAR AWAY

CHANDAMAMA



Give him the magazine in the language of his choice—
Assamese, Bengali, English, Gujarati, Hindi, Kannada, Malayalam, Marathi, Oriya, Sanskrit, Tamil or Telugu
—and let him enjoy the warmth of home away from home.

Subscription Rates (Yearly)

AUSTRALIA, JAPAN, MALAYSIA & SRI LANKA

By Sea mail Rs **129.00** By Air mail Rs. **276.00**

FRANCE, SINGAPORE, U.K., U.S.A.,
WEST GERMANY & OTHER COUNTRIES

By Sea mail Rs. **135.00** By Air mail Rs. **276.00**

Send your remittance by Demand Draft or Money Order favouring 'Chandamama Publications' to:

CIRCULATION MANAGER **CHANDAMAMA PUBLICATIONS** CHANDAMAMA BUILDINGS
VADAPALANI MADRAS 600 026


A SHARP
MIND
NEEDS A
SHARP
PENCIL
H.P.P. LTD. NATARAJ 621 HB
NATARAJ
FREE
NATARAJ SHARPENER
with every pack of
10 NATARAJ
pencils*
NATARAJ®
* Offer available on 10s pack of Nataraj 621 HB and
Nataraj Petals pencils only. Offer valid till stocks last.
QUALITY PRODUCTS FROM HINDUSTAN PENCILS LTD